# দৰঙী শব্দকোষ

DIRECTOR, LIBRARY SERVICES
ASSAM

সম্পাদক

শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা

দৰং জিলা সাহিত্য সভা

# দৰঙী শব্দকোষ উপসমিতি

সভাপতি —শ্ৰীঅতুল চন্দ্ৰ বৰুৱা

সম্পাদক —শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা

সদস্যসকল —ড° নবীন চন্দ্ৰ শৰ্মা

শ্ৰীভিত্তেশ্বৰ শইকীয়া

শ্ৰীপূৰ্ণকান্ত ভাগৱতী

মনোনীত সদস্যসকল—শ্ৰীমণীনাথ শৰ্মা

শ্ৰীমণীধৰ নাথ

---

দৰং জিলা সাহিত্য সভা, মঙ্গলদৈ

DARANGI SABDAKOSH, a dictionary of regional
Assamese words used in Darrang district,
edited by Shri Prabhat Chandra Sarma
and published by Shri Dimbeswar
Saikiah, General Secretary,
Darrang Zila Sahitya
Sabha, Mangaldai,
May, 1989

---

**Price Rs. 30·00**
Rupees Thirty only

প্ৰকাশক

**শ্ৰীডিম্বেশ্বৰ শইকীয়া,**

সাধাৰণ সম্পাদক,

দৰং জিলা সাহিত্য সভা,

মঙ্গলদৈ সাহিত্য ভৱন

মঙ্গলদৈ—৭৮৪১২৫

দৰং (অসম)

প্ৰথম প্ৰকাশ—মে' ১৯৮৯ খৃঃ

মূল্য —ত্ৰিশ টকা

মুদ্ৰণ —দুৰ্গেশ্বৰ প্ৰিণ্টিং ৱৰ্কচ, মঙ্গলদৈ।

# আৰম্ভণিতে এষাৰ

অসমীয়া ভাষাত পূৰ্ণাংগ অভিধান এখনো আজিলৈকে ওলোৱা নাই। তেনে অভিধান এখন প্ৰস্তুত কৰিবলৈ হলে আঞ্চলিক শব্দকোষ খনচেৰেকৰ নিতান্ত প্ৰয়োজন। সমগ্ৰ অসমৰ বিভিন্ন অঞ্চলৰ শব্দ-সম্ভাৰেৰে পৰিপুষ্ট তেনে আঞ্চলিক শব্দকোষ খন-চেৰেক যিকোনো ভাষাৰ পূৰ্ণাংগ অভিধানৰূপী সৌধটোৰ হব একপ্ৰকাৰ আধাৰ-শিলা স্বৰূপ। সেই শব্দকোষসমূহৰ পৰা বৈজ্ঞানিক পদ্ধতিত সংগৃহীত শব্দসম্ভাৰ তেনে এখন অভিধানৰ কাৰণে অপৰিহাৰ্য সম্বল। সেই সূত্ৰেদি দৰঙী শব্দকোষ এখন প্ৰস্তুত কৰাৰ অভিপ্ৰায় বহুকাল পূৰ্বৰেপৰা মোৰ মনত গাঁঠি খোৱা আছিল।

বিগত পঞ্চাশ-ষাঠি দশকৰ কথা। চন্দ্ৰকান্ত অভিধানৰ দ্বিতীয় সংস্কৰণৰ কাম তেতিয়া পূৰ্ণ-উদ্যমে চলি আছে। সেই সময়ত অভিধানখনৰ দোষ-গুণ সম্পৰ্কে সমসাময়িক বাতৰি কাকত আৰু আলোচনীৰ পাততো পুংখানুপুংখ আলোচনাবোৰ পঢ়ি ভাল লাগিছিল। আমিও ১৯৫৫/৫৬ চনত সেই বিষয়ে আমাৰ বক্তব্য দাঙি ধৰি অসমবাণীত ৩/৪ টা প্ৰবন্ধ লিখিছিলোঁ। সেইবোৰে লেখকৰ একে বিষয়ৰ অন্যান্য প্ৰবন্ধৰ লগ লাগি পিছত ১৯৭৭ চনত 'অসমীয়া অভিধান আৰু ভাষা' নামৰ গ্ৰন্থৰূপে প্ৰকাশ লভিছিল। কাকতত তেনেবোৰ লেখা-লেখি কৰাৰ ফলস্বৰূপেই হব পায় চন্দ্ৰকান্ত অভিধান প্ৰণয়ন সমিতিয়ে আমাক অভিধানৰ শব্দ-বাছনিৰ আলোচনাত ভাগ লবলৈ বিশেষভাবে অনুৰোধ কৰিছিল। চৰকাৰী কামৰ হেঁচাত থকা কাৰণে সেই অনুৰোধ যথাযথৰূপে ৰক্ষা কৰিব নোৱাৰি সমিতিৰ বিচাৰ-বিবেচনাৰ কাৰণে নিজে সংগ্ৰহ কৰা, মজনদৈ অঞ্চলত প্ৰচলিত অভিধান-অবহেলিত এহেজাৰমান

শব্দৰ অৰ্থসম্বলিত তালিকা এখনকে [illegible] কৰিছিলো। অভিধানৰ পাতনিত তাৰ প্ৰাপ্য স্বীকৃতি দেখি ধন্য হৈছিলো। তাতোকৈ সুখৰ কথা এই যে সেই তালিকাৰ বহুলাংশ শব্দই গৃহীত হৈ চন্দ্ৰকান্ত অভিধানৰ যথাস্থানত সন্নিবিষ্ট হৈছে। এই কথাটো বিশেষকৈ উপলব্ধি কৰা হৈছিল দৰঙী শব্দকোষৰ কাৰণে আমি চন্দ্ৰকান্ত অভিধানৰ দ্বিতীয় সংস্কৰণ নাপাই প্ৰথম সংস্কৰণৰ পুথিৰ ওপৰতে নিৰ্ভৰ কৰি কামত কিছুদূৰ আগ বাঢ়ি পিছত দ্বিতীয় সংস্কৰণৰ পুথি বিচাৰি পাই মিলাই চাই অনেক শব্দ কাটি পেলাব-লগীয়া হেৰোত; কাৰণ দৰঙী শব্দকোষৰ শব্দ—সংগ্ৰহৰ ধাই নীতিটোৱে হৈছে হেমকোষ আৰু চন্দ্ৰকান্তত নথকা প্ৰচলিত দৰঙী শব্দৰ সংগ্ৰহ।

অসম সাহিত্য সভাৰ সভাপতিয়ে তেওঁৰ অভিভাষণত কিছুমান প্ৰয়োজনীয় আৰু সম্ভাব্য সাহিত্য-কৰ্মৰ আঁচনি থূলমূলকৈ দাঙি ধৰাটো এটা ৰীতি। সেই পৰম্পৰা মানি ১৯৭৯ চনৰ ফেব্ৰুৱাৰীত বহা ভৱানীকুচি অধিবেশনত আমিও সভাপতিৰ অভিভাষণত আঞ্চলিক অভিধান সম্পৰ্কে এইদৰে উল্লেখ কৰিছিলো— "প্ৰাসংগিকভাৱে উল্লেখ কৰা যায় যে অসমীয়া ভাষাৰ ধনচেৰেক আঞ্চলিক শব্দকোষৰো প্ৰয়োজন হৈছে। কামৰূপ জিলা সাহিত্য পৰিষদে তেনে এটা আঁচনি জিলা পৰিষদৰ ভিত্তিত গ্ৰহণ কৰিছে আৰু তাৰ কাম আৰম্ভ হৈছে বুলি শুনিছো। তেনেকৈ প্ৰত্যেক জিলা পৰিষদতে আঁচনি লৈ চন্দ্ৰকান্ত অভিধানত নথকা ব্যৱহাৰী শব্দবোৰ গোটাই আঞ্চলিক ভিত্তিত একোখন শব্দকোষ ৰচনাৰ কাম হাতত লোৱা উচিত হব বুলি আমি ভাবো। তাকে কৰিলে পিছত তেনেকৈ সংগৃহীত হোৱা বিভিন্ন অঞ্চলৰ শব্দ-সম্ভাৰ গোটাই লৈ সেইবোৰৰ সম্ভাব্য ব্যুৎপত্তি, প্ৰয়োগ, ইতিহাস আদি বিচাৰ কৰি উপযুক্তখিনিক মান্য ভাষাৰ অভিধানত গ্ৰহণ কৰিবলৈ সুচল হব।

আজিৰ দিনত পূৰ্ণাঙ্গ অভিধান ৰচনা কৰা এজন লোকৰ সাধ্য নহয়।" সেইদেখি হাতে-কামে দেখুৱাইহে বুজি লওঁ বুলি মনত কৰি, সেই বছৰতে মঙ্গলদৈত জিলা সাহিত্য পৰিষদৰ—বৰ্তমানৰ দৰং জিলা সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনত বিষয়টো উত্থাপন কৰাই সম্পাদক নিৰ্বা-চনাদি কামবোৰ শব্দকোষৰ পাঁচনি হাতত লোৱা হৈছিল। সৌভাগ্যক্ৰমে সেই বছৰত মঙ্গলদৈ জিলা সাহিত্য পৰিষদৰ সভাপতিৰ আসনত আছিল সনামধন্য পণ্ডিত আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী। তেতিয়াৰেপৰা আজিকোপতি তেওঁৱেই উপদেষ্টা, তেওঁৱেই সভা-পতি আদি দায়িত্ব গ্ৰহণ কৰি কামটো সমাধা কৰিবলৈ আমি সৰ্বতোপ্ৰকাৰে যত্ন কৰি আহিছোঁ।

কামৰ গণ্ডিত পুৰণি দৰং ৰাজ্যৰ পূ.ব দৈ আজিৰ দৰং জিলা হৈছে বুলিব লাগে। দৰঙী শব্দকোষৰ আঞ্চলিক এনেকুৱা সেয়ে। এই অঞ্চলৰ কিছুমান শব্দ অৰ্থৰ দিশৰপৰা আমোদজনক-ভাবে আঞ্চলিক। তাৰে দুই-চাৰিটা, যেনে—গোলমাল (আলোচনা), চোকা (চোক, দুই বা ততোধিক আলি-বাটৰ সংযোগ স্থল), বত্তুৱা (ধাৰ নথকা, বদুৱা), বেজাৰ (আমনি, গালি-শপনি), সবহ (কম), শাস্তি (আমনি), সন্ধা (সাঁথৰ), চুৰা (কুনীয়া গুৰ), মণা-পানীৰ (এঠা-দৈ), বিহ (চৰ্‌চৰণি) ইত্যাদি। দৰঙী শব্দকোষত এনে-বোৰ আঞ্চলিক শব্দ যথাসম্ভৱ সংগ্ৰহ কৰা হৈছে।

বৰ্তমানৰ দৰঙী শব্দকোষ আমাৰ পৰিকল্পিত বৃহৎ সংস্কৰণ এটাৰ ক্ষুদ্ৰ উদাহৰণ মাত্ৰ। আমাৰ অনুমান ইয়াত অভিধানত নথকা দৰঙী অসমীয়া শব্দাৱলীৰ সকলোখিনিকে গণনাৰে তাৰ এক বৃহৎ সংখ্যক শব্দয়ে ইয়াত ঠাই পোৱা নাই। অতঃপৰ সংস্কৰণ এটা উলিয়াবলৈ হলে আৰু পৰিশ্ৰম, অৰ্থ সাহায্যৰ প্ৰয়োজন। তথাপি 'নাই মোমাইতকৈ কণা মোমাই ভাল' বুলি

ভাবিয়ে ইয়াক ৰাইজৰ আগলৈ আগবঢ়াই দিয়া হ'ল। ইয়াৰ কৃতিত্বৰ গৌৰৱ সম্পাদনা সমিতিৰ, বাইকৈ সম্পাদক শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা আৰু জিলা সাহিত্য সভাৰ সম্পাদক শ্ৰীভিত্তেশ্বৰ শইকীয়াৰ। ইয়াৰ প্ৰকাশনত যিসকল সদাশয় লোকে উদাৰ দান-বৰঙণিৰে সহায় কৰিছে তেখেতসকল সদৌ দৰঙ্গী ৰাইজৰে শলাগৰ পাত্ৰ। অলমতিবিস্তৰেণ। ইতি—

নৱ গিৰি
চানমাৰি
গুৱাহাটী—৩

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা,
সভাপতি,
দৰঙ্গী শব্দকোষ উপসমিতি
তাৰিখ—৩০।৪।৮৯

# সম্পাদকীয়

সুপ্ৰাচীন অসমীয়া ভাষাৰ শব্দমালাত নানা জাতি-উপজাতিৰ শব্দ ভৰি আছে। অসমীয়া ভাষাৰ সাম্প্ৰতিক ৰূপত সেই সকলো-বোৰ শব্দ শিষ্টশব্দ ৰূপে গৃহীত হোৱা নাই। বহুতো শব্দ একো একো অঞ্চলৰ কথিত অসমীয়া উপভাষাৰ মাজত আছে। ডাকভণিতাৰ ৰচনা কালৰপৰা প্ৰাপ্ত প্ৰাচীন অসমীয়া সাহিত্যত নামনি অসমৰ অসমীয়া শব্দ বিস্তৃতভাৱে ব্যৱহৃত হৈছিল যদিও আহোম ৰাজত্ব-কালৰ বুৰঞ্জী সাহিত্য আৰু তাৰ পাছত অৰুণোদই (অৰুণোদয়) কাকতৰ প্ৰকাশৰ কালৰপৰা নামনি অসমৰ বহু শব্দ অনাদৃত হ'ল।

দৰঙী অসমীয়া উপভাষা, কামৰূপী অসমীয়া উপভাষা আৰু গোৱালপৰীয়া অসমীয়া উপভাষা বিস্তৃত শব্দসম্ভাৰেৰে সমৃদ্ধ। বৰাক উপত্যকাৰ লোকসকলৰ কথিত ভাষাতো উপভাষীয় লক্ষণ আছে। সাম্প্ৰতিক কালত কামৰূপ (অবিভক্ত) আৰু দৰং (পূৰ্বৰ মঙ্গলদৈ মহকুমা) অঞ্চলৰ প্ৰচলিত বহু শব্দ পালি, প্ৰাকৃত আৰু পুৰণি অসমীয়া পুথিবোৰত ব্যৱহৃত হোৱা দেখা যায়। এনেকি, এই অঞ্চলত কথিত অসমীয়া ভাষাৰ ক্ৰিয়াপদ, বিশেষকৈ নিত্যবৰ্তমান কালৰ ক্ৰিয়াপদ প্ৰাকৃত আৰু পুৰণি অসমীয়া পুথিত ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়।

কামৰূপী অসমীয়া উপভাষাৰ ওপৰত যথেষ্ট গৱেষণা হৈছে। এই অঞ্চলৰ সাহিত্যিক কেইগৰাকীমানে তেওঁলোকৰ লিখাত আংশিকভাৱে হ'লেও কামৰূপী অসমীয়াৰ ব্যৱহাৰ কৰিছে। এনেকি, সম্পূৰ্ণৰূপে কামৰূপী উপভাষাত নাটক ৰচনাৰো পৰীক্ষা

চলিছে। গোৱালপৰীয়া উপভাষাৰ গীত-মাত আদি অনাতাঁৰ আৰু দূৰদৰ্শনৰ মাধ্যমেৰে বহুলভাৱে প্ৰচাৰ হৈছে।

শ্ৰীঅতুল চন্দ্ৰ বৰুৱা প্ৰমুখ্যে দুই-চাৰিগৰাকী সাহিত্যিকে তেওঁবিলাকৰ সাহিত্য-কৰ্মত গোটাদিয়েক দৰঙী শব্দৰ ব্যৱহাৰ কৰা দেখা যায়। শ্ৰীশিৱপ্ৰসাদ বায়খোৱা আৰু শ্ৰীকৰুণাসিন্ধু বায়খোৱাই মঙ্গলদৈয়া (দৰঙী) জতুৱা ঠাঁচৰ পুথি এখন যুগুত কৰি প্ৰকাশ কৰিছে। এতিয়ালৈকে এই উপভাষাৰ (দৰঙী) ওপৰত গৱেষণা হৈ উঠা নাই।

সাম্প্ৰতিক কালত অসম সাহিত্য সভাৰ পক্ষৰপৰা আঞ্চলিক শব্দবোৰৰ সংগ্ৰহৰ চিন্তা-চৰ্চা চলিছে। অসম চৰকাৰেও অসমৰ সকলো অঞ্চলৰ চুকে-কোণে অসংগৃহীত অৱস্থাত থকা শব্দসম্পদ সংগ্ৰহ কৰি 'চলন্ত অসমীয়া অভিধান' যুগুত কৰাৰ আঁচনি গ্ৰহণ কৰিছে।

আঞ্চলিক শব্দবোৰৰ প্ৰয়োজন সম্পৰ্কে তলৰ কথাখিনি চিন্তা কৰিব পাৰি।

১। একোটা অঞ্চলৰ উপভাষাৰ সম্যক্ উপলব্ধি।

২। সংগৃহীত শব্দবোৰৰ তদ্ৰূপভাৱে, নাইবা স্বৰ আৰু ব্যঞ্জনধ্বনিৰ প্ৰয়োজনীয় পৰিবৰ্তন ঘটাই মান্য অসমীয়াত ব্যৱহাৰ আৰু তাৰদ্বাৰা অসমীয়া ভাষাৰ সামগ্ৰিক উন্নতিসাধন।

৩। উপভাষাটোৰ ভাষাতাত্ত্বিক অধ্যয়ন।

দৰঙী অসমীয়া উপভাষা— সুদূৰ অতীতৰেপৰা নানা জাতি উপজাতিৰ বসতিস্থান দৰং অঞ্চলৰ অসমীয়া উপভাষাটোও তিব্বত-বৰ্মীয়, আৰ্যভাষামূলীয় আদি নানা উৎসৰ শব্দ ভৰি আছে। দৰঙী ৰাজবংশৰ ৰাজত্বৰ শেষৰ কালে ৰজাঘৰীয়া সৈন্যদলত বহু হিন্দুস্থানী সৈন্যৰ মকৰল হৈছিল। এই সৈন্যসকলৰ বংশধৰসকলে আৰু তেনেকৈ বহুতো মুচলমানলোকে এই অঞ্চলত নিগাজিকৈ বসতি কৰিবলৈ

নৈছিল। এই লোকসকলৰ বহু হিন্দী, আৰবী আৰু ফাৰ্চী শব্দ এই অঞ্চলৰ অসমীয়া উপভাষাত সোমাই পৰিছে।

দৰঙী অসমীয়া উপভাষাটোৰ শব্দমালাত তলত উল্লেখ কৰা বৈশিষ্ট্যবোৰ চকুত পৰে।

১। কিছুমান স্বতন্ত্র শব্দ। সাধাৰণতে এইবোৰৰ প্রতিশব্দ শিষ্ট অসমীয়াত পোৱা নাযায়। যেনে—অৰ্চনকাৰা, অবেৰ্ বেতী, অপৰ্ খেতি, ডংক, বন্ধে (বন্ধকে)।

২। স্বৰধ্বনিৰ পৰিবৰ্তন আৰু লোপ আৰু ব্যঞ্জনধ্বনিৰ পৰিবৰ্তনৰ দ্বাৰা সাধু অসমীয়া শব্দৰ লগত মিলি যোৱা শব্দ। তেনে শব্দবোৰৰ কেইটামান—

(ক) স্বৰধ্বনিৰ পৰিবৰ্তনদ্বাৰা—

কেঁকল < কঁকাল, কঠল < কঠাল, কপল < কপাল, পায়াস < পায়স, বিচেনী < বিচনী, গিজিগি < গিজগি, পালেই < পালৈ, বিঠেই < বিঠৈ, কাছো < কাছু

(খ) স্বৰধ্বনিৰ লোপদ্বাৰা—

চেৰ্কেনি < চেৰেকনি, তিত্তি < তিতিকি, সেট্কা < সেটেকা, বোৰ্কেনি < বোৰোকনি, ঘোল্কেনি < ঘোলোকনি

(গ) স্বৰধ্বনিৰ লোপ আৰু 'ৰ্'ৰ লগত ব্যঞ্জনধ্বনিৰ সমীভৱনদ্বাৰা—

খ'চা < খ'ৰ্চা < খৰিচা, বজ্জি < বৰ্জি < বৰাজি, ডুংগী < ডুৰ্গী < ডুবাগী, পংগীয়া < পৰ্গীয়া < পৰগীয়া, হ'ংপা < হ'ৰ্পা < হৰিপা

৩। ব্যঞ্জনধ্বনিৰ পৰিবৰ্তনদ্বাৰা—

চখু < চকু, শুজা < শুকা, কাপেই < কাপৈ, ঝিঝিমি < ঝিমঝিমি, হাঁপী < হাপু, সাপৰ < কাপৰ

৪। ৰূপৰ পৰিবৰ্তন নঘটাকৈ বেলেগ অৰ্থত ব্যৱহাৰ হোৱা শব্দ। যেনে—গোলমাল (আলোচনা), শান্তি (অসুবিধা, আমনি)

৫। সাধাৰণ অৰ্থৰ উপৰিও সম্পূৰ্ণ বিপৰীত অৰ্থত্তো ব্যৱহাৰ হোৱা শব্দ। যেনে—আধিক (অধিক) (অনাটন), সৰহ (অধিক) (উপশম)

৬। হিন্দী শব্দ আৰু আৰবী, ফাৰ্চী আদি ভাষাৰ লগত যুক্ত হৈ থকা শব্দ। যেনে—এইছা-বেইছা, হিচা (ভাগ) সাবাধানে, সাবাদিগিৰ, সাবাপথাৰে (কেউপিনে) সাবাচেলকা (অ'ত ত'ত অলপীয়াকৈ থকা) সাবাসিচেৰি (সিচৰতি)

৭। হেমকোষ আৰু চন্দ্ৰকান্ত অভিধানত পুথিত থকা বুলি লিখা অথচ দৰঙী উপভাষাত সৰ্বসাধাৰণে ব্যৱহাৰ কৰা শব্দ। যেনে—আধাকে (একেলেথাৰিয়ে) (চ—২ সং, পৃ—৮২),

সাৰি (সাৰ, টোপনি নোহোৱা অৱস্থা)

(চ—২ সং, পৃ:—৮৭৪)

৮। সাধাৰণতে ব্যৱহাৰ হোৱা, হেমকোষ আৰু চন্দ্ৰকান্ত অভিধানৰ মতে বেলেগ অৰ্থত আৰু দৰঙী উপভাষাত বেলেগ অৰ্থত ব্যৱহাৰ হোৱা শব্দ। যেনে—

টাৰু—(চ—২ সং, পৃঃ ৪১৪) পাগৰাৰি, দৰঙত—গোবৰ ভৰাবলৈ সাজি লোৱা কোদালৰ নিচিনা হাতেৰে ধৰিবপৰা যতন।

ধাঁড় চেলেকা (হে—৪ সং, পৃ: ৯২৫) —ধাঁড় গৰুৱে চেলেকাৰদৰে চেলেকা।

সাবাচেলকা—দৰঙত—অ'ত ত'ত অলপীয়াকৈ থকা।

(চুলিত খাটে।)

চন্দ্ৰকান্তত (২য় সং, পৃ – ৪৮২) দৰহ শব্দৰ অৰ্থত দৰধ শব্দটো

লিখিছে। মূল শব্দ হিচাপে উল্লেখ কৰা নাই। দৰঙী উপভাষাত এই শব্দটো (দৰৰ) ব্যৱহাৰ হয়।

দৰঙী উপভাষাত ভাৱব্যঞ্জনাত্মক শব্দৰ বিপুল ব্যৱহাৰ আৰু ক্রিয়াপদৰ বিশেষ বিশেষ ৰূপ মন কৰিবলগীয়া। দৰঙী উপভাষাৰ শব্দবোৰত অক্ষৰৰ মহাপ্রাণীভৱনৰ প্রৱণতা বিশেষভাৱে পৰিলক্ষিত হয়। দৰঙী শব্দকোষ—দৰঙীয়ে গৌৰৱ কৰিব পৰা পালনগীত, ভুঞাবংশীয় আৰু দৰঙী ৰাজবংশীয় ৰজাসকলৰ ৰাজত্বকালত বিশিষ্ট পৃষ্ঠপোষকতা লাভ কৰা বৰেণ্য সাহিত্যিকসকলৰ সাহিত্যকৰ্মৰ খনি,—বিয়াহৰ ওজা, সুকনান্নী ওজাৰ গীতনাচ, ঢুলীয়া গীত, বিয়াগীত, খুলীয়া ভাওনা, পুতলা ভাওনা আদিৰ চৰ্চা আৰু অনুশীলনৰ কেন্দ্ৰ আদিৰ, এবং ৰাজ্যৰ কিছু অংশ সম্প্রতি দৰং জিলা।

এই অঞ্চলৰ উপভাষীয় শব্দসমূহৰ সংগ্রহ সংকলন হৈ মঙ্গলদৈ জিলা সাহিত্য পৰিষদে ১৯৭৩ চনৰ এপ্রিলৰ পাঁচ তাৰিখে মঙ্গলদৈত আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত ইয়াৰ ষষ্ঠ বাৰ্ষিক অধিবেশনত এটি প্রস্তাৱ গ্রহণ কৰি 'মঙ্গলদৈৰ আঞ্চলিক শব্দকোষ প্রণয়ন উপসমিতি' গঠন কৰি দিয়ে। এই উপসমিতিত পৰিষদৰ তেতিয়া সভাপতি সভাপতি, [illegible]কাৰী (শ্রীপ্রভাত চন্দ্ৰ শৰ্মা) সম্পাদক, শ্রীনৰেন্দ্ৰ চন্দ্ৰ নাথ, শ্রীচন্দ্ৰকান্ত নাথ, শ্রীধনপতি কলিতা, শ্রীহৰিৰাম নাথ, শ্রীবিজয় চন্দ্ৰ ভাগৱতী আৰু শ্রীশচীনাথ শৰ্মা সহযোগী সম্পাদক নিৰ্বাচিত হয়।

সাহিত্য পৰিষদৰ প্রস্তাৱ আৰু শব্দকোষখনৰ প্রধান উদ্যোক্তা, অসম সাহিত্য সভাৰ সেই কালৰ সভাপতি শ্রীঅতুল চন্দ্ৰ হাজৰিকাই দিয়া প্রেৰণাৰ প্রতি শ্রদ্ধা জনাই নিম্নস্বাক্ষৰকাৰীসকলে সম্পাদকৰ দায়িত্ব গ্রহণ কৰে।

শব্দকোষখনৰ বাবে শব্দসংগ্রহ—শব্দকোষখনৰ শব্দসংগ্রহৰ বাবে সেই বছৰৰ (১৯৭৩) জুলাই মাহত দৈনিক অসম কাকতত

প্ৰকাশ কৰা জাননীযোগে প্ৰচলিত অসমীয়া অভিধানকেইখনত নথকা মঙ্গলদৈ অঞ্চলৰ মৌলিক অসমীয়া শব্দৰ তালিকা প্ৰস্তুত কৰি সম্পাদকক দিবলৈ ৰাইজলৈ গোহাৰি জনোৱা হয়। সেই বছৰৰ আগষ্ট মাহৰ ৫ তাৰিখে অনুষ্ঠিত হোৱা শব্দকোষ প্ৰণয়ন উপ-সমিতিৰ প্ৰথম বৈঠকৰ সিদ্ধান্তক্ৰমে উক্ত সহযোগী সম্পাদকসকলক, বিশেষকৈ যথাক্ৰমে স্বৰবৰ্ণ, ক বৰ্গ, চ বৰ্গ আৰু ট বৰ্গ, ত বৰ্গ, প বৰ্গ, অন্তঃস্থ আৰু উষ্মবৰ্ণৰ অক্ষৰ আদিতে থকা, প্ৰচলিত অসমীয়া অভিধানসমূহত নোপোৱা, শব্দ সংগ্ৰহ কৰিবলৈ অনুৰোধ কৰা হয়।

অধিক শব্দ সংগ্ৰহৰ আশা কৰি সেই বছৰৰ চেপ্তেম্বৰ মাহতে মঙ্গলদৈ জিলা সাহিত্য পৰিষদৰ উনৈচখন শাখা সাহিত্য সভালৈ পত্ৰযোগে গোহাৰি জনোৱা হয়।

দৈনিক অসম কাকতত প্ৰকাশিত গোহাৰিৰ প্ৰতি সহাৰি জনাই শ্ৰীপূৰ্ণকান্ত ভাগৱতীয়ে (সেইকালৰ দলগাওঁ সাহিত্য সভাৰ সম্পাদক), কেইবাখনো, শ্ৰীভূমিধৰ কটকী (ভেবাৰঘাট) আৰু শ্ৰীতৰুণ চন্দ্ৰ শৰ্মাই (সাবেং) একোখন শব্দ তালিকা প্ৰেৰণ কৰে।

সহযোগী সম্পাদকসকলৰ ভিতৰত শ্ৰীহাঁহিৰাম মাথে এখন আৰু শ্ৰীশশীনাথ শৰ্মাই কেইখনমান তালিকা দিয়ে। শাখা সাহিত্য সভাবোৰৰ ভিতৰত দলগাওঁ সাহিত্য সভাৰ সেইকালৰ সহকাৰী সম্পাদক শ্ৰীযোগেন্দ্ৰ নাথ নাথে আৰু ভোলাবাৰী শ্ৰীশ্ৰীগোবিন্দমিশ্ৰ সাহিত্য সভাৰ সেইকালৰ সম্পাদক শ্ৰীকমল কুমাৰ দাস আৰু ডাঁহি সাহিত্য সভাৰ তেতিয়াৰ সম্পাদক শ্ৰীভুবন চন্দ্ৰ কলিতাৰপৰা একোখন শব্দতালিকা পোৱা হয়।

শব্দকোষখনৰ সমীক্ষণৰ সময়ত শ্ৰীঅতুল চন্দ্ৰ বৰুৱাই নিজৰ টোকা-বহীৰপৰা অবেখিনি শব্দ আৰু ফকৰা-যোজনাৰ

যোগান ধৰিছে । সমীক্ষণত নিযুক্ত অন্য কেইগৰাকীয়েও শব্দ, বাক্য-যোজনা আদিৰ যোগান ধৰি অৰিহণা যোগাইছে । সমীক্ষণৰ সময়ত শুভাষিণী চৰণ গোস্বামী (দেৱানন্দ সত্ৰ), শ্ৰীজীৱন চন্দ্ৰ শৰ্মা (জেঙৰাইচাট), শ্ৰীআব্দুৰ ৰহমান (মঙলদৈ) আৰু শ্ৰীবিনন্দ চন্দ্ৰ ডেকাই (কেন্দুগুৰি) একোখন তালিকা দাখিল কৰিছে । শেহতীয়াকৈ শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰীদেৱৰো (চপাই) এখন শব্দৰ তালিকা পোৱা গৈছে ।

ইয়াৰ উপৰিও কথা-প্ৰসংগত দুই চাৰিগৰাকীলোকে এটা দুটা শব্দৰ উল্লেখ কৰিছে যদিও সেইসকলৰ নাম উল্লেখ কৰা সম্ভৱ নহ'ল ।

সমীক্ষণৰ পূৰ্বে সম্পাদকে অসমীয়া অভিধান কেইখনমানৰ অৱলম্বন, নিজৰ অনুসন্ধান আৰু চিন্তাৰ দ্বাৰা যুগুত কৰা শব্দৰ তালিকা আৰু সেইসময়তে হাতত পোৱা বিভিন্নজনৰ শব্দতালিকাসমূহৰ পৰা শব্দকোষখনৰ প্ৰথম খচৰা যুগুত কৰি উলিয়ায় আৰু ১৯৮১ খৃষ্টাব্দত কলাইগাৱঁত অনুষ্ঠিত মঙলদৈ জিলা সাহিত্য পৰিষদৰ অষ্টম বাৰ্ষিক অধিৱেশনত শব্দকোষখনৰ খচৰা এটি যুগুত হোৱাৰ কথা জনায় আৰু ইয়াৰ উত্তৰ-ব্যৱস্থাৰ বাবে অনুৰোধ কৰে ।

১৯৮২ খৃষ্টীয় বছৰত পৰিষদৰ খাৰুপেটীয়া অধিৱেশনত শব্দকোষখনৰ 'মঙলদৈয়া আঞ্চলিক শব্দকোষ' নামটি সলনি কৰি 'দৰঙী শব্দকোষ' কৰা হয় । শব্দকোষখনৰ সম্পূৰ্ণ কৰাৰ অৰ্থে শ্ৰীঅতুল চন্দ্ৰ বৰুৱাক সভাপতি, শ্ৰীভবেন্দ্ৰ শইকীয়া, শ্ৰীপূৰ্ণকান্ত ভাগৱতী, ড° নবীন চন্দ্ৰ শৰ্মাক সদস্য আৰু সম্পাদকক (শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মাক) লৈ এখন শব্দকোষ উপসমিতি গঠন কৰি দিয়া হয় ।

শব্দকোষখনৰ সমীক্ষণ  সেই বছৰৰ ( ১৯৮২ ) জুলাই মাহৰ ৩১ তাৰিখৰপৰা এই উপসমিতিয়ে সমীক্ষণ আৰম্ভ কৰে। প্ৰথম বচৰাৰপৰা দ্বিতীয় বছৰা এটি যুগুতাই লৈ হেমকোষ ( ৫ম সংস্কৰণ ) আৰু চন্দ্ৰকান্ত অভিধানৰ ( ২য় সংস্কৰণ ) লগত শেহতীয়াভাবে মিলাই সমীক্ষণ কৰা হয়। শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীপূৰ্ণকান্ত ভাগৱতী, শ্ৰীডিম্বেশ্বৰ শইকীয়া আৰু সম্পাদকৰ উপৰিও শ্ৰীশশীনাথ শৰ্মাই বৈঠকবোৰত উপস্থিত থাকি ১৯৮৭ চনলৈ সমীক্ষণ চলায়। সেই বছৰতে শ্ৰীশশীনাথ শৰ্মা আৰু শ্ৰীশশীধৰ নাথকো উপসমিতিৰ সদস্য মনোনীত কৰা হয়। শব্দকোষখন মুদ্ৰণৰ বাবে যুগুতহৈ উঠালৈকে উপসমিতিয়ে আশীটামান বৈঠকত মিলিত হৈ সমীক্ষণ চলাইছে। শেহতীয়া বৈঠক কেইটামানত উপস্থিত থাকি সহায় কৰোঁতাসকলৰ ভিতৰত শ্ৰীআব্দুৰ ৰহমানৰ নাম উল্লেখযোগ্য। এই সমিতিয়ে পৰ্যালোচনা, শব্দসংযোজন আৰু সমীক্ষণ কৰি শব্দকোষখন চূড়ান্তভাৱে যুগুত কৰে।

দৰঙী শব্দকোষৰ সম্পাদনা পদ্ধতি—দৰঙী শব্দকোষ এখন পূৰ্ণাঙ্গ অভিধান নহয়। দৰাচলতে ই সাম্প্ৰতিক অসমীয়া অভিধানসমূহৰ পৰিপূৰক স্বৰূপ। সেইবাবে হেমকোষ (৫ম সং) আৰু চন্দ্ৰকান্ত অভিধানত (২য় সং) স্থান নোপোৱা দৰং অঞ্চলৰ শব্দবোৰহে ইয়াত সন্নিবেশ ঘটিছে। ইয়াত প্ৰথমতে একোটা শব্দ বা খণ্ডবাক্যৰ উল্লেখ কৰি, তাৰ পাছত ক্ৰমে, প্ৰয়োজন অনুসৰি সংক্ষিপ্ত পদ-নিৰ্ণয়, মান্য প্ৰতিশব্দৰ উল্লেখ আৰু (প্ৰয়োজন অনুসৰি) ব্যাখ্যামূলক বৰ্ণনা দিয়া হৈছে। কিছুমান শব্দৰ অৰ্থৰ সম্যক্ উপলব্ধিৰ অৰ্থে দৰঙীয়া কথাৰে বাক্য ৰচনা কৰি নাইবা যোজনা-ফকৰাৰ উদ্ধৃতি দি উদাহৰণ দিয়া হৈছে। হেমকোষত দেখুৱাৰ দৰে শব্দবিশেষৰ স্বৰধ্বনিৰ উচ্চাৰণৰ বৈশিষ্ট্য দেখুৱাবলৈ বিশেষ চিন ইয়াত ব্যৱহাৰ কৰা হোৱা নাই। একেটা আখৰেৰে আৰম্ভ

হোৱা একাধিক শব্দক একে ঠাইতে ৰাখত (,) কমাচিন দি আৰু বেলেগ বেলেগ অৰ্থৰে আৰু হোৱা শব্দক অনু-চ্ছেদ (/) চিনেৰে দেখুৱাই সেইবোৰ শব্দক যথাস্থানত উল্লেখ কৰি অৰ্থত প্ৰথমতে পোৱা শব্দটোৰ সমান বুলি কোৱা হৈছে। অৱশ্যে এই পদ্ধতি নিৰ্খুঁতভাৱে ৰক্ষা কৰাত কৰবাত আউলো লগাটো সম্ভৱ।

সমীক্ষণৰ স্থান—শব্দকোষখন সমীক্ষণৰ বৈঠক বিভিন্ন কাৰণত বিভিন্ন স্থানত অনুষ্ঠিত হৈছিল। তাৰ ভিতৰত শ্ৰীঅতুল চন্দ্ৰ বৰুৱাৰ (চানমাৰি, গুৱাহাটী) বাসগৃহত এদিন, মঙলদৈ পৌৰসভাৰ সভাকক্ষত এদিন, মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়কক্ষত এদিন, শ্ৰীঅম্বিকা চৰণ বৰুৱাৰ (মঙলদৈ) গৃহত দুদিন, শ্ৰীমণীনাথ শৰ্মাৰ (মঙলদৈ) গৃহত দুদিন, শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মাৰ (বামুণপাৰা, মঙলদৈ) গৃহত চাৰিদিনমান আৰু শ্ৰীযোগেন্দ্ৰ নাথ বৰাৰ (মঙলদৈ) গৃহত কেইবাখনো বৈঠক অনুষ্ঠিত হয়। বাকীবোৰ বৈঠক দৰং জিলা সাহিত্য পৰিষদৰ (সভাৰ) কাৰ্য্যালয়, মঙলদৈ সাহিত্যভৱনত অনুষ্ঠিত হয়।

দৰঙী শব্দকোষ সংকলনৰ সম্পৰ্কত তেতিয়াৰ মঙলদৈ জিলা সাহিত্য পৰিষদৰ ভুক্ত সংকল্প, শব্দসংগ্ৰহ, সম্পাদনা আৰু সমীক্ষণত লাগি থকা লোকসকলৰ ত্যাগ, ধৈৰ্য্য আৰু চিন্তা-চৰ্চাই শব্দকোষ প্ৰণয়নৰ বাট সৰল। বিশেষকৈ, শ্ৰীঅতুল চন্দ্ৰ বৰুৱাই গুৱাহাটীৰপৰা অহা-যোৱা কৰি বহু কষ্ট স্বীকাৰ কৰিছে আৰু তেওঁৰ পৈণত অভিজ্ঞতা আৰু সুপৰামৰ্শেৰে পুথিখন যুক্ত কৰি উলিওৱাত বিশেষ অৰিহণা যোগাইছে। পৰিষদৰ সম্পাদক শ্ৰীজিতেন্দ্ৰৰ শইকীয়াই শব্দকোষখন ছপোৱা আৰু প্ৰকাশ কৰাৰ প্ৰচেষ্টাত আদিৰেপৰা আগভাগ লৈ আহিছে। শ্ৰীপ্ৰদীপৰাম বৰুৱাই তেওঁৰ চন্দ্ৰকান্ত অভিধানখন (২য় সংস্কৰণ) ব্যৱহাৰ কৰিবলৈ দি আমাক উপকৃত কৰিছে। প্ৰাপ্ত শব্দতালিকাবোৰ অভিধানত মিলাই

চালি-জাৰি চাওঁতে ভালেখিনি সময়ৰ প্ৰয়োজন হৈছে। তদুপৰি অঞ্চল বিশেষে শব্দৰ উচ্চাৰণৰ তাৰতম্য থকাত কিছুমান শব্দ আমি গ্ৰহণ কৰিব পৰা নাই।

ছপাশালৰ উপযোগী পাণ্ডুলিপি—সমীক্ষিত শব্দবোৰৰ পাণ্ডুলিপিৰ কেইটামান পৃষ্ঠা সম্পাদকে লিখি উলিওৱাৰ পাছত শ্ৰীশম্ভুৰাম ডেকাই কেইটামান পৃষ্ঠা লিখে। শেহত শ্ৰীবিজয় চন্দ্ৰ শৰ্মাই কম সময়ৰ ভিতৰত 'ধ' আখৰৰ শব্দবোৰৰপৰা বাকীখিনি সম্পূৰ্ণকৈ লিখি উলিয়াই আমাক উপকৃত কৰিছে। শব্দকোষখনত থূলমূলভাৱে, অতুৰা ঠাঁচ কিছুমানকলৈ ৩৬৫২ টা শব্দই ঠাই পাইছে। এশ এবুৰি অসুবিধাৰ মাজেদি যুগুত কৰি উলিওৱা এই শব্দকোষখনিত দৰং অঞ্চলৰ সকলো শব্দ সংগৃহীত হৈছে বুলি ক'ব নোৱাৰি। অতিশয় চিনাকি অনেক থলুৱা শব্দও হয়তো বাদ পৰিব পাৰে। বহু যত্ন কৰা সত্ত্বেও হেমকোষ (৫ম সংস্কৰণ) আৰু চন্দ্ৰকান্ত অভিধানত (২য় সংস্কৰণ) দুই এটা শব্দ আমাৰ সংগ্ৰহত সোমাব পাৰে। সদাশয় লোক-সকলে আমাৰ এই সকলো দোষ যেন মাৰ্জনা কৰে।

এই শব্দকোষ দৰঙী শব্দসংগ্ৰহৰ এটি ক্ষুদ্ৰ দিগ্‌দৰ্শন মাথোন। ভৱিষ্যতে যোগ্যজনৰ হাতত অধিক নিভুৰ্ল আৰু বিজ্ঞান-সন্মত দৰঙী শব্দকোষ সংকলিত হ'ব বুলি আমি আশা ৰাখিলোঁ।

যিসকলৰ অশেষ চেষ্টা আৰু সজ পৰামৰ্শৰ বলত শব্দ-কোষখন যুগুত আৰু প্ৰকাশ হৈ উঠিল সেইসকললৈ ধন্যবাদ আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

মঙ্গলদৈ — শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা

৫।৬।৮৮

# প্ৰকাশকৰ এষাৰ

হেমকোষ আৰু চন্দ্ৰকান্ত অভিধানত ইমানদিনে উপেক্ষিত আৰু অনাদৃত হৈ থকা এবং অজস্ৰ লোক-সমাজত ব্যাপকভাৱে ব্যৱহৃত শব্দবোৰ বুটলি আনি ক্ৰমকোষ আকাৰে প্ৰকাশ কৰাৰ আঁচনি তাহানিৰ মঙ্গলদৈ জিলা সাহিত্য পৰিষদে (বৰ্তমানৰ দৰং জিলা সাহিত্য সভাই) হাতত লৈছিল যোৱা ১৯৭৯ খৃঃৰ আদি ভাগত দলগাঁৱত অনুষ্ঠিত হোৱাৰ ৬ষ্ঠ বাৰ্ষিক অধিৱেশনতে। তাৰ কিছুদিন পিছতে মঙ্গলদৈত সূচনা হোৱা বিদেশী বহিষ্কাৰ আন্দোলনৰ উত্তাল তৰংগমালাত হাবুডুবু খাই মানুহে সাহিত্য তথা সৃষ্টি-কৰ্মৰ বাদুলি সঁচাৰ কাঠীলৈকে যেন ধৰি থকা টান হ'ল। তাৰ মাজতো ১৯৮১ খৃঃৰ মাৰ্চ মাহত কলাইগাঁৱত অনুষ্ঠিত ৮ম বাৰ্ষিক অধিৱেশনৰ প্ৰাক্‌মুহূৰ্তত শব্দকোষৰ সম্পাদক শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মাই প্ৰস্তাৱিত শব্দকোষৰ এটি খচৰা যুগুত কৰা বুলি জনায়। কলাইগাঁও অধিৱেশনে পূৰ্বৰ সম্পাদনা সমিতিৰ বাহাল ৰাখি আঁচনিৰ প্ৰথম উদ্যোক্তা, দৰং জিলা সাহিত্য সভাৰ নিদান কালৰ কাণ্ডাৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৺অতুল চন্দ্ৰ হাজৰিকাদেৱক ইয়াৰ উপদেষ্টা নিয়োগ কৰে। বহুবেগীয়া কামৰ অগ্ৰগতিৰ অভিজ্ঞানৰ মুখামুখি হৈ ১৯৮২ খৃঃৰ এপ্ৰিল মাহত খাৰুপেটীয়াত জিলা সাহিত্য সভাৰ ৯ম বাৰ্ষিক অধিৱেশন বহিল। এই অধিৱেশনে তেতিয়ালৈ যুগুত হোৱা শব্দকোষৰ খচৰাটো পৰ্য্যালোচনা কৰি ছপাশালৰ উপযোগী কৰি উলিওৱাৰ বাবে পূৰ্বৰ সম্পাদক শ্ৰী শৰ্মাৰ উপৰি শ্ৰীঅতুল চন্দ্ৰ বৰুৱাক উপদেষ্টা আৰু সভাপতি, ড° নবীন চন্দ্ৰ শৰ্মা, শ্ৰীজিতেন্দ্ৰ শইকীয়া আৰু শ্ৰীপূৰ্ণকান্ত ভাগৱতীক সদস্যৰূপে লৈ শব্দকোষ উপসমিতি এখন

গঠন কৰি দিয়ে। তাৰ পিছতে আকৌ আহিল ১৯৮৩ খৃঃৰ ৰক্তক্ষয়ী আন্দোলন আৰু বিভীষিকা। তৎসত্ত্বেও সভাপতি শ্ৰী বৰুৱা, সম্পাদক শ্ৰী শৰ্মা আৰু সম্পাদনা সমিতিৰ সদস্যসকলৰ উদ্যম আৰু প্ৰচেষ্টা অব্যাহত থাকিল। ১৯৮৬ খৃঃৰ এপ্ৰিল মাহৰপৰা শব্দকোষৰ সমীক্ষণ, সংযোজন আদিৰ কামত উপসমিতিৰ সদস্য-সকলৰ দুগুণ আন্তৰিক প্ৰচেষ্টা আৰু একাগ্ৰতা উৎসৰ্গীকৃত হয় যাৰ ফলত সদস্যসকল সঘনাই বিভিন্ন স্থানত মিলিত হবলৈ ধৰে আৰু ১৯৮৮ খৃঃৰ জুন মাহলৈ মুঠ চাৰিকুৰিয়ান বৈঠক অনুষ্ঠিত হয়। এই সময়ছোৱাত নতুনকৈ মনোনীত সদস্য শ্ৰীশশীধৰ নাথ, শ্ৰীশশীনাথ শৰ্মা আৰু আমন্ত্ৰিত মঃ আব্দুৰ ৰহমানৰ সহযোগিতা উল্লেখযোগ্য। যোৱা ৫।৬।৮৮ ইং তাৰিখৰ কাৰ্য্যনিৰ্ব্বাহক সভাই শব্দকোষৰ চূড়ান্ত পাণ্ডুলিপিত অনুমোদন জনাই ছপাশালত দিয়ে। সময়ৰ হিচাপত সুদীৰ্ঘ দহ বছৰকাল যদিও লাগি নিছিগাকৈ হোৱা বন্ধ, আন্দোলন আদিৰ দৰে জটিল পৰিস্থিতি আৰু যৌথ প্ৰচেষ্টা বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত আহি পৰা অসুবিধাবোৰে উলাই কৰিব-পৰা বিধৰ নহয়।

এই সন্দৰ্ভত আৰ্থিক সমস্যাৰ দেওবৰখনো কম অন্তৰায় হোৱা নাছিল; কাৰণ অহনিশে বাহিৰৰ দান-বৰঙণিৰ ওপৰত নিৰ্ভৰ-শীল সাহিত্য সভাৰ উক্ত পিতানত আৱশ্যক হোৱা ধনৰ যোগা ধৰা তেনেই উজু নাছিল। সভাৰ এই আপদকালত মঙ্গলদৈৰ অন্যতম উদ্যোগী ব্যৱসায়ী শ্ৰীমুকুন্দ চন্দ্ৰ ডেকাই শব্দকোষৰ প্ৰাৰম্ভিক পুঁজিলৈ তেওঁৰ অগ্ৰজ ৰাজু ৺কুলেন্দ্ৰ ডেকাৰ সোঁৱৰণত নগদ পাঁচ হাজাৰ টকা আৰ্থিক সাহায্য আগবঢ়ায়। এই দিশত অন্য এগৰাকী সাহিত্যসেৱী শ্ৰীবসন্ত কুমাৰ শৰ্মা, যিয়ে নিজৰ অনেক অসুবিধাৰ মাজতো বুজন পৰিমাণৰ আৰ্থিক সাহায্য আগ-বঢ়াই শব্দকোষখনি পোহৰলৈ অহাৰ বাট মোকোলাই দিছে।

আৰম্ভণিৰপৰা ছপাশালৰ আদি কামত চোৱালৈকে দীঘলীয়া পথ পৰিক্ৰমাত সম্পাদক শ্ৰী শৰ্মাই বহু কষ্ট আৰু ত্যাগ বৰণ কৰিছে। সভাপতি শ্ৰী বৰুৱাই গুৱাহাটীৰপৰা মঙলদৈলৈ অনেক অহা-যোৱা কৰি, শাৰীৰিক কষ্ট আৰু মানসিক পৰিশ্ৰম সহ্য কৰি এই কামত মনোনিৱেশ কৰাত শব্দকোষখন অংকুৰি ফলৱতী হোৱাত সহায়ক হ'ল। ইয়াৰ উপৰি শব্দকোষ প্ৰকাশৰ অৰ্থে বিশেষ আৰ্থিক ত্যাগ স্বীকাৰ কৰি উপকৃত কৰা বাবে পৃষ্ঠপোষক সৰ্বশ্ৰী নিখিলেশ চাহা আৰু যোগেন্দ্ৰ কুমাৰ সাহা উল্লেখযোগ্য। বিভিন্ন প্ৰকাৰে দিহা-পৰামৰ্শ দি সহায় কৰা জিলা সাহিত্য সভাৰ সভাপতি শ্ৰীভৱানন্দ বাজখোৱা, অন্যান্য দাতা আৰু সহযোগী বন্ধুসকললৈকো ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। দুৰ্গেশ্বৰ প্ৰিণ্টিং ৱৰ্কচৰ পৰিচালক শ্ৰীৰজনীকান্ত গোস্বামী আৰু কৰ্মচাৰীবৃন্দলৈ এইখিনিতে শলাগ লওঁ।

মঙলদৈ সাহিত্য ভৱন,
মঙলদৈ
তাং—৩০।৪।৮৯ ইং

শ্ৰীজিতেশ্বৰ শইকীয়া
সাধাৰণ সম্পাদক,
দৰং জিলা সাহিত্য সভা।

# শুভেচ্ছা

দৰঙী শব্দকোষ উপসমিতিৰ অক্লান্ত চেষ্টা আৰু পৰিশ্ৰমৰ ফলত অৱশেষত দৰঙী শব্দকোষখনি পোহৰলৈ আহিল। ইয়াৰ বাবে উপসমিতিৰ সভাপতি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট সমালোচক-সাহিত্যিক শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শব্দকোষৰ সম্পাদক নিষ্ঠাবান সাহিত্যিক শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা আৰু উপসমিতিৰ সদস্যসকল সদৌ দৰঙী ৰাইজৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতাৰ পাত্ৰ হৈছে। তেওঁলোক আটাইলৈ মোৰ হিয়াভৰা শলাগৰ শৰাই আগবঢ়ালোঁ। এখন পূৰ্ণাঙ্গ অসমীয়া অভিধান যুগুত কৰোঁতে 'দৰঙী শব্দকোষে' বিপুল বৰঙণি যোগাব পাৰে। শব্দকোষখনি প্ৰকাশৰ প্ৰয়োজনীয় ধন সংগ্ৰহৰ ক্ষেত্ৰত দৰং জিলা সাহিত্য সভাৰ সম্পাদক শ্ৰীভুবনেশ্বৰ শইকীয়া আৰু উপপঞ্জীয়ক শ্ৰীবসন্ত কুমাৰ শৰ্মাই ব্যক্তিগতভাৱে যথেষ্ট কষ্ট স্বীকাৰ কৰিছে—তেওঁলোক দুয়োগৰাকীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা যাচিলোঁ। ভৱিষ্যতলৈ আৰু অধিক শব্দৰ সমাৱেশ ঘটি উত্তৰ পুৰুষৰ হাতত দৰঙী শব্দকোষখনিৰ কলেৱৰ বৃদ্ধি হ'ব বুলি আশা কৰিলোঁ।

এতিয়া আহি আটায়ে 'দৰঙী শব্দকোষ'খনি আমাৰ হৃদয়ৰ মণিকোঠাত অভিষিক্ত কৰি লওঁ আহক।

কলেজ পথ
মঙলদৈ
১০/৫/৮৯

শ্ৰীভদ্ৰানন্দ বাজখোৱা
সভাপতি,
দৰং জিলা সাহিত্য সভা।



১৯৭৯ খৃঃ ৰ ১০ আগষ্ট তাৰিখে মটৰ দুৰ্ঘটনাত গোহাটীৰ ওচৰৰ মাহাদ নগৰৰ সাবিত্ৰী জীউ করুণভাৱে সস্ত্ৰীক মৃত্যু মুখত পৰে, মঙ্গলদৈৰ উদীয়মান ব্যৱসায়ী ৺কুলেন্দু ডেকা। এওঁ ভাগ-শালীৰ ব্যৱসায়ী শ্ৰীসুনন্দৰাম ডেকাৰ দ্বিতীয় পুত্ৰ। ৺ডেকাৰ সোঁৱৰণত আগবঢ়োৱা দান পৰৱৰ্তী খণ্ডকাৰৰ প্ৰকাশত ভালেখিনি সহায়ক হৈছে।



মঙ্গলদৈৰ এসময়ৰ উপ পঞ্জীয়ক শ্ৰীবসন্ত কুমাৰ শৰ্মা—যিগৰাকীৰ অকুণ্ঠ সহযোগ আৰু বুজন পৰিমাণৰ আৰ্থিক সাহায্য দৰঙী শব্দকোষৰ প্ৰকাশত বিস্তৰ সহায়ক হৈছে।

# দবঙী শব্দকোষ

## অ

**অঁ**—অব্য. হয়; (সন্মতি বুজোৱা মাত; পনাগা মাত)

**অইচ্-অইচ্ / ঐচ্ ঐচ্**—বি. আহ্ আহ্ (পাবক মজা মাত)

**অইবাথ, অবইথ**—বি. অবশ্য; হাবি

**অইহা-হিহা**—বি. অইনৰ পাত দা-ঙিৰ দি সাবিবলৈ কৰা চেষ্টা, যেনে—ইটোৱে বোলেই 'তই বা' সিটোৱে বোলেই 'তই বা', শেষত অইহা-হিহা কৰি কোনো নেগেল।

**অকণী**—বি. ওকণী; চুলিৰ মাজত থকা সৰু সৰু পোক

**অকাঠী**—বিণ. আওকাঠী; সমহ দিন নিচিকা (শহুত বাটে।) যেনে—অকাঠী কাঠৰ বা বেচিদিন নিচিকেই।

**অকাল**—বি. আওকাল; ভবিষ্যতে অনিষ্ট

**অকীৰাপকীৰা**—বিণ. চুকাপকা; সৰল বা শোকপৰিয়া নহয়; যেনে—বি কথা বুজুৱে পোৱে লৈ দি। অকীৰাপকীৰা কথা মই ভাল নাপাওঁ।

**অকেই পকেই**—ক্রি. বিণ. অকাই পকাই

**অখটি/আখেটি**—বি. আখটি; আও বটি; ফেউৰ; ম'হ-ভোৰালীয়ে কৰাব দবে কৰা আৰ্থনি বা ঠৈব

**অখণ্ড-প্ৰদীপ**—বি. অখণ্ডবৰ্তি; গো-সাঁইঘৰত সদায় জ্বলাই থোৱা চাকি

**অখৰা**—বি. পেটৰ চিত্ৰিত কৰা বৈ থকা মলি

**অগিই**—বিণ. অগিই; যেনে—কিবা অগিই দেখোতাই নেব কৰ্‌চি, জাপ-ৰুী দিবা সাবধু।

**অঙুলি / উঙুলি**—বি. ভখোন

**অঙুলিয়া / উঙুলিয়া**—না. ধা. খুদ-মেবে মৰণা ভাওনৰ কৰ্

**অঘোইতাভাব**—বিণ. (অঘৰ-তাভাব) চেৰ; বহুত; অপৰিমাণ, শেষ কৰিব নোৱাৰা

**অজৰজৰ**—বিণ. সোপনীয় আক পাপযুক্ত (কথা বা কাৰ্যত বাতে।)

**আগৰগৰিয়া/ওগোৰগোৰিয়া**—বিণ. ওখ-চাপৰ; সমান নহয়; (ঠাইত থাকে।)

**অগ্নিভিজনুক**—[illegible]; [illegible] ববিচ; এবিধ ডাঙৰ জনকীয়া

**অঘোৰমূৰ্ত্তি**—বিণ. অতি ভয়ানক; অঘোৰ; যেনে—কথা আমাৰ শুনি তাৰ অঘোৰমূৰ্ত্তি ধৰি উঠিল।

**অচল**—বি. অসুবিধা; যেনে—বাঁহ-ডাল বৰ অচলত আছেই, কেনেকৈ উলাম?

**অজয়খেতী, অজয়ক্ষেত্ৰী**—বিণ. বৰ দুষ্ট; অবুজন; যেনে—সি বৰ অজেয়খেতী ছলি।

**অজলে অথলে**—ক্রি. বিণ. অনাহকত; অবাবত, অনুপযুক্ত বিষয়ত, যেনে—বাপকম মাচিবাবী সি অজলে অথলে খেদালা।

**অজামিল**—বিণ. বৰ দুষ্ট (সাধাৰণতে ল'ৰা-ছোৱালীত থাকে।)

**অটাইকৃথান, অটাইমথা**—স. মা. সকলোবোৰ; যেনে—অটাইকৃথান মানুহ গৈছে। চিপাহী আহা বুলি শুনি অটাইমথা মানুহ দিহাদিহি গৈছে।

**অঠাঠ**—বিণ. বেয়া গঢ়ৰ; দেখিবলৈ বেয়া; ঠগ নথকা; যেনে—তাৰ মুখখান অঠাঠ।

**অ'ত খিয়া তত খিয়া**—সময় কটাবলৈ অবাবত খিয়াখিহি দি থকা কাৰ্য্য; যেনে—অ'ত খিয়া ত'ত খিয়া পথুলনো নহ'বে কিয়া? ([illegible])

**অথাকে, আথাকে**—ক্রি.বিণ. একেথাহে; যেনে—গৰুই ধান খাবা দেখি সি অথাকে বাপুকক মাতৃবা ধল্লা।

**অথেলি-পথেলি, অথেলিয়া-পথেলিয়া**—বিণ. অথালি-পথালি; যেনে—দুষ্ট লিকিবাটোক মাকে অথেলিয়া-পথেলিয়া কুব দিলা।

**অদ্‌কা, অধ্‌কা, অধিকা**—বিণ. অনাগতিয়াল; দৰ্কাৰ নোহোৱা; ওপৰঞ্চি; পৰিমাণতকৈ অলপ বেছি, যেনে—এইগিলা অদ্‌কা অজাল। লাগাখিনি ৰাখি অধিকাখিনি ইকালে দি।

**অদিবিত**—বিণ. অনাতকৈ বেছি; যেনে—কাজত পাৰীৰ অদিবিত হ'ল।

**অদাঁত, অদাঁতীয়া**—বিণ. উদাঁতীয়া, পিয়াহ খোৱা দাঁত নৰ খোৱাৰ পাছত দাঁত গজি নুঠা; (গৰু-ম'হত থাকে।) যেনে—অদাঁতীয়া বাজন।

**অধকা, অধিকা**—বিণ.=অদ্‌কা

**অধ্যাপক**—বি. জ্যোতিষ, পূজা-পাঠ আদিত পাৰ্গত দৈবজ্ঞ ব্ৰাহ্মণ

**অনাখৰী, অনাখৰকৰা**—বিণ. আখৰ চিনি নোপোৱা; লেখা-পঢ়া নজনা

অনেই বনেই—ক্রি. বিণ. বনাই-বনাই; ঘূৰিপকি

অপ্ৰৰ, অবৃৰৰ—বি. অপকাৰ; আৱনি

অপতি—বি. পৰিচৰ্য্যাৰ অভাৱ; অযত্ন; যেনে—বেৰাবীটো অপতিতে মৰিল।

অপথ—বি. অপথ্য; ৰোগীয়ে খোৱাৰ অনুপযোগী বস্তু

অপৰ—বিণ. অপাৰ; অসীম; যেনে—অপৰ আনন্দ

অপৰখেতি—বি. অপখেতি; নষ্ট-নাগতি; বৰ বেছি পৰিমাণে কৰা অপকাৰ; যেনে—ওচৰৰ মানুহে সিহঁতক অপৰখেতি কৰ্‌বা লাগছি।

অপ্‌ৰাজিত—বি. অপৰাজিতা; এবিধ লতা আৰু তাৰ ফুল

অপচুল—বিণ. অপচু[illegible]; পঙ্কিৰ নজনা

অব্‌চনকাৰা—বিণ. অবচনকাৰী; বচন নমনা; কিবা কাম পাচিলে কৰিবলৈ অমান্তি হোৱা; যেনে—মকাচিন কচেৰী, অব্‌চনকাৰা পো, মৰীৰ পানৰ [illegible] নাতিনতী পাই, এই চাৰিৰ সোমান হাৰাকলা নাই। (মকদম)

অবতৰ—বি. আৱতৰ; কোনো পদা উৎপন্ন হোৱা সময়, [illegible] সময়

২। অসময়; যেনে—অবতৰত [illegible] আহি পাইছি।

অবকৰি নিষ্ঠ—[illegible] সময়, [illegible] নহ; যেনে—[illegible] কৰিত সি মাৰালেই, [illegible] পিছু।

অৰ্কী—বিণ. আৰ্কী; আকৌৰলোৱা; [illegible]; পঠিয়ন নোবোৱা

অবুযহ—বি. অপৰয়; অনাৰ

অবুযহে তাৰ—ক্রিয়া অপৰাধ লোৱা; যেনে—কোনবাই বস্তু নিলে, অনুযহে তাৰ পৰিষ্ট দোষ ঢুকিব উপৰত।

অবাচ্চ—বিণ. অবাচ্য; অউচিত; নাম লোয়োৱা; অশ্লীল

অবাৰ—বি. আওবাৰ; অন্ত বাৰ

অমিহেই, অমেই—বিণ. আবিৰে; পাতি নোহোৱা; যেনে—অমিহেই কীৰা।

অমেৰীয়া—বিণ. আওৰীয়া; অসনৰীয়া [illegible]

অভাজ [illegible] জীবনৰ হানি ঘটিলে; [illegible] যেনে—মোৰ অভাল ভাগে গিৰে ঘৰখানৰ গৰাকী।

অত্ৰুশীয়া—বিণ. আত্ৰুশীয়া; জোৰ নথকা

অভেপীয়া—বিণ. অভাগা; অভা-গীয়া; দুৰ্ভগীয়া; যেনে—অভে-গীয়াৰ কপালত হাঁহে [illegible] নাই।

অতোৰ—বি. আতোৰ; জোৰৰ অভাৱ

অমইঞ্জাত—বিণ. অমৰ্য্যাদ' নিলাজ; নিধক

অমুক-তমুক-ঢমুক, অমুক-তমুক—নাম নধৰাকৈ বহুত বস্তু বা মানুহৰ বিষয়ে কৰা উল্লেখ; যেনে—অমুক-তমুক-ঢমুক বুলি এসোপা কলিয়ে হ'লনে ?

অমুৰি—বি. অশান্তি, যেনে—বাই-জৰ কথাত তাৰ গলাৰ অমুৰি।

অমূৰুখ—বিণ. মূৰ্খ, অজ্ঞান (সাধাৰণতে ঘিনৰ অৰ্থত।) যেনে—আমি অমূৰুখ মানুহ, একো নাজানো।

অৰইণ—বি. = অইবাণ

অৰং দৰং—বি. দূৰ-দূৰণি

অৰং দৰং ঘূৰি ফুৰ্, অৰং দৰং মাৰ—বহু দূৰ চাইলৈ যা

অৰং-ভেং-দৰং-ভেং—বহু ঘাঁতৰে ঘাঁতৰে

অ'ৰহণা, অ'ৰহাণা—বি. দক্ষিণা; কোনো ধৰ্মকাৰ্যৰ ফল পাবৰ আশা কৰি ব্ৰাহ্মণ-সজ্জনক দান দিয়া ধন

অৰহণ মাহ / ৰহণ মাহ—বি. পোলা মাহ

অলমাল—বিণ. ধনপৰাল

অসহ—বিণ. অবুজন; যি আনৰ বুজনি নামানে

অসহনুবেজি—বি. আনৰ বুজনি মানিব নোখোজা কাৰ্য্য যেনে—তাৰ অসহনুবেজিখান চাওঁ।

অসাঁঠনুৱা—বিণ. অসাঁঠন; কামত নিপুণতা নথকা

অঁহে কাচ্, অহঁে মাত—আহে মাত, গভ্য গোপন কৰ্

অসোধ / শুৱা নোহোৱা—বিণ. যেনিকৈ শুনোৱাৰ কাৰণে কোনেও কিনিব নোখোজা; কোনেও দৰদাম দিব নোখোজা; যেনে—আজি হাটত ভাদোল অসোধ।

অস্তে—ক্ৰি. বিণ. আস্তে; লাহে-লাহে

অহৰ-সোমৰ—টানে আপদে; যেনে—পুৱেণি ঘিউখিনি ভালকৈ থবি, অহৰ-সোমৰ লাগবু।

অহিনখোক—বি. অহিনকোণা, ৰৰ আওহতীয়া ঠাই; মানুহ-দুনুহ যাব নোৱাৰা থল

অহেতীয়া—বিণ. আওহতীয়া; সদায় ব্যৱহাৰ নোহোৱা; (ঠাইত খাটে।)

## আ

আঁ কঁজি মৰ্ত দেখ্—কথাৰ আৰম্ভণিতে সকলো বুজ

আইআমৰ নাম, আই নাম—শীতলা দেৱীৰ নাম

আইৰ ৰজৰ ভাই/এজেনৰ দেজেক-সৰত নথকা নিজিব (উপলুৱা-সূচক মাত) যেনে—আইৰ মাকৰ ভাই, দিজেৰ মাকৰ সতিনাকৰ

বিভিনাকৰ বাই (ককবা)

**আই ধৰ্ ধৰ্ বাই ধৰ্ ধৰ্, আই ধৰ্ বাই ধৰ্**—নিৰুপায় হৈ ব্যাকুলতা দেখুৱা; যেনে—আই ধৰ্ ধৰ্ বাই ধৰ্ ধৰ্। আগতকে মাইনহাক ধাবী হৱাৰ ইতাহে হ'ল ধৰ ।। ( ককবা )
২। আগৰপে ঠেং হাত মেলি বহি আছিল, ইতা বাবহিয়া আহা দেখি আই ধৰ্ ধৰ্ বাই ধৰ্ ধৰ্ লগেইছি ।

**আই ধৰতকে বাই ধৰ চাৰ**—প্ৰথম বিপদতকৈ পিছৰটো ডাঙৰ

**আইলং বাইলং কৰ্; আইলং বাইলং কুৰা**—অলীয়া বলীয়া কোৱা

**আঁগৈহা**—বি. আঁহীয়া, কেঁচা মাছৰ দৰে গোন্ধোৱা; কেচেৰা-কেচেৰ

**আউটি পা**—আঁত পা; উৰাদিহ পা

**আউটি-ভাউটি**—বি. হাত বা ভু-খেৰে দেখুৱা হাঁহি উঠা ভঙ্গি

**আউধি**—বি. হাই-উকলি;
যেনে—ছলিপলিৰ আউধি লাগুছি।

**আউৰীয়া**—বিণ. পাগল মৰমা; বল শিকাৰলৈ টান (গৰু-মহত থাটে।)
২। বলিয়াৰ দৰে কাম কৰা; যেনে—সি আউৰীয়া কুৰেইছি ।

**আউল ধৰ্**—আল ধৰ্; পৰিচৰ্য্যা কৰ্; শুশ্ৰুষা কৰ্; যেনে—মুঠাৰ আউল ধৰি থাকিলিয়ে মোৰ পেট ভৰ্ব নে ?

আউলগাচেমি, গাচেমি, গাজা-গাচেমি; জাচেমিগাচেমি—বি. আঁক-পেচাম; সৰু সৰু প্ৰয়োজনীয় কাম; শুশ্ৰুষা

**আউজিয়া বাউজিয়া কুৰা**—চেৰা-বলিয়াৰ দৰে কাম কৰ্

**আঁউহই, আঁহই**—বি. আঁউৰী; আঁউলী; যেনে—আঁহই পুণিবাই বাটৰ হাল । তাতে লাটেই সৰ্বত্তি কাল ।। ( ডাকবচন )

**আওট্**—অ. ধা. ভগোআই থাক্; ভৰৰি ভৰৰি থাক্

**আওচেমি**—বি. বৰষুণ দিবলৈ যেনে বিজুলী চেবেৰণিৰে আকাশ ছানি ক'লা কৰি পেলোৱা অৱস্থা; যেনে—পশ্চিমকালৰপে আওচেমি কৰি আনুছি, সোনকালে বৰষুণ হবো ।

**আকইহে/আকইহে**—ক্ৰি. বিণ. অকলে; তেনেহলে; যেনে—তুমি এনে তেনে কৰ্বা, আকইহে তেও বাধা হৈ তোমাৰ ওচৰ পলো আহি ।

**আকাট বিকাট**—বি. নাকত বেয়া গোন্ধ বা জিভাত বেয়া বস লাগিলে মুখ বিকটাই দিয়া কাৰ্য্য

**আকল**—বি. আবৰ্দ্ধ, বগা আঠা ওলোৱা এবিধ গছ

**আকলৰ ভন্**— অসাৰ্থক সময়ত খোৱা থাক্; যেনে—আকবান

উপিয়াই দি আকাশ অহু ।

**আকাশবিষ**— বি. অকমবিষ, গৰধৰক ভাল নথকা এবিধ বনৌষধি গছ

**আকোৱা ৰাৰ্**—আকোৱালি ধৰ্

**আখামুখা**—বি. উশামুখা, সত্বা শিচিন্তাকৈ কৰা নৰালবি

**আখাৰ**—বি. আখৰ

**আখৰা**—বি. আখৰা; ম'বা-ছোৱালী জন্মাৰ পাছত জন্ম সময় উলিয়াই লৈ ৰাশিচক্ৰ গণি কৰা সংক্ষেপ সৌৰবণী; যেনে—বাহিৰোৰা চাবাৰ কাৰণে আখাৰা-খান দি পঠেৰিচোন ।

**আখেই**—বি. আখৈ

**আখেড়ি**—বি.— [illegible]

**আগ আন্**—ভাত দিম চাই ওষ হৈ পকা শালিধানৰ শীহ কেইটামান কাটি ধৰলৈ আনু

**আগ খা**—মৃতকৰ শবাধৰ উপ-মকে পিয়াতী হিচাপে প্ৰথমতে জলপান বা ভোজ মুখত দি

**আগ-চাউল**—বি. বিয়াৰ পাছত দৰা-কইনাৰ মূৰৰ ওপৰেদি মাঙ্গলিক বিধান মতে ছটিয়া শালি চাউল

**আগ জালি**—আগতে জালি লৈ; যেনে—আগ জালি মই গাড়ীৰ মানুহক খোৱৰ দি যেহো ।

**আগত চুনি; আগতই চুনি**—বি. অল্প বহুৰ; যেনে—আগত চুনি কৰ-

লিকিৰাৰ বিয়া পাতুৱা কুকুটো ।

**আগবঢ়েৰীয়া, আঢেকীয়া**—বিণ. আগুৱাই; বহুৰৰ প্ৰথমতে উৎপন্ন হোৱা; যেনে—হাটত আগবঢ়েৰীয়া বিকা ওলেইছি ।

**আগ মাৰ্, আগোৰ্**—আগচ্; আগচি ধৰ্; আগ ভেট্; যাৰ গোৱাবাকৈ সন্মুখত থিয় হ; যেনে—মই যাই থাকোঁতে সি আগ মাৰি ধৰ্লা ।

**আগ্ বেহী থাৰ**—বি. বাৰণি সভাৰ-পৰা প্ৰথমতে সৰা চোকা থাৰ

**আগজ চৰণ**—বি. আগধন; কোনো লোকৰ মজুৰী বা কোনো বস্তুৰ মূল্যৰ অংশ হিচাবে আগতীয়াকৈ দিয়া ধন

**আগহেতীয়া**—বিণ. গৌহাতেবে কাম কৰাত অভ্যস্ত

**আগাগোৰা**—বি. আতিগুৰি; আদিৰ পৰা অন্তলৈ বিবৰণ; যেনে—ঘটনাটোৰ মই আগাগোৰা সকলো জানো ।

২। বিণ. একেটা খুপতে কেই-ডালমানৰ আগ থকাৰ পিনে আন কেইডালমানৰ গুৰি থকা; যেনে—বাঁহপিতাল আগাগোৰা হৈ আছেই ।

**আগিলা**—বিণ. আগেৰে হোৱা; পূৰ্বৰ; যেনে—আগিলা বছৰ খেতি ভাল হৈছিল ।

আঙুৰন—বি. আঙুৰান; ডিবোজা মানুহে বুকুৰ ভাগত মেৰিয়াই লোৱা দীঘল আৰু বহল কাপোৰ এবিধ

আগেতীয়া—বিণ. = আগৰতীয়া

আগোৰ্—স. ধা. = আগ মাৰ্
২। বখ্; চৰা; যেনে—লিকিৰা-টোই গৰু আগুৰ্‌বা পাৰা হৈছি।

আঘাণ—বি. আঘোণমাহ

আঘণু, আঘাণা—বি. আঘণা, আঘোণ মাহত জন্মা; স্ত্ৰী—আঘেণী, (মানুহত খাটে।)

আঙ্‌খোমুৰা—বিণ. কুৰূচ; কুৰূপ, আওগটীয়া (গালি)।
স্ত্ৰী—আঙখোমুৰী

আঙ্‌ঠা—বি. অঙঠা; আঙঠা; জুই থকা এঙাৰ

আঙ্‌ঠি—বি. আঙঠি; হাতৰ আঙু-লিত পিন্ধা এবিধ অলঙ্কাৰ

আঙাৰা—বি. এঙাৰ; জুয়ে পুৰি এৰা কাঠ বা বাঁহ আদিৰ ক'লা অংশ

আঙিয়া, আঙেনিয়া—সা.ধা. শীঘ্ৰ; লেহেৰি খোচল্; পথাৰত বৈ থোৱা পকা ধানৰ শীহ এটা এটা-কৈ গোটা

আঙেলি—বি. আঙলি; ধান, ভাবোল আৰু আন ভেলেৰিৰ লক ভটিৰ ঠোকৰ ঠেঙুলি
২। বি. লক আঙঠা; যেনে—লুবাঠৌত জুইৰ আঙেলি এটা আনি কোলোবডে জুইকুৰা ধৰু।

আঙেনিয়া = আঙিয়া

আঙুলা—সা. ধা. আঙুলিয়া; আঙু-লিৰে দেখুৱা

আচ্‌পোহ—বি. আচোপুচো; আৱৰ-সাৰ্থ

আচল, আচলপতি—বিণ. বৰ দুষ্ট; যেনে—ই এটা আচলপতি লি-কিৰা।

আচোৰাৰ, আচোৰাৰী—বিণ. চোকা; ডকৰীয়া; যেনে—বৌৱাটো সহজে ধৰা টান; সি বৰ আচো-ৰাৰ কাৰণেহে ধৰ্‌বা পাৰা।

আছ্‌বেণি—বি. আছাবেকণি; কাউি হৈ থকা বৰবুণৰ হিচকনি

আছাৰা—বি. আছুৱা, মাটি থোকা কৰি ছটিয়াই বা পিটি থোৱা ধানখেতি

আছাৰা-আছেৰি—বি. ধং আৰু বিৰক্তিত ক'ব বৰ ডঁলৈ দলিয়াই দিয়া কাৰ্য্য

আছাবাজাৰ—বি. খেৱালি কাম

আছ্‌মেই—বি. আচিনাই; আচি-নাই; চকুৰ পিৰিকতিত থোকা লক কৌহা

আজাজকাৰে আলাজ কুৰা— একো মজলাৰ ভাত জুমি লিজৰ উজেলা লিছি কথ্

আজাজা—বিণ. অজলা; একো

সজনা; হোজা; স্ত্ৰী—আজেলী আজি নে কালি আহ নে শালি,

**আজিৰ নে কালিৰ আহৰ নে শালিৰ**—অৱশ্যে হ'বলগীয়া, সদায় চলি থকা, যেনে—বাৰিষা বৰষুণ দেই, সি জানা কথা। সি আজিৰ নে কালিৰ আহৰ নে শালিৰ।

**আঁজুলি:**—বি. আঁজলি, অঞ্জলি, দুয়ো হাতৰ তলুৱা লগালগিকৈ ধৰি মেলি দিলে যেনে হয়

**আজেৰি**—বি. আজৰি, কামবন নথকা সময়, যেনে—তাৰ কাম বহুত, অলপো আজেৰি নাই। ২। বিণ. আজৰি থকা, যেনে—খখুৰি-পাচিবোৱাটো তাৰ আজেৰি পৰৰ কাম।

**আজুৰি সাৱেৰি**—বহু কষ্ট কৰি চপাই কোচাই লৈ, যেনে—সি বাপেকীয়া সম্পত্তিখিনিকে আজুৰি সাৱেৰি আনি খাই আছেই, নিজে একো ঘটুৱা পাৰা নাই।

**আটক-নাটক, আটোক নাটোক**—বি. অকুলনভাৱ; যেনে—বছৰ আটক-নাটক হলি কাজ চলাৱা টান।

**আঠজুৰা, আঠাজেতীয়া**—বিণ. আজতীয়া (যাঁচিত থাকে।)

**আঠুৱনী**—বি. একপ্ৰকাৰ বেজালি ৰয়

**আঠাশিঠাকে**—ক্রি. বিণ. কোনো-মতে তিতাকৈ, কোনোমতে পানিৰ পৰাকৈ; যেনে—গাখীৰ জলপান, জলপানখিনি আঠাশিঠাকে খালোঁ।

**আতানি, আতাণি**—বি. ল'বালৰি, যেনে—তাৰ ঘৰক যাবা আতানি লাগিছি।

**আত্ বিতকে, আদ্ বিতকে**—ক্রি. বিণ. আথেবেথে; আতোপুতো কৰি, দেখা মাত্ৰে আদৰ চেনেহৰ ভাৱ প্ৰকাশ কৰি, যেনে—সি আলেহীগিটাক আতুবিতকে বইভা দিলা।

**আঁতৰ, আঁতাৰ**—বি. আঁওচ, হাল বাওঁতে নাঙলেৰে আঁওচি দেৱাই লোৱা মাটিখণ্ড

**আঁতাৰৰ বাহিৰ তোৰলৰ ভিতৰ**—কিছু পৰিমাণে সম্পৰ্ক থকা সম্পূৰ্ণ সম্পৰ্ক নথকা

**আতিয়াজখোৱা, আতিয়াজ বছৰ**—বি. আক তেওজৰেলি, যোৱা বছৰৰ আগৰ বছৰ

**আথাকে**—ক্রি. বিণ. = অথাকে

**আথেৰ**—স. না. এওঁলোকৰ, এই ঘৰ মানুহৰ, যেনে—আথেৰ ঘৰত মানুহৰ মাজতো নুতনো দেখোন।
আথেৰ ঘৰত কৈঁথাৰ বাপ।
মহে বোলে ঐ বাপ॥
(মহহোঁপুনা গীত)

**আখেৰখান**—স. না. এওঁ; এখেত; (অধিক সন্মান দেখুৱা অৰ্থত খাটে।) যেনে—আখেৰখান বা কেতিয়া আইছি?

**আদ্কলহ**—বি. কলহতকৈ সৰু, লোটাতকৈ ডাঙৰ কলহ

**আদ্খখুৰি**—বি. মজলীয়া ধৰণৰ খৰাহি

**আদ্চৌপৰিসভা**—বি. গধূলি আৰম্ভ কৰি বিয়াহৰ ওজাৰ গীত মাতেৰে ৰাতি পুৱাবৰ সময়ত শেষ কৰা বাসুদেৱ পূজা। এইসভা আগবেলা আৰম্ভ কৰি গধূলিও শেষ কৰা হয়।

**আদকৰা**—বিণ. আদৰৰ; চেনেহ-পোৱা; যেনে—আদকৰা বাছা মোৰ কান্দি ভাত খায়। ডাঙ্গ খুন্দা ডাঙ্গ দেখি লৰৰি পলায়॥ (লোক-গীত।)

**আদি কৰি**—প্ৰভৃতি; ইত্যাদি

**আদিদেউ**—বি. নাৰায়ণ; বিষ্ণু

**আধতুৰা**—বি. আধটীয়া কাঠ; কাঠ বা বাঁহৰ সৰু টুকুৰা

**আধকৰা মাৰ্**—আনে আধকৰা কৰি এৰা কাম শেষ কৰ্; যেনে—মোৰ জীৱনটো লোকৰ আধকৰা মাৰোঁতেই গ'ল, নিজে একো কৰ্বা নহ'ল।

**আধাআজেনি**—বি. আধানাদি; অপচয়

**আধাকেচ্টীয়া**—বিণ. কেৰেচীয়া; দুষ্ট; নিলাজ

**আধাখল্লীয়া, আধাখেজ্পীয়া**—বিণ. আধা কৰা; সম্পূৰ্ণকৈ শেষ নোহোৱা; যেনে—সি কামটো শেষ নকৰি আধাখল্লীয়াকৈ এৰিলে।

**আধাখন্দা**—বি. পিঠাগুৰি খুন্দোতে চালনীত নসৰকা চাউলৰ টুকুৰা

**আধাখেচেৰা**—বিণ. আধাকেঁচেৰা; আধাকেঁচেল্‌ৱা; অপেণত; যেনে—পৰীক্ষাত বেয়া কৰি সি পঢ়িবা এৰ্‌লা। ইতো আধাখেচৰা হৈ থিতি-গুলি কৰি ফুৰেই।

**আধাবৰীয়া**—বি. ঢেঁকীৰে চাউল কাঢ়ি উঠি চালনীৰে চলাৰ পাছত ওলোৱা ধান মিহলি চাউল

**আধাবৰীয়া মাৰ্**—এবাৰ চাউল কঢ়াৰ পাছত ধান মিহলি হৈ থকাৰ কাৰণে আকৌ কাঢ়্

**আধাৰ খতিয়া**—আধাৰ বাত; পোৱালি বা আন চৰাইক খুঁতিয়াই আহাৰ খুৱা, (চৰাইত খাটে।) যেনে—কাউৰে আধাৰ খতিয়েইছি, আলেহী আহিছ্‌বু।

**আধামূলীকৈ, আধামূলীয়াকৈ**—ক্ৰি. বিণ. উপযুক্ত মূল্য নোলোৱাকৈ; যেনে—হাট ভাঙো ভাঙো হোৱা দেখি কলগিটা আধামূলীয়াকৈ দিবা লাগা হ'ল।

**আধিয়াৰ**—বি. আধি; উৎপন্ন শস্য আধা দিয়াৰ বন্দবস্ত

**আজাৰকেশ**—বি. কুঁহিয়াৰৰ পাতত হোৱা ক'লা বৰণৰ চাৰণিৰ নিচিনা ৰোগ

**আন্ধু**—বি. আলান্ধু; এলান্ধু; ঘৰৰ বেৰ, চাল আদিত লাগি থকা ধোঁৱা আৰু মলিৰ থুপ

**আন**—বি. আঙ; নাওৰ ভিলাৰে সৈতে খুঁৱলি বন্ধা এহাতমান জোখৰ জৰী

**আন্বয়**—বিণ. (আনয়-পুথি) সদৃশ; যেনে— সিকিবাটো একেবাৰে বাপেকৰ আন্বয় ।

**আনাহে-বানাহে**—ক্রি. বিণ. অথলে; কামত নহাকৈ; যেনে—সি বাপেকৰ সম্পত্তি আনাহে-বানাহে খেদালে ।

**আপদ চেঁচা**—আপদ সেঁচা; আপদ বাড়

**আপ**—বি. আবুৰ

**আপৰ গোপৰ কথা**— গোপনীয় কথা; প্ৰকাশ কৰিব নোৱাৰা কথা

**আপে গোপে**—গোপনে; কেৱে নজনাকৈ; যেনে—ঘটনাটো সিহঁতে বৰ আপে গোপে ৰাখিছে ।

**আপিতা, আপেতা**—বিণ. আপঁইতা, পুৰঠ নোহোৱা

**আপেদীয়া**—বিণ. আপদ অনা; আপদে এৰি নিদিয়া ; যেনে— আপেদীয়া যেনি যায় । চলে থিয়াই থোৱে খায় ।। (ফকৰা)

**আপেতা** – বিণ. = আপিতা

**আপেজি**—বি. আপালি; ঘৰত অৰ নবিয়া আদিৰ কাৰণে হোৱা বিপদ ; অজান

**আপোনপেটীয়া**—বি. আপোনপেটা; নিজৰ পেটলৈ বাথো চিন্তা কৰোঁতা; স্বাৰ্থপৰ

**আফল**—বি. আকাল; ঠেকেচা

**আফল-সিফল কৰ্**—খং বা বিৰক্তিত অ'ৰ বস্তু ত'ত ঠেকেচা মাৰি থ

**আবৰা, আবাৰা**—বি. একো নজনা মানুহ ; ২। বিণ. বুজিব নোৱাৰা; বুজাব নোৱাৰা (মানুহত খাটে ।) স্ত্ৰী-আবৰী, আবেৰী

**আবেইমথ, আবেইমথা**— বিণ. (আবৰী মথ) কোনো কথা বুজিব নোৱাৰা মানুহ; মুৰ্খ লোক; অবলা মানুহ

**আবেৰ বেং কৰ্**— পৰিকাৰকৈ ক'বলৈ অসমৰ্থ হ

**আমমেলি, আমবেজি**—বি. আমবলি; গছৰ পাতত বাহ সাজি থকা এবিধ ৰঙচুৱা বিষাক্ত পৰুৱা

**আম্‌হী, আমেহী**—বি. কেঁচা আম চকলিয়াই ৰ'দত শুকুৱাই ৰখা গুটি

**আমাগোমা**—বিণ. গোমাল; ভাৰ-বীয়া; যেনে—ৰঙৰটো আমাগোমাকে আছেই, বৰষুণ হব পাৰেই ।

**আমৰা**—বি. অমৰা; আমৰা; এবিধ টেঙা আৰু কেঁহা ফল আৰু তাৰ গছ

**আম্‌জা, আম্বাজা, আম্বোজা**—বিণ. টেঙা হ'বলৈ ধৰা; যেনে—চুৰাখিনি পলাৰাত ৰখা হৈছিল কাৰণে আম্বাজা হ'ল ।

আয়েই—বি. আৰৈ; পখি বা মিতা সম্বন্ধ থকা লোকৰ মাক

আমেতি—বি. অম্বুবাচী; আহাৰ মাহত সূৰ্য্যই আৰ্দ্ৰা নক্ষত্ৰৰ প্ৰথম চৰণ ভোগ কৰা আৰু পৃথিৱী ঋতুমতী হোৱা বুলি ধাৰণা কৰা সময়

আমেনি—বি. আমনি; একেটা কাম ঘনে ঘনে বা বহু সময় ধৰি কৰাৰ বিৰক্তি

আয়-অলঙ্কাৰ—বি. আ-অলঙ্কাৰ; গহনা

আয়াম—বি. আয়ম, বৰলোকে কৰাৰ দৰে কৰা ব্যৱহাৰ, যেনে—ভাৰ বাজাৰ আয়াম।

আৰ্ কিয়া—বিণ. সহজে ধৰা নিদিয়া, ( গৰু ম'হত খাটে। ) যেনে—আৰ্ কিয়া মইহক ধন শিখাৱা টান।

আৰ্ বছৰ—বি. যোৱা বছৰ

আবা, আবাকলি— বি. থকুৱা কানৰ অয়াল

আৰিয়া—বি. কণীগুটি বাহিৰ কৰি নেপেলোৱা (ম'হত খাটে ।)

আৰিয়া ধৰ্—বুজিবলৈ কেঁপেৰি পিচ্ (গৰু ম'হত খাটে ।)

আৰেইআৰেৰীয়া—বিণ. চুটি অথচ চোকা (মন্ত্ৰত খাটে ।) ২। পইচৈ নোকোৱা (কথাত খাটে ।)

আল—বি. কাঠৰ জোৰা মিলাবলৈ দিয়া অতিৰিক্ত কাঠৰ টুকুৰা

আলগীয়া হ/ কাষেৰীয়া হ/ চুকা হ/ নৰা হ/ মাৰ্ বা নৰা হ—মাজে-কীয়া ঋতু পা

আল্গে আল্গে—ক্রি. বিণ. ক'ভো নোছোৱাকৈ; স্পৰ্শ নকৰাকৈ; যেনে—আল্গে আল্গে থাই আলেই থৰা কলপিটা আন্ ।

আলঙ্, আলাম-- বি. গামোচা আদিৰ মূৰত বচা ভাওৰ ফুলৰ কামৰ নক্স লতা ফুল

আলজ্—অ. ধা. ঝাঁউৰ; পিঠিৰ ভৰ দি বহ্ বা থিয় হ

আল্হা, আলাহ—বি. বিহ্চিনা; দু.পা; যেনে—সি ভবি দি যেৱা টাই খচি কুচ্ছি, আল্হাও মাল্পেই নে ?'

আল্তাবুলীয়া—বিণ. আল্তাৰ দৰে ৰঙৰ; গাখীৰ কমকৈ দিয়াৰ কাৰণে ৰঙচুৱা হৈ থকা ; (চাহপানীত খাটে ।)

আলাপ—বিণ. আলগ; লগ নলগা; পৃথক; বেলেগ; সম্বন্ধ নথকা; যেনে—আলাপ মাজৰ বাটেদি যব ।
আহোঁতে লাঠি যাওঁতে চৰ ॥
( ফকৰা ) ।
যেৱা কাম কৰাৰ কাৰণে বেলেগ তাক আলাপ কৰি থৈছি ।

আলাপ নিলাপ্ কৰ্, আলাপ বিলাপ কৰ্—মুখলৈ অহিছা কৰ্

আলাহ আলাহ—বিণ. আলাই-আৰানি; নিবাৰত; খাবলৈ থাকি-লৈ ঠাই নথকা

**আলাচাউল, আলোৱা চাউল**—বি. আৰৈ চাউল; সিসিজিয়াকৈ ৰ'দত শুকাই বনা ধানৰ চাউল

**আলাম**—বি. = আলং

**আলামালা**—বিণ. এলাপেচা; সামান্য যেই সেই

**আলি-সিয়েনি**—বি. দুডোখৰ কাপোৰৰ মূৰ লগলগাই আলিৰ দৰে কৰি দিয়া সিয়নি

**আলিবোন, আলি**—বি. পথাৰৰ আলি আৰু পানী থকা ঠাইত গজা কটাৰীৰ দৰে ধাৰাল পাতৰ এবিধ বন

**আলেইজাবেৰী**— বিণ. এলাই-জাবৰী; গা-মূৰ নোধোৱা জাধলী (তিৰোতা মানুহত খাটে।)

**আলৈ-বিলৈ**—বি. আলৈ-বিলৈ, দুখকষ্ট; জীয়াতু

**আলেনি**—বি. অপচয়; অৱহেলাৰ কাৰণে হোৱা ক্ষতি; অৱহেলাত হোৱা আলৈ আহকাল; যেনে—ৰাঙ মৰাত কেঁচুৱাটোৰ আলেনি হ'ল।

**আৱাঁ**—বি. এৱাঁ; মূৰ বিষোৱা, নাকত বেদনা হোৱা এবিধ ৰোগ
২। দৈ নলগা গাখীৰ
৩। বিণ. ভালকৈ পাগ নলগা; যেনে—ইটাগিলা আঁৱা হৈ আছেই।

**আৱাঁ পিঠাগুৰি**—নভজা পিঠাগুৰি

**আস্তিক**—বিণ. হিতৈষী; উপকাৰ চিন্তা কৰোঁতা; যেনে—ইয়াত মোৰ একঘৰ আস্তিক মানুহ আছেই।

**আহাছেদী**— বিণ. (আশাছেদী), আশাভঙ্গকাৰিণী (তিৰোতা মানুহক তিৰস্কাৰ কৰাত খাটে।)

**আহিন মাহিন, আহেন মাহেনি, আহেনি মাহেনি**—বি. অহা-যোৱা; যেনে—এইপিনি আহেন মাহেনি নকৰ্‌বি।

**আহুগালি**—বি. নাম নধৰাকৈ উধে-মুধে পৰা অভইচ গালি

**আহুজ**—বি. অশৌচ; বংশৰ ল'ৰা ছোৱালী জন্মা বা বংশৰ মানুহৰ মৰণৰ কাৰণে নিৰ্দিষ্ট কেইদিনমানৰ বাবে হোৱা অশুচি অৱস্থা

**আহুজীয়া**—বিণ. অশৌচীয়া; অশৌচ পালন কৰি থকা; অশৌচৰ সময়ৰ ভিতৰৰ; ২। জন্মৰ কেই-দিনমানৰ ভিতৰৰ কুমলীয়া অৱস্থাত থকা (কেঁচুৱাত খাটে।)

**আহুমন্ত্ৰ**—বি. চেলাৰ কামোৰৰ বিষ-ভৰা অভইচ নামৰ এবিধ মন্ত্ৰ

**আহেই চুমি** = আগত চুনি

**আহেন মাহেন, আহেনি মাহেনি** = আহিন মাহিন

**আহোঁৱা**—বিণ. কচি নলগা; যেনে—হেকেটিয়া মাহ চোৰেনি মাহোঁৱা আহোঁৱা লাগেই।
২। মইৰভীয়া; যেনে—ই এনে আহোঁৱা মিকিৰা, কোনো কথাইবি ইয়াক সন্তুষ্ট কৰ্‌বা নৰি।

# ই

**ই সি, ইহি তিহি**—ইটো সিটো; যেনে—বহি থাকোতকে ই সি কিবা এটা কৰ্ ।

**ইকিৰা**—বি. ইকৰা; খাগৰিৰ দৰে এবিধ বন ; ২। এবিধ বগা চাউ-লৰ আহুধান

**ইখোৱা, ইচুনি/এই খোৱা, এই চুনি** বি. এইবেলি; এই বছৰ

**ইচ্ছাই**—অব্য. অনুপাতে, অনুসৰি ; যেনে —কল ইচ্ছাই পুলি । মাক ইচ্ছাই ছলি ॥ ২। খাৱা ইচ্ছাই বৰ ধানৰ চিৰা ।

**ইতা, ইত্তা**—স. না.—এতিয়া

**ইতেই, ইন্তেই, ইন্তেইখানে**—স. না.—এতিয়াই, এইমাত্ৰ

**ইদাই-সিদাই**—ইবিধ-সিবিধ; যেনে—মই ইদাই-সিদাই বৰ্ব গোটেই আনো ।

**ইনাখানে**—স. না. ইদিনাখন, অমুক দিনা, যেনে—ইনাখানে মেলত কোনবা এটাই তাৰ কথা যেৱাকে কৈছিল ।

**ইহ্ ইহ আহ্ আহ্**—বেজাৰ ভাব প্ৰকাশ কৰা শব্দ

**ই হোপা, এইহোপা**—বিণ. এইবোৰ ( তুলনাৰ্থত )

# উ

**উঁহুঁকিৰা**—বি. উঁহুটনা; উঁহুৱা-কলু; উঁহুৱে জোলা খাটিৰ দৰে

**উকলি আহ্**—বনি আহিব ধৰ্

**উকলি পেলা, উকেলি পেলা**—লোকত গোপন কথা বাহিৰ কৰ্

**উখুনি**—বি. = অখুনি

**উখুনিয়া**—না. ধা. = অখুনিয়া

**উগুনা, উগুনা-ভুহুৰা, উগুৰা, উগুৰা ভুহুৰা, ভুহুৰা**—বি. মচিয়া বা চোতালত বতাহত উৰি আহি বা কাৰ কৰোঁতে গোট খোৱা লেল-লীয়া বস্তু; যেনে—উগুনা ভুহুৰা পিলা সাৰি পেলউ, চোতালখান চাকা হক ।

**উগা-দুবেলি**—বি. উগা দুবাৰ দৰে ঘূৰি ঘূৰি নচা এক প্ৰকাৰ নাচ

**উগা**—না. ধা. উৰাত সূতা মেৰা ; যেমে—সূতা উৰাবাই পাৰা নাই, কাপোৰ লগাৰ কেতিয়া কৰ্মুবেছে জানেই ।

**উচল**—বি. উচাল, ওপৰলৈ হঠাতে দিয়া বল

**উচাটচাট**—বি. বং; আক বিবজিযে কৰা নবালবি ; যেমে—কিলো মনুহিৰ উচাটচাট । নুণ তেল গানুৰা নাচাৰৈ বাট ॥ ( ফকৰা )

**উচুটা, উচুটিয়া**—স. ধা. উচাটনি দি; কথাৰে যেয়া কাৰলৈ ইচ্ছা জগাই দি

**উৰাট, উৰাট**—বি. উৰুটি; ধোৰ কাটোঁতে কিহবাত লাগি ভৰিৰ

আঙুলিত পোৱা আঘাত

**উচুৱা-উচুমি**—বিণ. ওখ-চাপৰ; অ-সমান ; যেনে—মইচোৰৰ বব উচুৱা-উচুমি হৈ আছেই, চাঁচি সোমান কৰ্ ।

**উঠ-কিল বহ-কিল**—ডাঙৰ কিল ; যেনে—চোৰৰ পিঠিত উঠ-কিল বহ-কিল পৰিল ।

**উঠাউঠি**—বি. ইটোৱে সিটোৱে বিদায় মগাৰ অনুৰোধ ; যেনে—পিছে হতা উঠাউঠি কৰোঁ ।

**উঠা উঠি হ**—তৰ্কা তৰ্কিৰ চূড়ান্ত অৱস্থা পা ; যেনে—কথা কওঁতে শেহত সিহঁতৰ উঠাউঠি হ'ল ।

**উড়ন**—বি. উড়ন; পিছফালে অ-ধিক ভৰ হোৱাৰ কাৰণে আগ-ফালে দাং খাই যোৱা কাৰ্য্য; (গৰুগাড়ী আদিত খাটে ।)

**উতযোল**—বি. অধীৰ; অধৈৰ্য্য

**উতীয়া**—বিণ. ওভ থকা ; এলেহুৱা

**উতীয়া-চুটীয়া**—বিণ. এলেহুৱা ; যেনে—উতীয়া চুটীয়া গোৰাং পৰীয়া ।

**উদ্ গোৰোৰিকে, উদ্ ভিতৌৰিকে**—ক্রি. বিণ. বহু পৰিমাণে ; যেনে—সি বিয়াঘৰীয়াত উদ্ গোৰোৰিকে খাই ৰবত আহি বাতিয়াল ।

**উদ্ দৰং**—বি. উপদ্রৱ ; যেনে—উদেঙীয়া গৰুৱে উদ্ দৰঙত খাঁটীৰ গৰুগাছ বাখা টান ।

**উদং মুদং, উদ্রি মুদ্রি**—বিণ. আবৰণ নথকা ; যেনে—বাহিৰত হুমি ভনি সি উদং মুদং হৈ লৰ মাৰা ।

**উধন**—বি. উধান; চৰু ধৰি ৰাখিবৰ বাবে সাজি লোৱা মাটিৰ তিনিটা খুটি

**উপজ্**—অ. ধা. ওপজ্; জন্ম গ্রহণ কৰ্

**উপৰচখুৱা**—বিণ. যাৰ দেখা পাৰ-লগীয়া বস্তবোৰ সাধাৰণতে চকুত নপৰে

**উপ্‌চেনি, উপৰচেনি, উপ্‌ৰেনি**—বিণ. ওপচমুৰীয়া ; যেনে—ধান উহাওঁতে চৌটোত উপৰেনিকে ধান দিয়াত ধানগিলা পৰি গ'ল ।

**উপৰৱালা**—বি. ওপৰৱালা; উপ-বিষ্বজন; অধিকাৰ থকা লোক

**উপকৰাই পা**—ভূত-প্রেতৰ ছিদিৰ লাগ্

**উপুৰাউপুৰি**—বি. ওপৰাওপৰি; এ-টাৰ ওপৰত আনটো হোৱা অৱস্থা

**উপেঙি তল্‌কা দাড়ি হ**—বয়সত কৰ হৈ মইৰতালি দেখুৱা

**উকৰ্**—অ. ধা. ওকৰ্ ; ছিচিকি পৰ্

**উকুৰা ঘা/চিটকা ঘা**—ওকৰা পিক-লা; ল'ৰা-ছোৱালীৰ গাত ধ'ত ভ'ত হোৱা ঘা

**উবাহ**—বি. কেঁচা খাঁহৰ ওপৰৰ থকা সেঁউজীয়া অংশ ; ঋ মৰৰ

কাষত বা ভৰিৰ পেৰোৱাত পাত-নকৈ এৰি খোৱা ছালৰ খাঁহ

উভট কন্দেজি, উভাট কন্দেজি,

উভাট ভাট—বিণ. অবাচ্য; অশ্লীল; শুনিলে লাজ লগা (কথা বা মাতত খাটে ।)

উভাব্ ভাব—বিণ. ছেদেলিভেদেলি; যেনে—গৰুই শাকতলীখান উভাব-ভাব মাৰিলা ।

উমাগাবতে—ক্রি. বিণ. আন্দাজতে; সঠিককৈ নজনাকৈ ; যেনে—সি উমাগাবতে কৈছি, আচলতে একো নাজানেই ।

উমাহতে—ক্রি. বিণ. উটেনিজে; দুই বা তাতকৈ অধিকজনৰ ভগী-য়াকৈ

উমেই উমেই—ক্রি. বিণ. উমি উমি

উৰ্ কা—বি. উল্কা; খিৰ্বৰ আগৰ দিন

উৰণ হ—পুষ্পিতা হ; প্রথমবাৰ ঋতু-মতী হ

উৰণটকীয়া, উৰণটেকা, উৰণটেকীয়া—বিণ. উৰিৰ পৰা খোৱা (চৰা-ইৰ পোৱালিত খাটে ।)

উৰমল, উৰমাল, উৰমৰ—বি. ৰু-মাল; মুখ-হাত মচা সৰু কাপোৰ

উৰ্ হ্—অ. ধা. উলহ্, ৰবৰ চাকে-দি সৰকি ৰবুণৰ পানী পৰ্

উৰহেনি—বি. উলহনি, ৰবৰ চালৰ খাৰেদি সৰকা পানী

উল্ ট্—অ. ধা. ওলট্; ফিৰ্; ঘূৰি আহ্ ২। লুটি খা

উল্ টা—বিণ. ওলোটা; বিপৰীত ২। স. ধা. লুটিয়া; তলৰ কাল ওপৰ কৰ; ২। ভাঙৰ কাম কৰ্ (ব্যঙ্গ অৰ্থত)

উল্ টা-উলটি—বিণ. ওলটা-উলটি, ওলট-পালট ; যেনে—উলুটা-উলটি কথা মোৰ ভাল নালাগেই ।

উল্ টা-পাল্ টা, উলাট্-পালাট্—বিণ. তলওপৰ

উল্ মুজেই দি—পাতনি মেল; আলো-চনা কৰাৰ তংসূত্র উলিয়াই দি

উলাট্-পালাট্ = উলুটা-পালুটা

উলুংপোতজিয়া—বিণ. উলুংপাতলা; চঞ্চল; অনপোৰোৱা

উৱাবাৰা, উৱাবাৰ্তা—বি. উৱা-বাতৰি

উৱাহ—বি. উশাহ

উৱাহনিয়াহ, উৱাশিয়া—বি. উশা-হনিশাহ

উৱাহ মুটি, উহামুটি—বিণ. অতাল চতালিৰ মোতাৰা ; অকপালুৱা (মানুহত খাটে ।)

উহ্-উহেনি, উহ্ মুহেনি—বি. অৰ-মত নিশাহ বন্ধ হোৱাৰ দৰে উশা অৱস্থা; গৰমত উহমুহনি লগা অৱস্থা ; যেনে—মন উহুউহেনি লাগিছে, বতাহ হলো ।

উহা—বি. উশাহ; ২। বিণ. উনুৱা;

যেনে—উহা চাউল। ৩। স. ধা. উধা, পানীত সিজা।

**উহাতকে আলোৰাৰ মতমতি বেছি**—অধিকাৰ থকা জনতকৈ আনৰ বৰ কথা।

**উহাৰাৰ মাৰ নি**—উশাহ ল'ব নোৱাৰা কৰ্; যেনে—নেকনেকীয়া ধানৰ ভাৰখানে তাৰ উহাৰাৰ মাৰ নিছি।

**উহ্যাচুটি**—বিণ. = উৱাহচুটি

**উহানিহা**—বি. = উৱাহনিযাহ

**উহোনি**—বি. ৰ্হধুহীয়া গৰম যেনে—আজি বৰ উহেনি ধৰ্ছি।

## এ

**এইখোৱা, এইচুনি** = ইচুনি

**এইছা**—বিণ. এনেকুৱা; অতিশয়; যেনে—আগ্ৰাখানৰ এইছা ক্ষতি হৈছি, কৰা লাগা নাই।

**এইছা বেইছা**—বি. ভগৰ ধুপৰ কথা; যেনে—মানহটো বৰ ছিধা, এইছা বেইছা একো নাজানেই।

**এইছা সেইছা**—বিণ. ইটো সিটো; সি এইছা সেইছা বহুত বগালা, মোৰ কিন্তু বিশ্বাস হৱা নাই।

**এই ভাৱে**—ক্ৰি. বিণ. এনেকৈ; এই ধৰণে

**এইহোপা**—বিণ. = ইহোপা

**এওঁৰা**—স. মা. এওঁ = এওঁলোক; (ব্যঙ্গাৰ্থত)

**এক্‌কঠীয়া**—বিণ. এজন মানুহে ভাত সিজাই খাব পৰা (সৰু চৌত খাটে।)

**একণুৱা**—বিণ. একণীয়া, বিযুৰীয়া, মোৰৰ এটা নথকা; যেনে—এক-ণুৱা পাৰোৱা।

**এক কথাৰ**—বিণ. এককথীয়া; কথা নেৰা; কথাই কামে এক, অঙ্গীকাৰ নেৰা।

**একৰ কাঁই বোটাল্, এ কৈয়া বোটাল্** কন কনকৈ গোটাই বহু জমা কৰ্ (মঙ্গলদৈ অঞ্চলত গৰ-খীয়া ল'ৰাই খলি বা খোলেই-গুটি খেলোঁতে পেলৰ নিয়ম অনু-সৰি কোনোজনে পটুতাৰে এটা এটা গুটি বুটনি জমা কৰাকে একৰ কাই বোটিলা বোলে।)

**এককাচি চাৰ, এককাঠী চাৰ**—একাঠী চৰা, একোৰ বেছি

**এককাতীয়া**—বিণ. একতীয়া; হেল-নীয়া; এচলীয়া

**এককাখেৰীয়া, এককাষেৰীয়া**—বিণ. এপাতিত থকা, যেনে—ভাখে-ৰীত ভহাখানখিনি এককাষেৰীয়া কৰি থৈছো।

**এককুৰীয়া**—বিণ. উৎসাহী; কোনো কাম কৰিবলৈ আগবাঢ়ি যোৱা; বিপদ বিৰিনিলৈ ভয় নকৰি কাম কৰিবলৈ আগবাঢ়ি যোৱা

**এককুঁহীয়া**—বি. একোঁহীয়া; এটা কোঁহ বা অণ্ড সৰু হৈ যোৱা ৰোগ

**একঘৰীয়া, এঘৰীয়া**—বিণ. সমাজে এৰি থোৱা

**একখেৱা**—বিণ. অখেৱা; এখেৱা; মূৰৰ এপাতি কটাৰ কাৰণে ভোং হৈ থকা.
২। বি. ভেলে হল; যেনে—পানীৰ ওপৰ একখেৱা এভালে বিছা কাৰণে সি চৌৰাজী হৈ আছে।
৩। বিণ. ৰস নথকা; গতানুগতিক, আমনি লগা; যেনে—বক্তাজনৰ কথাবিলা একখেৱা ধৰণৰ, শুনি ভাল নালাগে।

**একচাত্**—বিণ. সকলোৱে মিলি একমতৰ হোৱা, যেনে—এই কামটোৰ কাৰণে গোটাইক্‌খান একচাত্ হৈ গৈছিল।

**একচেলীয়া**—বিণ. এচলীয়া; এখন চালৰ (ঘৰত খাটে।)

**একচিট্‌কা, একচিট্‌কামান**—বিণ. এচিকটা, অকণমান, অলপমান

**একজুনি**—বি. এটা বস্তৰ; এটা বস্তুৰ

**একচেঁহীয়া**—বিণ. এচেঁহীয়া; আগে গুৰি সমানে নথকা (বাঁহ বা কাঠত খাটে।)

**একধাৰাৰ পৰ**—এবাৰ মন্ত্ৰ মাতি ভাবোঁতে যিমান সময় লাগে; কম সময়

**একডেৰীয়া**—বিণ. কেৱল এভাল থকা; যেনে— একডেৰীয়া অমোলৰ সাথো।

**একচেলীয়া**—বিণ. এচলীয়া; একাষলৈ চাপৰ

**একঢেৰীয়া**—বিণ. একালে অধিক ওজন থকা; যেনে—একঢেৰীয়া ভাৰ কঢ়োৱা টান।

**একদেঁতীয়া**—বিণ. এদঁতীয়া; এটা দাঁত থকা, যেনে—একদেঁতীয়া হাথী।

**এক ধমক**—এখন্তেক; অলপ সময়; কিছু পৰ; যেনে—ইয়াত এক ধমক জিৰাওঁ। ২। এটা চেৰা; যেনে—মযো এক ধমক লাগি চাওঁ।

**একনিচেখীয়া**—বিণ. একাষৰীয়া; একলীয়া; একালে থোৱা

**একপৰীয়া ৰং**—আগৰেলা আৰম্ভ কৰি শুকনান্নী ওজাৰ গীত মাতেৰে পধুলি শেষ কৰা মনসা পূজা

**একপৰীয়া সভা**—আগৰেলা আৰম্ভ কৰি বিয়াহৰ ওজাপালিৰ গীতমাতেৰে পধুলি সামৰণি মৰা বাসুদেৱ পূজা

**একপছীয়া, একপিঠীয়া**— বিণ. এপিঠীয়া, আন কাম শেষ কৰি এটাত মনোযোগী হোৱা; যেনে—সি অইন সকলো এৰি একপিঠীয়া হৈ পঢ়াত লাগিছে।

**এককেণীয়া**—বিণ. একলীয়া; একালে থকা বা থোৱা; ২। এটা কাণ থকা; যেনে—এককেণীয়া চাউল।

একমবা দি—আধাবধা হ; দুৰ্বল হ; যেনে—পাছৰ পুলিটো এক মবা দি কোনোমতে জী উঠ্‌ছি।

একালকণ্ডীয়া—বিন. কাবো লগত মিলিব নোখোজা; যেনে—একাল-কণ্ডীয়া লোকক কোনোই ভাল নাপাবৈ।

একে একে—ক্রি. বি. বিতংভাবে, যেনে—মই তাক একে একে সক-লো কলোঁ, তথাপি সি ভুল ক'লা।

একে থাকে যাবা—অহনি বেমাব হৈ মবা; স্ত্রী—একে থাকে যাইতী (গালি)

একেলা—বিণ. অকলশবীয়া, লগ নথকা, যেনে—সি একেলা মানুহ।

একোন্তে, একোন্থে, এতোকোন্তে, এতোকোন্তে—অব্য. এনে হ'লে, এনেকুৱা কবিলে, যেনে—তাক মাতি আন্‌, একোন্তে চব চিজিল হবো।

একোপদে, একেপধো, একোপোনে, একোপোন্নে—কোনো বকমে; কোনো পধো;' বহু চেষ্টা কৰিও; যেনে—একোপোনে জোবা নাল্‌গেই।

একমুৰীয়া—বিণ. একলীয়া; এচু-কীয়া; যেনে—গাওঁতে সি একমুৰীয়া হৈ থাকক।

একমুচীয়া—বিণ. একানে এটা মুৰে মেবাই ধবা; যেনে— কাপোৰ-খান বাটা দেখি ভেনেই এক-মুচীয়াকে উবৃছ্।

এখেন-পেখেন—বি. খোৱা-খোৱাত নানা ওজব; যেনে—ইয়াখি 'ইটো নাখাওঁ, সিটো খাওঁ' এখেন-পেখেনখান সহ্য কৰাই টান।

এগেনা—বিণ. সম্বন্ধীয়; লগা-ভগা (ব্যঙ্গ অৰ্থত)

এংকে, এন্‌কে—ক্রি. বিণ. এনেকৈ, এই ধবণে

এট্‌টিমান, এটুমান, এট্‌টুমেনি, এতোষ্টিমান— বিণ. ইমান; এই পবিমাণৰ, (হাতেৰে দেখুৱাই দিয়া কম পবিমাণত খাটে।)

এটাই পা বৈ যাক শটাই পা বৈ তাক—একেলগে বহু বিপদে লুবি দি ধবে

এড্‌খিনিমান—বিণ. এই জোখৰ, (হাতেৰে দেখুৱাই দিয়া কম জোখত খাটে।)

এতোকোন্তে, এতোকোন্তে— ক্রি. বিণ. = একোন্তে

এতোষ্টিমান— বিণ. = এট্‌টিমান,

এন্‌কে—ক্রি. বিণ. = এংকে

এপেৰ্‌টিটকা, এপেৰ্‌মান, এপেৰ্‌-মানি, এপেৰমেনি—বিণ. একেবি-মান, অলপ, কম পৰিমাণৰ

এমান—স. না. ইমান, এই পৰি-মাণৰ

এবা-ওকোলা—বি. খাই এৰা বস্তু, যেনে—লিকিবাটোই আৰু তাব এবা-ওকোলা খায়ে ডাঙৰ হ'ল।

এবাণ—বি. এৰণ; যেনে—কামৰ-পেৰে এবাণ পালিবে সি কাবো।

বিধিৰ লেখন এৰাব নাবাৰ।

এৰেকৰ পেৰেক, এৰেকৰ ঘৰৰ পেৰেক = আইৰ ঘৰৰ ভাই

এহোপা—বিণ. এসোপা; বহু পৰিমাণৰ

## ঐ

ঐচ্ ঐচ্ — অব্য. = অইচ্ অইচ্

ঐৰাৱতৰ সোপ্টা—হাতীপটি; আকাশত অসংখ্য নক্ষত্ৰ থুপ লাগি থকা দীঘলীয়া বাটৰ নিচিনা চিন

ঐয়া-ভয়া, ঐয়া-তৈয়া—বি. ইজনে সিজনে 'ঐ' 'তই' বুলি মাতামাতি কৰা ব্যৱহাৰ

ঐহা-হিহা—বি. ইজনে সিজনৰ ওপৰত সিজনে ইজনৰ ওপৰত দায়িত্ব এৰি দিয়া অভ্যাস

## ও

ওক—বি. বমি কৰাৰ ভাব

ওকজেদেঙী—বি. এবিধ বগা জেঙাই লতা; (ইয়াৰ গন্ধত ওক আহিব খোজে, কিন্তু আঞ্জা ৰান্ধিলে খোজ নাপাকে আৰু ই পেটলৈ ভাল।)

ওকাট্—স. ধা. ওকালি; মলজ্বৰ আদি খঁকাৰাই পৰিষ্কাৰ কৰ্; ২। ভিতৰৰ দোষ আদি টানটানকৈ কৈ প্ৰকাশ কৰ্; যেনে—দতৰ বাপত ভাই সকলো কথা ওকেটি দিলা।

ওকোন-ঠোকোন, ওকোন-মোকেনি—বি. ওকোন-মোকোন; খোজা বস্তু পেটলৈ নগৈ ওলাই আহিব খোজা ভাব

ওগোৰগোৰিয়া—বিণ. = অগৰগৰিয়া

ওচৰ-পাজৰ—বি. ওচৰৰ ঠাই

ওজা—বি. গুৰু; বিয়াহৰ গান আৰু সুকনান্নী গান গাই দিয়া লোক; ২। বেজা; বেজ

ওজাআউ—বি. জালিখানত ধৰীয়া আনিবৰ বাবে ব্যৱহাৰ কৰিবলৈ ওকাণ জাতি মাছৰ কুঁহা মকৰাকে নাল লগাই সাজি লোৱা পাত্ৰ

ওথোৰ-থোথোৰ— বিণ. যেনেতেনে কণমানুৰা জোৰা

ওদাজবাঁহ—বি. বহ; বৰা; গাড়ীৰ চাংখনৰ তলত দুয়োকাষে দীঘলে দীঘলে লগোৱা ভোটা বাঁহ

ওনেইগোনেই—বিণ. প্ৰচুৰ; বহু পৰিমাণৰ, লগাবিলিঙকৈ অধিক; যেনে—বিয়াখনত বৰ 'ওনেই-গোনেই, কিয়াল থাকি?

ওখোল-মোখোল— বি. নানাবিধ মকৰা কাম; যেনে— 'দুখীৰ ওখোল-মোখোল মাথি ভালেদি নাপাওঁ'।

ওখোৱা ওকাট্, ওখোৱা আল্—মেলেনা মুকাট্; ঘৰৰ মাৰা মুক-

সুৰা লেতেৰা কাম কৰ্

**ওৰসোধন/পেটা পিয়াল, পেটা বিচাৰ, পেটা-সোধন**—বি. কোনো কথাৰ আঁতিগুৰি বিচৰা কাৰ্য্য; (তাচ্ছিল্য অৰ্থত)

**ওৰহেণি, ওবেণি**—বি. ওবণি

**ওৰা, ওৰাই**—বিণ. ওৰে; গোটেই; যেনে—ওৰা দিন; ওৰাই দিন

**ওলমাওলমিকে**— ক্রি. বিণ. বেছি পৰিমাণে; যেনে—এইবাৰ গাছত আম ওল্মাওল্মিকে লাগিছে।

**ওল্মোটা কাঢ়্**— হাতেৰে ধৰি তললৈ ওলমি থাক্

**ওলোই নপৰ্**—দিবলৈ সত নাযা; যেনে—মান্‌হটোই পাখীৰ অনপমান খুজিলা; তাইৰ ওলেই নপৰিল।

**ওলেই পৰা**—বিণ. চকুৰ মণি ওলাই যোৱা কাৰণে নেদেখা হোৱা স্ত্রী—ওলোইপৰী; (গালি)

**ওৱাই**— অব্য. (আশ্চৰ্য্যবোধক); যেনে—ওৱাই, এই ছোৱালীটোৱে ইমান খং!

**ওৱাপাহ দি**—আশা এৰ্;
২। সঙ্গ ত্যাগ কৰ্

**ওৱা মন দোৱা**—এবাৰ কৰা কল দুনাই কৰিবলগা হোৱা

**ওৱাহোৱা**—বিণ. = অসোধ

**ওহ আহ কৰ্**—উনযাম কৰ্; যেনে—ধান কাট্‌বালেগি ওহ আহ কৰ্‌বা হ'ল।

**ওহ ল**—উহ ল; ভিতৰুৱা কথা জানিবলৈ তলে তলে চেষ্টা কৰ্; যেনে—আচল ঘটনাটো জান্‌বালেগি তই অলপ ওহ লউচোন।

## ঔ

**ঔখুলীয়া ফুট, ঔফুলীয়া ফুট**—বহীযা পগা'ওঁতে ঔটেঙাৰ খোলৰ দৰে ভমক ভমককৈ উঠা ফুট,

**ঔচ্ ঔচ্, ঔহ্ ঔহ্**—আহ্ আহ্ (কুকুৰক মতা মাত)

**ঔ পৰ্, ঔ সৰ্**— পিঠিত কিলভুকু পৰ্; যেনে—চোৰে ইটা'ও সৈ কাঢ়া নাই; পিঠিত ঔ পৰ্‌লি সৈ কাঢ়্‌বু।

**ঔৱা**—বি. ঔটেঙা গছৰ পাতৰ নিচিনা পাত থকা এবিধ বনৰীয়া সৰু গছ

**ঔ সৰ্** = ঔ পৰ্

**ঔহ্ ঔহ্** = ঔচ্ ঔচ্

## ক

**কঁইটেৰি**—বি. কাঁইবৰি; মাছৰ পাইকাৰী বেপাৰী

**কইহমাঙা, কহিমাঙা**— বি. গা-গছৰ পৰা এঠা ওলোৱা এবিধ গছ

**কইনাবুজোনি**—বি. কন্যাবুজন; বিয়াৰ কইনাৰ খোজৰ নিচিনা বীৰ গতিৰ খোজ

**কঁকাল, কোঁকাঃ**— বি. কঁকাল; শৰীৰৰ মাজৰ অংশ

**কঁকালসিৰা**—বি. কঁকালৰ সিৰ বাগৰি হোৱা বেদনা

**কচক, কৰঙা**—বি. কেচেক; এড়ী পলুৱে পাত খোৱা এবিধ গছ

**কচুকলা**—বি. কচুকলা; কচুৰ খোৰৰ পৰা ওলোৱা কলৰ দৰে ফল

**কচু দি**—শিকা দি; শাস্তি দিহ্

**কচুপাঃি পা**—শিকনি পা; শাস্তি পা

**কচু দি, কচুপালি দি**—সেকা দি; উপযুক্ত শাস্তি দি

**কচুং**—বি. এবিধ বিছাজাতীয় পোক; ২। কচুলা পোকে ডকাৰ কাৰণে খজুৱাই গাত উঠা। চকলা-চকলি; ৩। এবিধ গছ আৰু বিলাগুটিৰ দৰে ইয়াৰ বিষাক্ত গুটি

**কঞ্চা**—বি. কুঁহি তামোলৰ মুখৰ কোমল অংশ

**কঞ্চাকঠাল**—বি. কেঞ্চাকঠাল; মাটি কঠালৰ দৰে পাত থকা এবিধ বনৰীয়া সৰু উদ্ভিদ

**কঞ্চাতামোল**—বি. অতি কোমল তামোল

**কঞ্চাবোন**—বি. গুৰিত কেঁহেকনৰ দৰে সৰু আলু হোৱা, দীঘলীয়া পাত থকা এবিধ বন

**কট্তনুৱা**—বিণ. তানকৈ পূৰ সোহোৱা; (ধান আদিত পাচে।)

**কঁঠা**—বি. কাঁইট

**কঁঠাখুতুৰা**—বি. গছত কাঁইট থকা এবিধ খুতুৰা

**কঁটাজাম**—বি. কোটাহিজাম্; এবিধ সৰু জাম্

**কঁটাবাঙানা**—বি. কোটাহিবেঙেনা; এবিধ বনৰীয়া কাঁইটীয়া সৰু জোপোহা গছ আৰু তিতা ভেকুৰীতকৈ ডাঙৰ তাৰ ফল

**কঁটাবাঁহ** বি. কোটোহা; কাঁইটীয়া আথি থকা এবিধ বাঁহ

**কঠিকুৰীয়া**—বিণ. অনবৰত খেমাবে এৰি নিদিয়া

**কঠিখেক্চা**—বি. ঠিকাখেকেচা;
যেনে— হাল বাওঁতে হাল্জা মৰিল গলিত মৰিল গাই।
পানী খাওঁতে দমৰা মৰিল কটিখেক্চা খাই॥ (ফকৰা)

**কঠিখিঙা দি**—ঠিকা ওপৰলৈ তুলি তললৈ মূৰ কৰ্,
যেনে— দিহান দিলোঁ দিহান দিলোঁ
মই বকৰাৰ বী।
আৰু এটা দিহান দিলোঁ
কটিখিংগা দি॥
(দিহাম)

**কঠিমোচোৰা**—বি. মল ত্যাগ কৰাৰ পাছত মলৰ দুৱাৰ পানীৰে ধুই তকাম মাটি বা বলত ঘহ্

**কঠিসোহ্কা/জেংঠিসোহ্কা**— বিণ. পোচ এৰা; অপাকমান

**কঠাৰী**—বি. কটাৰী

**কঠেলীয়া, কোঠেলীয়া**—বিণ. কঠীয়া; ভাতকৈ নিসিজা ( ভাত আৰু কোমল চাউলত থাকে ।)

**কঁটুৰা**—স. ধা. কঁটিয়া; জোৰকৈ মুখত সুমুৱাই দি

**কঠনা**—বি. কঠনা; এবিধ মজলীয়া ধৰণৰ বনৰীয়া জোপোহা গছ আৰু তাৰ বগা ফুল

**কঠাল**—বি. কঁঠাল; এবিধ গছ আৰু ইয়াৰ বহকৰুৱা ফল

**কঠাল কুঁহীয়া বাটি**—গাত কঁঠালৰ কোঁহৰদৰে ফুল তুলি সজা কঁহৰ বাটি

**কড়াকপ, কড়াকপট, কহকপট**—বিণ. দৃঢ়; লৰচৰ কৰিব নোৱাৰা; যেনে—সি দুৱাৰখন কড়াকপট মাৰি যুমেই আছেই ।

**ক'ণকা**—অ. ধা. কণিকিয়া; কণিয়া; গজালি 'ওলাব ধৰ্

**কণ্ঠেলীয়া**—বি. নৈ, খাল আদিৰ বা কোনো ওখ ঠাইৰ দাঁতি

**কণ্ঠীয়ামোৰ**—বি. ককণা মোৰ, ককণীয়া মোৰ; এডলীয়া মোৰ; কাপোৰৰ সূতা বা চাৰি আদিৰ এডাল পৰি এডাল উঠা মোৰ

**কণপটা**—বিণ. সমূলি ধ্বংস হোৱা; বংশ পৰিয়ালেৰে ধ্বংস হোৱা স্ত্ৰী—কণপটী ( গালি )

**কণা**—বি. কেণা; ভুল, লেঠা; যেনে— বিচেনীখান বোওঁতে মাৰত কণা লাগ্‌ছি ।

**কণীয়াৰ বেঁটা**—গুৰ্‌গুৰীয়া; যেনেনী তিৰোতাই পিছৰজন নুনিহৰ ঘৰলৈ আহোঁতে লগত লৈ অহা পূৰ্ব্বৰ স্বামীৰপৰা ওপজা ল'ৰা

**কণ্ডি**—বি. তামোলৰ বটা; ফুলৰ কৰণি; যেনে—হাতে ফুলৰ কণ্ডি লৈ আইকে গাদৰোঁ গৈ ।

( আইনাম )

**কথেনি**— বি. সুকনান্নী আৰু বিয়াহৰ ওজাই পালিসকলৰ লগত গীত গাওঁতে শুনি থকা সাধাৰণ লোকে বুজাকৈ দাইনাপালিৰ লগত কৰা সৰল ভাঙনি

**কপ্‌টা**—স. ধা. থুবিয়া; মুঠিয়া; পিন্ধা কাপোৰৰ 'ওলনি থকা অংশ হাতৰ আঙুলিৰে সৰু সৰু ভাঁজ কৰি কোঁচা

**কপল, কোপাল**—বি. কপাল

**কপলকোঁটা, কপালকোঁটা**— বি. এবিধ বনৰীয়া শাক; ( ইয়াৰ কোঁপোলা ঢাকনিৰে আগুৰি থকা সৰু গুটিৰ ফল লাগে । সৰু ল'ৰা-ছোৱালীয়ে এই গুটি কপালত মাৰি দিলে শব্দ হয় ।)

২। সোণপকৰা; কপালত কোঁট লৰ পৰা কাহৰ আকৃতিৰ এবিধ সৰু পোক

কপুৰ, কফু্ৰ—বি. কৰ্পূৰ; কাফুৰ, এবিধ সুগন্ধি বগা বস্তু

কফ্‌ড়াং—বিণ. কঙাল, কফ থকা (মানুহত খাটে।)

কমনিস্তাপ্, কমেনি স্তাপ্—উপাৰ লৰ লোৱাবাৰ নিচিনা হৈ জাউৰি পাতি ওপৰি থাক (মাছত খাটে।)

কমৰ—বি. কমাৰ

কমৰৰ ঘৰত সোলকা কটেনি—পাকৈত হৈয়ো নিজৰ কামৰ প্ৰতি অমনোযোগ

কম—বি. কলি,

২। শিমলু আদি গছৰ ফুল মৰি যোৱাৰ পাছত হোৱা ফল। ইয়াৰ ভিতৰত তুলা আৰু গুটি থাকে।

কৰপ্য—বি. সৰু হেতা

কৰঙ্গা—বি. কৰাল

কৰাজি—বি. কাম বন কৰিব পৰা মানুহ (ঘৰৰ পৰিয়ালত খাটে।)

কৰা আজি—বি. খেতিৰ পথাৰৰ মাজত মানুহ অহা যোৱা কৰিব পৰা অলপ ডাঙৰ আলি

কৰেই—বি. কৰৈ, এবিধ সুকাঠী গছ

কৰেইগুৰা—বি. কৰাইগুৰি, ভকা-শ চাউল ভাজি খুন্দি কৰা গুৰি

কৰেইগুৰাত শিপাচ লাগ্—আ-কোৰলোজালিকৈ লাগ্, (সাধাৰণ-লোকে ভবাৰ মতে বাইকৰাই হৈ লোক কৰাইগুৰি পাবলৈ পিপাচে মিলিয়া লেবাকৈ কথাক নিচিনাকৈ)

কহা—বি. কাপোৰৰ চুকত বন্ধা এঠীয়া ডাঙৰ ফুল

কলাডাঁহী—বি. কলপটুৱা, ডোঙা সাজিব পৰাকৈ কটা কলগছৰ টুকুৰা

কঁলচীয়া—বিণ. অলপ ক'লা

কলতা—বি কলিতা; হিন্দু জাতিৰ এটা সম্প্ৰদায়

কল্‌হ—বি. কলহ, পানী খোৱা এবিধ পাত্ৰ

কলগাহাম—বি. গ্ৰামোফোন; গানৰ ৰেকৰ্ড বজোৱা এবিধ যন্ত্ৰ

কলাখেৰীয়া হতাহ—বি. অতি-পাত আগ্ৰহ

কলিৰ দাম, কলিৰ দামৰা—বৰ থকুৱা

কৱৈ—বি. কাৱৈ, পিঠি আৰু বুকুত কাঁইটীয়া বাব আৰু গাত বাকলি থকা এবিধ মাছ

কৱৈঠোপা, কৱৈঠোপোমা—বি. কাৱৈচিলা, কাৱৈ মাছৰ খোলা; সৰু কাৱৈ মাছ

কঁহৰ—বি. কঁহাৰ; কঁহৰ বাচন পৰ্কোতা

কঁহুৱা—বিণ. কেঁহা; কেঁহা ডাঙোল বা পিন্ধিবা চোমালে মেলে লাগে তেনে স্বাদৰ

কঁহুতা—বি. অলপ কেঁহা কথা বাস

**কহিমালা**— বি. = কইমালা

**কহিৰ**—বিণ. অতি কৃপণ; যেনে—সি ধনী হলি কি হবো, মস্ত কহিৰ, কাকো এক পইচাও নেদেই ।

**কাইচলতলি, কাইতলি, কাচতঃ-তলি**—বি. কাষলতি; মানুহৰ বাহুৰ ওপৰ মূৰৰ তলকালে থকা কোমল ঠাই

**কাইটংবাইটং** / টাল্‌বাহানা,

**টেৰিবেৰি, টেৰিবেৰি**—বি. টেৰি-মেৰি; বগৰস্ত মতে নচলা কৰ্য্য

**কাইতলি**— বি. = কাইচলতলি

**কাইতলি দাৰিয়া**—কাষলতিৰ তলত শব্দ কৰি আনন্দ প্ৰকাশ কৰ্

**কাইতলীয়া শীহ** — পকা ধানৰ ছোপাত থকা চুটি শীহ

**কাউচি**—বি. কোনো বস্তু পাবলৈ কৰা নেৰানেপেৰা খাটনি

**কাউচি কাট্‌, কাউচি পিট্‌, কাউ-চিয়া**—বৰকৈ খাটনি কৰ্

**কাউৰ অকণি**—বি. কোৱাঁওকণি; চাউলৰ মাজত হোৱা ওকণিৰ দৰে ক'লা বৰণৰ এবিধ পোক

**কাউৰমণি**—বি. কোৱামণি; এবিধ সৰু উদ্ভিদ আৰু মাটিমণিৰ সমান, মূৰত ক'লা দাগ থকা তাৰ বগা গুটি

**কাউৰৰ আৰ্কাম বাবেহি কাম**—কাউৰীয়ে 'কা কা' কৰি থকাৰ দৰে 'নাই নাই' বুলি হাহাকাৰ কৰি থকা অভ্যাস

**কাউৰে ঠোঁহা মুগা হান কৰ্**—বহুজনে ব্যৱহাৰ কৰি নষ্ট কৰ্; বহুলোকে খাই লৈ বস্তু-বাহানি নি নষ্ট কৰ্ ( গৃহীত খাটে ।)

**কাউজি**—বি. এবিধ ভাওৰ থবাহি

**কাকা, কাকাই, কাকো**— বি. ককাই; ( নিজতকৈ ডাঙৰ সহোদৰক মতা সম্বোধন; নিজতকৈ বয়সীয়া লোকক মতা সম্বোধন )

**কাঁকাৰা**—বি. কাঁকৰা; কেঁকোৰা; ২। তলা

**কাঁকাবাছাৰি**—বি. তলাছাৰি

**কাকিবল**—বি. কেবেলা; এবিধ লতা আৰু তাৰ পাচলি খোৱাৰ উপযোগী তিতাফল

**কাকেই**—বি. কাকৈ; বাঁহৰ কামি এচলাৰ পৰা সাজি উলিওৱা মূৰৰ চুলিৰ জোঁটভঙা যতন

**কাংকুৰিয়া-শালকা, কাণকুৰিয়া**—বি. কাণকুৰিকা; পিঠি ক'লা, বুকু বগা এবিধ শালিকা চৰাই

**কাচতলতলি**—বি. = কাইতলি

**কাচানা**—বি. কাচন; সাজন; যেনে—কাচানা কাচিলা । (বিয়ানাম)

**কাঁচলাই**—বি. পোৱালি জগাৰ বেছি দিন নোহোৱা কীৰতী গাই

**কাচাৰকিচিৰ**—বি. অশুচি অশুচি ভাব; যেনে—চুৰেমিক পেইচু, কাচাৰ কিচিৰ লাগ্‌ছি; পা ধোবা লাগ্‌বু ।

**কাঁচিয়া**—বিণ. কাঁচি; দৈ হ'বলৈ

আকন্ত কৰা (এইটো গাঁৱলীয়াত থাকে।)

**কাজো**—বি. কাছ

**কাজৰবীয়া**—বি. সকলো বা পুৰা-পাতল পত্তা মানুহ বৰ

**কাঞ্চা**—বি. কেঞ্চা, মাথোমাথী লোক

**কাজাংগৌৰী** -বি. এবিধ কেতু-বিজাতীয় কজলা ৰবণৰ ম‍ুল থকা বনৌষধি

**কাণ্টাংকোণ্টোং**—বি. কেটেৰকেটেৰ, যেনে—কৰ্পেইৰ তলতে ধুনাই দি উমালো। কাকাই কাকাই কাণ্টাংকোণ্টোং কৰেই। (বিয়ানাম)

**কাঠকুৰা**—বি. চীন জাতিৰ কুহিলা

**কাঠমাৰি দি**—গেঁঠেলা মাৰ্, ওখহি চীন হৈ উঠ্; (গাঁও লোৱা খহ আদিত থাকে।)

**কাঠলেই, কাঠালেই**—বি. মানুহৰ গাত কাৰ্বি উৰহাই ভুলিৰ পৰা এবিধ বিষাল পকুৱা

**কাঠিকৰ, কাঠিগৰ, কাঠিয়াৰ**—বিণ. নিপুণ; পাকৈত, পাৰ্গত

**কাঢ়া**—বি. চোকা; তীব্ৰ; যেনে—তেওঁ খঙত কাঢ়া কথা কৈ দিলা।

**কাঢ়ামূঠীয়া**—বিণ. শাসনত কঠোৰ; খৰচ কৰাত মুঠিটানকৈ চলা

**কাণকণুৱীয়া দি থাক্**—যাৰ-যাকীয় কাৰলৈ মনোযোগ নিদিয়াকৈ থাক্; ২। মুতনা জাও ধৰি থাক্

**কাণকুৰিয়া**—বি.=কাণ্কুৰিয়া শালকা; ২। বি. কণাকানি; কাণৰ ভিতৰত থকা মলি; যেনে—ছুলিৰ আঁটাহে কাণৰ কাণ্কুৰিয়া উঘেৰ্‌লা।

**কাণকুৱা, শাল্কুৱা**—বি. কুহিলা; পানী থকা ঠাইত গজা চিৰিলি চিৰিলি পাতৰ কোমল সোপোকা এবিধ সৰু গছ

**কাণ টঙা**—কাণ উনা; কাণ পাত

**কাণঢেহীয়া, কাণতেলীয়া, কাণ-ফেটীয়া, কাণফেলীয়া**—বিণ. কাণ-টাহা; কাণত তাল মাৰি ধৰা (চৰত থাকে।) ২। বি. কাণত তাল মাৰি ধৰা চৰ,

**কাণ চোঁক্**—মকবাই কাণৰ কোনো অংশ চুহি খা কৰ্ (সৰু ল'ৰা-ছোৱালীত থাকে।)

**কাণকাৰখানা**—বি. কাৰ্যকলাপ; কাযযোৰ

**কাণমুকেৰী**—বিণ. কাণিমুকেৰী; অলপবান বেলি ৰখা, (মুখাৰত থাকে।)

**কাণিসাঁজ**—বি. কুটপখুলি, বেলি মাৰ যোৱা পিছত আন্ধাৰ হোৱা সময়

**কাতাবা**—বি. কতবা; আৰুৱণলাই,

**কাতিয়াটঙা**—কাতীলৈকে ঘুলোৱা জোন

**কাণিকঁধা**—বি. কাপোৰ-কানিৰে সৈতে কি অলপ সম্পত্তি ·কাজ

সকলোখিনি ; যেনে—বুঢ়ী বধিল ভালে হ'ল । কানিকঁথা মোৰে হ'ল ॥ (ফকৰা)

কান্নী—বি. কাচনী ; কাপোৰ বাতি কাটোঁতে ব্যৱহাৰ কৰা এবিধ বতন

কানিমহলা কুৰা, কানিমহলা কুৰা, কানিশলা কুৰা, কানিশলা কুৰা—কেটাহি পোৰ্ ; কটা কানি পকাই তাৰ এমূৰত জুই লগাই দি যাব ওপৰত কিছু সময় কোবাই থাক্

কান্দুলি—বি. কান্দুলি; চিতলতকৈ সৰু তেনে আকৃতিৰ এবিধ মাছ

কান্দুলিপেটা—বিণ. কান্দুলি মাছৰ পেটৰ আকৃতিৰ পেট থকা
স্ত্রী—কান্দুলিপেটী

কান্দেনিমুৰা—বিণ. কন্দনামুৰা ; কান্দো কান্দো অৱস্থাত থকা , স্ত্রী—কান্দেনিমুৰী

কান্ধত খিজা পেলা—খাবলৈ বৰকৈ লোভ কৰ্

কাবাৰ কোৰা--কাবোবাৰ কোনোবা ; আপোন হৈও সম্পর্ক নথকাৰ নিচিনা হোৱা

কামছেৱা—বি. পোহৰ ঠাইৰ কাষত গা লুকাব পৰা স্নপ আন্ধাৰ ; যেনে—চোৰটো খৰৰ কাষৰ কামছেৱাত লুকাই আছিল ।

কামত দিয়া, দানত দিয়া—বৃত্তকৰ মূল পৰাবত দানত দিয়া

কাজাল্—স. ৰা. কাবোল্ ; দাঁতেৰে আঘাত কৰ্ ; ২। অপবাদ দিচ্; বদনাম কৰ্

কামাবা—বি. দীঘলে দীঘলে কানি হেঙাৰত থকা বাঁহৰ চটা

কামাবা মৈ—বি. বাবাল অংশ মৈ টনা গৰু বা ম'হৰ পিনে 'দি' টনা মৈ

কামেবিকলটা—বিণ. কটকিনা ; পইচা খৰচ কৰিবলৈ টান পোৱা

কায়দা—বি. আৰবী ভাষাৰ বর্ণ পৰিচয়ৰ কিতাপ

কাৰণ-পুৰণ—বি. যোগ গুচাবৰ কাৰণে প্রয়োগ কৰা মন্ত্র - বা বেজালি ঔষধ ; যেনে—ছ'লটোৰ বেমাৰ ভাল কৰবালে আপুনি যেদি কিবা কাৰণ পূৰণ জানেই দেকচোন ।

কান্না—বি. কাচ্নী ; চেঁউৰী পোৱালি জগোৱাৰ আগৰ অৱস্থাৰ মাইকী , গৰু

কালশনি—বি. ঘোৰ অনিষ্টৰ মূল ; যেনে—বৰী নহয় এটা কালশনি হৰ চাপৰ্ছি আহি ।

কাহাজেই কুহজেই, কুহজেই

কাহাজেই—ক্রি. বিণ. বিঠা মাড বাতি কুচুলাই

কাহবা—বিণ. ৰবকৈ কাহি থকা; স্ত্রী—কাহৰী

কি—অব্য. (প্রশ্ন বোধক অর্থত); যেনে—বই খাব কি আঁক লগ পাৰেঁ।

কিচিৰ—বি. ধৰণ; প্ৰকাৰ; যেনে—কিমান কিচিৰৰ বস্তু বি শৌকাণ্‌পালত আছেহি !

কিচিমে কিচিমে— বিধে বিধে, নানা ধৰণৰ

কিটিঙা—বিণ. কটঙা, কেচেঙা; নীৰস, টান; কটুৰ, ২। বাঢ়িৰ নোৱাৰা (মানুহত খাটে।) স্ত্ৰী—কিটিঙী

কিনাআঙুলি—বি. কেঁকোআঙুলি. হাত আৰু ভৰিৰ সৰু আঙুলিকেটা

কিৰাই ধৰ্—কিৰাই পা; জুকে ধৰ্

কিয়া—অব্য. কিয়, কেলৈ; কি কাৰণে

কিয়ালে—ক্ৰি. বিণ, কিয়, কেলৈ, কি কাৰণে (কেতিয়াবাহে ব্যৱহাৰ হয়।) যেনে—কিয়ালে লাগিছে ধন কিয়ালে লাগিছে ধন। আহা সখী যাওঁ বৃন্দাবনে ঐ ৰাম। (গোপিনীগান)

কিলাকুন্দি—বি. কিলাকুটি

কিলাকুন্দীয়া জলপান—বৰ জুতিৰে পেট ভৰাই খোৱা জলপান

কিলাকুন্দীয়া ভাঁজ—কিলাকুটিৰ ভাঁজৰ নিচিনা ভাঁজ থকা (আলিবাট, মাটি আদিত খাটে।)

কুঁইহাব—বি. কুঁহিয়াৰ

কুকুৰুকুকে—ক্ৰি. বিণ, মুকলো কাম কাটি কৰি নবাজনিকৈ; যেনে—আগে হলি লাহাতে, ইতো চানত পৰি কুক্‌কুকুকে থাকিবা।

কুকুৰতেঙা, কুকুৰথৰীয়া—বিণ. কুকুৰতেঙীয়া; কুকুৰৰ স্বভাৱৰ নিচিনা স্বভাৱৰ, অলপতে খং উঠা

কুকুৰ-সাউৰ—বি. কুকুৰে সাধাৰণ গতিত দিয়া দৌৰৰ দৰে দৌৰ

কুকুৰশিঠা, কুকুৰগুঠা—বি. কুকুৰ গুহ, নীৰস শাক থকা, পকিলে ৰঙা হোৱা গুটি থকা এবিধ গছ

কুকুৰা—বি. কুকুৰা; ইটাবুলীয়া পাখি থকা মজলীয়া আকৃতিৰ এবিধ চৰাই

কুকুৰাহাখী—বি. সৰু, চাপৰ, গোদোকা হাতী

কুচুটীয়া—বিণ. আনৰ ভাল হোৱা সহিব নোৱাৰা, ঈৰ্ষালু; ২। যেনে-দীয়া কথা কৈ আনৰ হাঁহি তুলিব পৰা

কুচিচ মেলীয়া/গাৰ্ঠক চেলীয়া—বি. গুচৰচুবুৰীয়া; একে পাৰ্বতে বাস কৰা মানুহ

কুজুৰমুৰুৰ, কুজুৰামুৰুৰা—বিণ. কুঁজাৰ নিচিনা; পিঠিত পকুৰ বোজা থকা কাৰণে কঁকাল পোনাব নোৱাৰা

কুইকুটা—স. ধা. তাকুটুকুটা, শাৰ যেনেপ যেনেপ আৰুত হাতৰ আঙুলিৰে ছুই বা জোৰাৰ ভৰিৰে হাঁহি জোৰ্

কুটুকুটীয়া—বিণ. কুটুকুটীয়া, খৰিক; চঞ্চল; একে ঠাইতে

নাথাকি ইটো সিটো বস্তু ছুঁই দুটালি কৰি ফুৰা

**কুঠাৰ পাৰ্, কুঠাৰমাৰ্**-কুঠাৰেৰে ঘপিয়া

**কুঠাৰ মাৰ্**—অপকাৰ কৰ্

**কুচিয়া**—বি. কুচি; বৌতকৈ সৰু, তেনে আকৃতিৰ বগা ৰাকলি থকা এবিধ মাছ

**কুঠীয়াক মুঠিয়েই থাক্**—অপাৰগক কাম কৰিবলৈ খাটনি ধৰ্; যেনে—কুঠীয়াক মুঠিয়েই থাকাতকে তই নিজে নাথা কিয়া ?

**কুতৰ্পী**—বিণ. কুবুধীয়া, তলে তলে আনৰ অন্যায় কৰা

**কুপেতি**—বি. কপৌ;

তুলনীয়—

কুপেতিয়ে ঝাম্পে যেন
মহামত্ত হস্তী যেন
ক্ষুদ্র হৰিণাত যুদ্ধ হাবে ।
( ভাগৱত—৮ম )

**কুৰ**—বি. কোৰ; এচাৰি আদিৰে নৰা মাৰ

**কুৰিৰ**—বি. কুবেৰ; ধন সম্পত্তিৰ গৰাকী দেৱতা এজনা

**কুৰিৰ লাগ্**—সাঁচি থোৱা ধনত কুবেৰে লক্

**কুমুৰা**—বি. কোমোৰা; এবিধ লতা আৰু পাচলি খোৱা তাৰ বহুগুটীয়া ডাঙৰ ফল

**কুৰকুটি-কুৰকুটি**—বি. ভেকুটি; আনৰ হাঁহি তুলিব পৰাকৈ হাত-মুখ আদিৰ অঙ্গিভঙ্গি দেখুৱাই কৰা ধেমালি

**কুৰা, কুৰাৰাৰি**—বি. কোৰোহা-মাৰি; পৰন্তিজাল পানীৰ পৰা দণ্ডাত ব্যৱহাৰ কৰা, ওপৰ মুৰত বচী লগোৱা বাঁহৰ দাং

**কুঁৰী, কুঁৱা**—বি. কুঁৱলী; জাৰকালি মাটি বা পানীৰ পৰা ওলোৱা ডাঠ জলীয় ভাপ

**কুকংকাবাং**—বি. আৰম্ভণি; সূচনা; যেনে—বিয়াটোৰ বিয়াৰ কিবা কুক্কাবাং কচ্ছিনে নাই ?

**কুকন্দীয়া, কুকল/পেটকুকন্দীয়া**-বিণ. পেটকেকণীয়া; আনৰ ভাল সহিব নোৱাৰা

**কুহ**—বি. কুশ; হিন্দুৰ দেৱকাৰ্য্য আৰু পিতৃকাৰ্য্যত ব্যৱহাৰ কৰা এবিধ বন

**কুহ্মেলীয়া**—বিণ. কুহমীয়া; অলপ তপত

**কুঁহলেই কাহালেই**—ক্রি. বিণ. = কাহালেই কুহলেই

**কুঁহিতামোল**—বি. কোমল তামোল; ভিতৰৰ শাহ টান নোহোৱা তামোল

**কেউকলমীয়া**—বি. বহু কামত পাৰ্গত; বহু কামত হাত থকা

**কেউমেউ**—বি. কেওমেও; কাওবাও; কাতৰ বচন; কোনো বস্তু পাবলৈ বা শাস্তিৰ পৰা ৰক্ষা পাবলৈ কৰা কাতৰ বচন

**কেকোৰাগেথোৰ, কেকোৰমেকোৰ**—বি. কেকোগেথো; কোনো কাম কৰিবলৈ আপত্তা, পিছ

পৰা ভাব; ২। পখুৰ বন্দুৰ ভাব বৈ বেঁকা হোৱা অৱস্থা

কেংমৰা—বিণ. পুকপালি সোহোৱা; দুৰ্ব্বল; নিশকতীয়া

কেচ্ চিয়া—বি. কেচেবা; দিবাজ স্বভাৱৰ, দুষ্ট স্বভাৱৰ; ২। দুটা জাতৰ মতা আৰু মাইকীৰ পৰা জন্ম পোৱা ( হাঁহত খাটে। )

কেঁচেই—বি. কেঁচু

কেঁচেইমেটা—বি. কেঁচু মটা

কেঁচেইহাব—বি. কেঁচুৰ আকৃতিৰে গোটাকৈ গঢ়া কপৰ হাব

কেজেং—বি. ভগ্নাল, আচকাল

কেক্চি/মেখবাক—বি. কেচি; চুলি বা কাপোৰ আদি কটা অস্ত্ৰবিশেষ

কেক্চিপোকা—বি. গঁড়পোক; নাৰিকলৰ খোৰ পাত কটা এবিধ ক'লা বৰণৰ পোক

কেটামান, কেট্ চিমান, কেন্থুমান—বিণ. কেইটামান; অলপ পৰিমাণৰ

কেচেঁৰ খেঙেৰ, কেচেঁৰা খেঙেৰা—বি. কেচেঁৰ কেঙেৰ; কৰ্কশ মাত, কটু বচন

কেংকে, কেন্কে—ক্রি.বিণ. কেনেকৈ; কি ধৰণে

কেট্ জেত্—বি. কথা দি কথা নৰখা কাৰ্য্য ; যেনে—সি আগত্তে দিব বুলি কৈ পইচাখিনি দিবাৰ পৰত কেট্ জেং মাৰিছিল ।

কেট্ কেত্—বি. কেৰকেৰ; বস্তুৰ মূল্য কমাবলৈ কৰা তোৰাকুই

কেনেই কাচ্, কেনেই কাচ্—কোনো বস্তু পাবলৈ মৰকৈ কুটনি খাটু

কেম্ খাকে—ক্রি. বি. কেনেকৈ; কোনো প্ৰকাৰে

কেমান—স. না. কিমান; কি পৰিমাণৰ, কি যোখৰ

কেম্ কেটা—বিণ. মস নথকা; শুকান; যেনে—খাঙামাগিটো শুখেই কেম্কেটা থাকিছি ।

কেম্ মেকুৱা—বিণ. ভালকৈ বাঢ়িব নোৱাৰা ; যেনে—বুঢ়াৰ এটা মাত্ৰ কেম্ মেকুৱা দিকিবা আৰু কোনো নাই ।

কেমেথীয়া, কেমেখেনীয়া—বিণ. গেৰুখেনীয়া; চেঙনীয়া অৱস্থা পাবলৈ উপক্ৰম কৰা

কেক জিয়া—বি. কেবেলুৱা; এবিধ বঙা বৰণৰ গছৰ ঠাইয়া পোক

কেংখেত্তা দি, কেং খেত্তা তাপ্—অৱশ হৈ পৰি থাক্

কেজেই-বেং—বিণ. নিশকতীয়া; চেবেলা; ক্ষীণ ( মানুহত খাটে। )

কেহবাজি—বি. কেহবাক; বগ উদ্ভিদ যাই চিয়াহী তৈয়াৰ কৰিব পৰা এবিধ বন

কেহিনা—স.না. কাহানি; কোন দিনা

কেহ্নিবা, কেহ্নবা—স.না. কাহানিবা; কোনোবা দিনা

কেঁহুৰি—বি. কেহেৰু; পথাৰত গজা দীঘল পাতৰ এবিধ ঘূণ আৰু অবিত্তযোৱা, খালে মিঠা লগা মূল

**কেৰেকদি**—বি. জঞ্জাল; বিনন্তি জন্মোৱা জঞ্জাল

**কোক**—বি. ভিত্তি নোহোৱা ভাণ্ডৰ খালৈ ; ২। সহজে বিচাৰি উলিয়াব নোৱাৰা ঠাই

**কোকলোঙৰ বাহা**—সহজে বিচাৰি উলিয়াব নোৱাৰা ঠাই ; যেনে—কটেৰীখান ক'ৰ কোকলোঙৰ বাহাত থৈছা বিচাৰি নাপাওঁ।

**কোঁকাল**—বি. = কঁকাল

**কোঘ**—বি. কাষ, দাঁতি

**কোট্ কোট্‌কে**—ক্রি. বিণ. লৰালৰিকৈ নোচোবোৱাকৈ

**কোট্ কোটীয়া কৰা**—চলাথ কৰি বিচাৰ, যেনে—হাঁহগিটাই কোট্ কোটীয়া বাই শামুক খাইছি।

**কোঁটাল**—স. ধা. কঁটাল্; বাঁহৰ আৰি, গছৰ ডাল আদি কাটি উলিয়া

**কোটোৰাক্‌চুৰি**—বি. বিৰক্তি আৰু অৱজ্ঞাৰ ভাবেৰে দেখুৱা মুখৰ ভঙ্গি

**কোঠ**—বি. কোন; ৰৰণী, বাঠি আদিৰ ওভতা জোং

**কোণা**—বি. কোণ; চুক

**কোণামেৰীয়া**—বিণ. এচুকীয়া; এটা কোণত থকা; যেনে—কোণামেৰীয়া গাওঁখান সিহঁতৰ গাওঁ।

**কোথোৰা, কোথেৰি**—বি. কোথাৰি; চক বা কলহ বহুৱাই বান্ধিবৰ বাবে বেত, বাঁহ, খেৰ আদিৰে সজা আধাৰি

**কোথেৰি থকা**—কোথাৰিৰ দৰে পাক লগাই থাক্ (সাপত খাটে।)

**কোপাল**—বি. = কপাল

**কোম্‌বা**—স. না. কোনোবা

**কোম্বাকোনি, কোম্বাকেনি**—স. না. অনিৰ্দিষ্ট কেইজনমান

**কোম্‌বাই কিবা কৰ্**—হবা কৰ্; হবা দি, কোনোবাই আহদি খুৱা; কোনোবাই কুমন্ত্ৰ প্ৰয়োগ কৰ্

**কোৰা**—বি. কোৰোকা

**কোৰ্ কোটা-কোৰ্ কুটি**—বিণ. কোৰোটাকুকটি, ওখচাপৰ, খলাবমা; অসমান

**কোৰপোটা-কোৰপুটি / সোৰপোটা-সোৰপুটি**—বিণ. বেটিকৈ সোপাৰা পৰা

**কোৰ্ মোৰা**—অ. ধা. কোৰকোৰা, পেটৰ ভিতৰত কোৰ্ মোৰ্ শব্দ কৰ্

**কোৰোচ**—বি. কবচ, এবিধ গছ আৰু পেৰিলে তেল ওলোৱা তাৰ গুটি

**কৌৰাৰ**—বি. কৌৰব; কুৰুৰ পুত্ৰেক; কুৰুৰ বংশৰ মানুহ

**কোৰেৰী**—বি. কুৰুৰ জীয়াৰী

**কৌহৰ্কুহীয়া**—বিণ. শকত-আৱত, হৃষ্ট-সবল; যেনে—বুঢ়াৰ ছৱটা কৌহৰ্কুহীয়া বেটা আছেই।

**কোহা**—বি. কোশা; দেৱপূজা আদিত ব্যৱহাৰ কৰা মুখৰ কাষে বহল হাতেৰে ধৰাৰ শিনে অঙ্ক এবিধ তামৰ পাত্ৰ

কৌঁৱাৰ্চ্ছি—ক্রি. বিণ. কোঁহ বাহি কাটিব দৈহে; যেনে— ভোকে খাওঁতা কাৰণে পকটোৰ নাইবপে কৌঁৱাৰ্চ্ছি ভেল উৱেঁছিহি ।

## খ

খক্চা—বিণ. সভা নিচিন্তাকৈ কঠুৱা যাতেবে কোৱা (কথাত খাটে ।), যেনে— সভাত খক্চা কথা কলি লাজ পাবা লাগেই ।

খঁখ—বি, খংক, খোৱাৰ অভিপাত লোভ

খঁখখখ-বি. খাওঁ খাওঁকৈ কৰা লবালবি; তুলনীয়—

খঁখখখ মকৰে ভোজনৰ বেলা ।

আপোনাৰ কাণত মকৰে হেলা ॥

(ডাকবচন)

খখৰা—বিণ. খাবখং ২। বি. বা-পেকৰ ঠিক নথকা সন্তান

খখুহি—বি. খৰাহী

খচ্‌কে—ক্রি. বিণ. তৎক্ষণাৎ; লবা-লবিকৈ

খচ্‌খচীয়া—বিণ. কামত খৰাখৰি কৰা

খঁখচা, খ'চা—বি. খবিচ

খঁচা খুলা হাঁহি—খিলখিলীয়া হাঁহি (খবিচা জাল হ'বলৈ বাঁহ পাত খুলোতে খিলখিলাই হাঁহিব লাগে বুলি বিশ্বাস) (ডাক্তিয়া অর্থত ।)

খছ্‌খেটীয়া—বিণ. খছ্খচীয়া; যাকে কা নোহাবিলে খালি পিতলি দৈহে থকা যেন লগা

খজা লাগ/খজাখাদ্—গধাৰ খব্; খোৱাৰ পাচত খাঁটিহ বস চুহি লেটুকীয়া হবলৈ আহুত কৰু

খট্খটীয়া—বিণ. পানী নথকা; শুকান; যেনে— মাটি ভোকত শুকাই খট্খটীয়া হৈ থাকেই ।

খটাসুৰ—বি. অতি দুষ্ট

খটুৱা—বি. সেন্দুৰ আদি থবৰ কাৰণে সজা কাঠৰ সৰু খটুৱা

খনাখনি—বিণ. বহুপৰিমাণৰ; (কা-মৰূপত ভাঙ্গিলা অর্থত ।)

খনিকৰ— বিণ. বকবা কামত পাৰ্গত

খন্তিপাতা—বি. চৰাই পোৱালিব গাত গজা খন্তিৰ আকৃতিৰ পাখি

খপুৱা পৰ্—জুৰ লাগল সেৰ হ; কৰকৈ বন্ধ দিবলৈ হব (বি-শেষকৈ কলৰ জোপাত খাটে ।)

খপৌজপৌ, খৌজবৌ—বি. খপ-জপ; 'কি কৰোঁ কি নকৰোঁ' কৈ বিতত থকা কাৰ্য্য

খব লাগ্—গছত থকা ডাল মাৰিকলৰ বাকলিৰ খঁড খুঁত উবাহি বা খাক ভিতৰৰ পাহত চেকুৰা-চেকুৰি দি

খৰ উঙাহ কাঢ়—পিমল-পীয়লকৈ উঙাহ কাঢ় ২। পীয়ল পীয়ল হৈ উঙাহ হৈ মৰাৰ ভিল লেকুৱা

**খঁৰকা**—বি. খৰিকা; খাই উঠি মুখ খোওঁতে দাঁতৰ ভিতৰৰ খোৱা বস্তুৰ টুকুৰা উলিয়াবলৈ ব্যৱহাৰ কৰা সৰু কাঠী; ২। শৰণ খেৰৰ চুটি টুকুৰা

**খ'ৰকাই দি মাদাম কৰা**—উপ-যুক্ত ভাৱে কাম নকৰি কেৱল কৰাৰ নাম কৰ্

**খৰ্কা-জহা**—বি. আগৰপিনে ডুং খকা এবিধ জহা ধান

**খৰগুণীয়া**—বিণ. বেছি পাক খোৱা

**খৰ্চা**—বি. খৰচ

**খ'ৰচা**—বি. = খ'চ্চা

**খৰভাজেনী**—বিণ. আনতকৈ খৰকৈ কাম কৰি দেখুৱাব খোজা (তাচ্ছিল্য অৰ্থত তিৰোতাত খাটে।) যেনে—খৰভাজেনী কাপোৰৰ মাক। খটৌ খটৌ বোৱেই তাঁত॥ (ফকৰা)

**খৰমজুৰা**—বি. তৰমুজা; খৰালি মাটিত বগাই হোৱা লতাজাতীয় গছ আৰু তাৰ ৰহগুটীয়া ফল

**খৰমা**—বি. কৰমা; সাধাৰণতে ভাদ-আহিনত পকা এবিধ আহু ধান

**খৰ্মা-তলী**—বি. কৰমা ধান কৰৰ উপযোগী মাটি

**খৰ, খৰমিঠৈই**—বি. ভুনীয়া গুৰ পগাই ফুটত তুলি বৰণীয়া কৈ সজা বা চাবিচুকীয়াকৈ সৰু সৰু কৈ কটা মিঠৈ

**খৰ্লি, খলি, খলিদিন, খলিমাহা**—বি. খৰালি; খৰালিকাল; খাৰি-যাৰ পিছৰ বতৰ

**খৰা**—বি. পানীয়ে ভগাৰ কাৰণে হোৱা আলিবাটৰ দ অংশ

**খকৰা-কঁুহিয়াৰ**—বি. এবছৰ কটাৰ পাছত মূঢ়াৰ পৰা ওলোৱা গজালিৰ পৰা হোৱা কঁুহিয়াৰ

**খকৰা পৰ্**—কঁুহিপাত আৰু বাকলি অ'ত ত'ত শুকান হ'বলৈ ধৰ্ (ফলত খাটে।)

**খল্পাচাৰি/চটীয়াচাৰি**—বি. এখন-দীয়া চাৰি; ডলত কেনেপ নিদি-বাকৈ আৰু বাও নাবাফি মুখি খোৱা চাৰি

**খলহানা, খলহিনা, খঃহিয়া**—বি. খলিহা; খলিহনা; কাৰৈ মাছৰ আকৃতিৰ এবিধ সৰু মাছ

**খল্হেই**—বি. খলিহৈ; সৰিয়হ, তিল আদিৰ তেল পেৰোঁতে ওলোৱা পিটা

**খলি, খলিগুটি, খোলেই, খোলেই গুটি**—বি. খলিখেদা; এটা শাৰীত পাঁচটাকৈ একেলগে দুশাৰী খলি কৰি খলিটোৱে পতি পাঁচটাকৈ গুটি দি কৰা খেল

**খলিহা ভুতে ধৰা**—ৰব খকুৱা

**খলি, খলিদিন, খলিমাহা**—বি. = খৰ্লি

**খলৌ-মলৌ / খিলৌ-মিলৌ**— বি. পনীয়া বস্তু জমাচবা কৰোঁতে হোৱা শব্দ; যেনে—দৈ শাৰীৰৰ খলৌ মলৌ। মুখৰ ভতাহ বুকত পলৌ॥ (ফকৰা)

খহৰা ভোকেলী—বি. চুকভেকুলী; গাত খহ থকা, খৰৰ চুকৰ এবিধ ভেকুলী

খহৰাগোন্ধ—বি. গন্ধক; চৰ্মৰোগ-নাশক ঔষধজাতীয় এবিধ বস্তু

খাইখাজোচ—বি. মূলধন সুধাই পোৱাৰ পৰিবৰ্তে বন্ধকী মাটি নিৰ্দিষ্ট সময়লৈ ভোগদখল কৰাৰ বন্দবস্ত

খাই দাই, খাই দেই—ক্রি.বিণ. খাই বই; খাই উঠি

খাইপাহাৰা—খাই পাতকলা; অপ-নাগী; উপকাৰীৰ শলাগ নোলোৱা; স্ত্রী—খাইপাহেৰী

খাইভোঁহ—বিণ. খাই-গাহৰি অকৰ্মণ্য; অকামিলা

খাউৰীয়া— বি. খাওঁতা ঘৰৰ খাওঁতা পৰিয়াল; ২। বিণ. অকৰ্মণ্য

খাউৰীয়া দি—এদিনীয়াকৈ খাই বৈ বেতন নোলোৱাকৈ কাম কৰি দি; যেনে—দহটা মানুহে ধানকাটা খাউৰীয়া দিলে।

খাখা, খোখা—বিণ. তলিউদং; হতভ টকা-পইচা সমূলি নোহোৱা হোৱা; যেনে—জুলি পচেই পচেই সি খোখা হ'ল।

খাখাৰ—বি. খেকাৰ; ডিঙিৰ পৰা উলিওৱা কফ

খাখাৰখাৰা, খাখেৰিখাৰা—বিণ. খেকাৰখোৱা; বেয়া কাম কৰোঁতা (গালি); স্ত্রী—খাখাৰখাইতী; খাখেৰিগাইতী

খাজি—বি. খোকাউৰি; চকু আদি তুলি খবৰ কাৰণে সজা খোকাৰ আকৃতিৰ বাঁহৰ বস্তু; ২। গাখীৰ, গুড় আদিৰ টেকেলি ধৰি ৰাখিবৰ বাবে তলত আধাৰি দি সজা সিকিয়াৰ আকৃতিৰ সৰু বস্তু

খাজিলা—স. ধা. খঁকনিয়া; পেটৰ ওপৰ ভাগ পিঠিৰ ফালে খোঁচাই দি

খাখেৰি—বি. খাখৰ; নাকৰ ভিতৰৰ শুকান শেঙুন

খাগৰা—বি. খাগৰি; কুঁহিয়াৰতকৈ সৰু ডেঙৰ আকৃতিৰ বন

খাঙাৰা—বি. খাং; বাঁহৰ কাঠীৰে সজা এবিধ সঁজুলি

খাটিয়া—বি. সৰু খাট

খাটিৰ, খাটিৰা—বি. খটিৰা; নিৰ্দিষ্ট দিন; যেনে—নিৰ্ণিতাটোৰ বিয়াৰ খাটিৰ বহ্‌ছু।

খাটিৰ দি—দিন ঠিক কৰ্

খাটিৰা—বি. = খাটিৰ

খাটিৰা ভাৰ—বি. বিয়াৰ দিন ঠিক কৰিবলৈ দৰাঘৰীয়াই কইনাঘৰলৈ নৈ যোৱা ভাৰ

খাটিৰে—ক্রি. বিণ. কাৰণে

খাটিৰেখাটিৰে—বন্দবস্ত কৰা দিন অনুসৰি; যেনে—সি খাটিৰে খাটিৰে টকাখিনি বুজাই দিলে।

খান্দি—বি. অধিকতৰ পাবলৈ ধৰা

ইচ্ছাৰ প্ৰকাশ; যেনে—তাৰ বিহে খাপি, এইখিনি সৰ্বহাত খাকা টান।

খামুচা—বি. খামোচ; হাতৰ আঙু-লিবোৰ চপাই চেপি ধৰা কাৰ; ২। খিণ. হাতৰ আঙুলিকেইটা কোঁচাই ধৰি যিমান আনিব পাৰি তিমান পৰিমাণৰ

খামা—বি. টোকন, খোৰা আদিৰ মুখ নাকাটিবলৈ লগোৱা মো আদিৰ বেৰী

খামালা—বি. খমলা; গোটমৰা জু-নীয়া বস্ত

খাৰগাঁঠি—বি. সৰুগাঁঠি; ভৰিৰ গেৰোৱাৰ ওপৰত থকা গাঁঠি

খাৰৰ ছটা—খাৰণি-সটা; খাৰ সবোৱা সাধাৰণ পাত্ৰ

খাৰ্পি—বি. বাউসি মেলি দিলে ভৰিৰপৰা বিমান ওখ হয় তিমানৰ জোখ; যেনে—পানী এক খাৰ্পি হবো।

খাৰীচোলা—চহা মানুহে পিন্ধা এবিধ হাত নোহোৱা বা চুটি হাতৰ চোলা

খালুনীয়া ঔষধ—পনীয়া খাৰ আৰু আন কেইপদ মান বস্তুৰ ৰস পাগি তৈয়াৰ কৰা গাৰ বেমাৰৰ ঔষধ .

খালাংখিচিং, খিখিজিখি, খিজিং-খিচিং—বি. খেলিমেলি; বিশৃঙ্খল

খালেই—বি. খালৈ; বাঁহৰ দৈবে কৈ যোৱা ঠেকেলিৰ আকৃতিৰ মাছ থোৱা বতন

খালেইতো মৰ্ছি বা—পাৰলগীয়া বস্ত উপযুক্ত ঠাইত নিবিচাৰি ঠাইতে পাবলৈ ইচ্ছা কৰ্

খাৱাতেল, খোৱাতেল—বি. খাই তেল; সৰিয়হৰ তেল

খিউ / চিউ—বি. একে উশাহতে 'খিউ' বা 'চিউ' শব্দ দীঘলকৈ টানি এডবা মাটিৰ ভিতৰত খুৰা ল'ৰা-ছোৱালীৰ এবিধ খেল

খিজ্—সা. ধা. ভৰ্ৎসনা কৰ্; দোষৰ কথা কৈ মৃদু গালি পাৰ্

খিজেনি / দাঁতি খিজেনি— বি. ভৰ্ৎসনা; মৃদু গালি

খিখিজিখি—বি. = খিলিংখিচিং

খিলটা ওলা, খিলটিঙা ওলা—বৰকৈ ক্ষীণ; হাড়-ছাল ওলা; যেনে—দাঁতি খিজেনি খাই খাই ছ'ল-টোৰ খিলটা ওলাল।

খিলাবাৰি —বি. তাঁতশালৰ টো-লোঠা ধৰা শলা; কান-দিয়া বাৰি; টোলোঠা টানকৈ ধৰি ৰাখিবৰ বাবে ইয়াৰ এমুৰত থকা বিন্ধাত সুমুৱাই বেঁকাকৈ বখা বাৰি

খিলিখিচিং—বি. = খালাংখিচিং

খিয়েতি—বি. খ্যাতি; যশস্যা

খিয়েতি পেজা, খিয়েতি পেলেই এৰ্—অপযশ দৈ বা; যেনে—ভাল ঘৰৰ ছুলি হৈ নি চোৰ কৰি কালনুলেপি খিয়েতি পেলেই এৰ্ৰা।

খুজুৰী—বি. খঞ্জৰী; একাষে খকোৱা এবিধ সৰু বাদ্য

খুঁটি ভৰ বা—শব্দ কাঢ়িব কৰি খাব

খুঁটিয়া—বি. খুঁটি; কড় মানুহৰ ভাত বাঢ়োতে চৌ কৰি বাকি-ৰখা ব্যৱহাৰ কৰা গছৰ ডালৰ বা বোৰ মাৰিৰ তিনিটা খুঁটি

খুঁটিয়া মাৰ্—চৌ খুঁটি জুৰি নিজে নিজৰ ভাত সিজাই খা

খুখুৰি—বি. খুকুৰি, অলপ সন্দেহ, অলপ অতৃপ্তি

খুচুং খাচাং, খুচুৰ-মুচুৰ—বি. ইটো সিটো সৰু ধৰুৱা কাম, যেনে— বুঢ়াই বাৰীত খুচুং-খাচাং কৰি আছেই।

খুট্ খাট্, খুটুং খাটাং—বি. সৰু কাজিয়া, যেনে— শাহুৱাক বোৱাৰীয়াকৰ ভিতৰত খুট্খাট লাগি থাকেই।

খুতৰ—বি. খুতুৰা, টুকুৰা

খুতুৰা—বি. খুতৰা, চাঁকলি; এবিধ বনৰীয়া শাক

খুজেন্তি—বি. খজুৰতি, খজুৱা বেমাৰ

খুন্—স. ধা. খান্

খুন্হ, খুনুহ্—বি. বহুত দিন মনত সাঁচি লৈ থকা বেয়া ভাব; যেনে—মোৰ খুনুহতে সি জিকি-বাটোক অপকাৰ কৰা।

খুনুহ পাব্, খুনুহ পাৰ্—মনত সাঁচি লৈ থকা হিংসা পূৰণ কৰ্

খুলহাজি, খুলহেঁজি—বি. খুলশালি; বৈণীৰ ভাই বা ভনী

খুলীয়া-ভাউৰীয়া—বি. অংকীয়া ভাওনাৰ লগত কিছু মিল থকা মংগলদৈ অঞ্চলৰ ভাওনা

খুহ্খুহোনি—বি. খুদুৰনি; উসুল-খুগুল ভাব

খেচামি, খেচেমি—বি. আমনি লগা খাটনি

খেজুৰি—বি. খাজুৰি

খেত্খেত কাৰেই, খেতখেতীয়া, খেতেঙা—বিণ. হাড় ওলোৱা; ক্ষীণ (বিশেষকৈ গঁাহ পাৰত খাটে।)

খেদ—বি. আগ্ৰহ; হেঁপাহ; যেনে—কুঁইহাৰ ডোবল মহপহুকে খাটি আইছি, গৰু ম'হৰ খৰ খেদ।

খেদি খা—জুতি লগা কাৰণে আগ্ৰহ কৰি খা, যেনে— বঁঠা বিলৰ মাছৰ বিহে জুতি, খেদি খাবা লাগা।

খেনি—বি. কম পৰিমাণৰ বোজন; যেনে—বাৰ হাত কাপোৰত পৰে-লি খেনি পৰা নাই।

খেৰ্খেৰীয়া—বিণ. পাতল; কম বোকা; (বাচনত খাটে।)

খেৰতলী—বি. খেৰণি; উসুৰনি; খেৰ থকা ঠাই

খেকেৰখেকেং—বি. অনৰ্থক কথা বতৰা বা কাম; যেনে—চুকি-

মখাই ওচৰতে খেলেংখেচেং কৰি আছেই।

**খেলাখল্‌পীয়া**— বিণ. হেগাচো-ৰোকা; বিশৃঙ্খল; যেনে—ইয়াৰ কামগিলা খেলাখল্‌পীয়া, একো চিজিল নাই।

**খেলুৱেই**—বি. খেলুৱৈ; খেলাওঁতা

**খেলৌখেচৌ**—বি. কেইবাজনো মানুহে একেলগে কৰা অদৰকাৰী আলোচনা; যেনে—তহঁতে কি খেলৌখেচৌ কৰি থাকা? কিবা এটা কৰি পেলউ।

**খেৰলি, খেৰেলি**—বি. খেৰালি, বাহুৰ ওপৰত লৈ এটা ভাগ পানীলৈ দলিয়াই দি মাছ ধৰা এবিধ জাল

**খেহ্‌খেহা**—অ. ধা. অসন্তোষৰ ভাব প্ৰকাশ কৰ্; যেনে—মোৰ ওচৰত খেহ্‌খেহেই থাকিলি কি লাভ হবো?

**খেহেতি**—বি. মলিৰ খূপ; যেনে—বানপানীত আহা খেহেতিগিলা বোৰাতলীৰপেৰে গুচেই দি।

**খৈমাটি**—বি. খড়ীমাটি; লিখাৰ উপযোগী এবিধ বগা মাটি

**খোখা**—বি. বাঁহৰ দৈৰে বৈ লোৱা এবিধ বতিন; যেনে—খোখাটোত মহৰা আছেই।

২। **খোখা**—বিণ. = খাখা

**খোখা পাত, খোখা পিট্‌**—পাৰলৈ আনা পালি থাক্; যেনে—তাৰ তাগৰখিনি পাইছিয়ে আৰু পাবো বুলি খোখা পাতি আছেই।

**খোচ্‌নাম**—বি. খুচনাম; সুনাম; যশস্যা

**খোচোনা**—বি. খৰ্চনা; খেৰীঘৰৰ খুঁটা সলোৱা আদি কাম কৰোঁতে ছাল দাণ্ডি দিয়া চোকা

**খোচোৰা / লাৰা**—বি. ওখনেৰে ধানৰ মৰণা তল ওপৰ কৰা কাম; যেনে—ধান সৰা নাই যেদি আৰু এক খোচোৰা দি।

**খোখোন্দা**—বিণ. অকামিলা; অকৰ্মণ্য; বাঁহ-বেঁতৰ কাম নজনা; যেনে—

খোখোন্দাই খখুৰি বোৱেই।
পাত পাৰি ঔটেঙা খৰেই॥
(ফকৰা)

**খোত, খোদ**—বি. খৰ; খৰবাগৰ; মূৰটো তললৈ গুজি ধৰি ভৰি দুখন ওপৰলৈ তুলি বিপৰীত কালে পেলোৱা কাম

**খোত খাই পৰ্**—বোজ কাঢ়োঁতে উলটি পৰ্

**খোদাল**—স.ধা. খোদাল; বোকা-তোল্, লেতেৰা কৰ্ (পানীত খাটে।) ২। ওলট পালট কৰ্; যেনে—ছলিগিটাই কিতাপবোপা খোদেলি পেল্‌ৱা।

**খোদেজি-পুৰাণ**—বি. খেলিমেলিৰ বাহ; যেনে—গিহাঁতৰ বিয়া মহৰ এখান খোদেলি-পুৰাণ হৈছি।

**খোদোল-মোদোল**—বিণ. ওলটপালট; খেলিমেলি ; যেনে—ইয়াঁতে কিতাপ কাগজবিলা খোদোল মোদোল কৰি পেলেইছি ।

**খোপেৰি, খোপেলি**—বি. অন্ধকাৰ চুক, আওহতীয়া ঠাই

**খোবেতী**—বি. খুৰী, খোৰা তিৰোতা

**খোমা**—বি. প'হা, বেতেৰি, তেল পেৰোঁতে সৰিয়হ ভৰাবলৈ ব্যৱহাৰ কৰা বেঁত বা পাটগৈৰে বৈ লোৱা সৰু যতন

**খোমাগাজা**—বিণ. পলাৰ দৰে ওফন্দা গাল থকা, স্ত্রী—খোমাগানী

**খোৰ, খোলং**—বি. গুটি-খেল, কেইবাটাও গৰখীয়া ল'ৰাই লৰু মাটিত লগাই কৈ মাৰি পঠিয়াই কৰা এবিধ খেল

**খোলাচাপেৰী পিঠা / হাতাৰমুখী-পিঠা**—বি. পিঠাগুৰি গুলি লৈ তপত চৰুত দি খুৰণীয়াকৈ সজা পিঠা

**খোলাত দিয়া মাছ / চৰুত পোৰা মাছ**—বাকলি নুগুচুৱাকৈ বাছি, ধুই, হালধি-নিমখ সানি, তেল নিদিয়াকৈ তপত চৰুত দি খৰখৰীয়া কৰা মাছ ( পুঠি-খলিহা আদি সৰু মাছৰ এনেকৈ খোলাত দিব পাৰি ।)

**খোলেই, খোলেইগুটি**—বি. = খলিগুটি

**খোলোং**—বি. খোৰোং, খোল

**খোৱা**—বি. বছৰ; যেনে—এইখোৱা জেঠ-আহাৰত বৰষুণ হোৱাই নাই । ২। বাৰ, যেনে—মযো একখোৱা খুৰি চাওঁ ।

**খোৱাতেল**—বি. = খাৰাতেল

## গ

**গইছ্**—বিণ. গধুৰ; ওজন থকা ; যেনে—বানৰ ভাৰখান বৰ গইছ্ হৈছি, দাঙ্ব্ নৰি ।

**গজখোৱা**—বিণ. ধ্বংসকাৰী, যাৰ হাতত বস্তু ধ্বংস হয়

**গজমুৰা লাগ্**—বাঢ়িব নোৱাৰা হ; যেনে—সাৰ-গোবৰ নাপাই গছৰ পুলিপিটা গজমুৰা লাগিল ।

**গজলা**—বি. গজাল, কাঠ বাঁহ আদিত মাৰিবৰ কাৰণে তৈয়াৰ কৰা লোৰ একাষে জোঙা কৰা চুটি খুঁটি

**গজলা**—বিণ. গজলিয়া, সহপহকৈ বাঢ়িবলৈ উপক্রম হোৱা; ভিতৰত গাৰ নোহোৱা (গছত খাটে ।)

**গঠীয়া-ঘূমক**—বি. গঠীয়াঘূৰি; লোৰে তৈয়াৰ কৰা চুটি ছিলৈ, ২। চুটি-চাপৰ মানুহ ( ব্যঙ্গ অৰ্থত )

**গজেজি, গাজেজি**—বি. গজালি; গাজ; মহ, ইকৰা আদিৰ পোখা, নতুনকৈ গজি উঠা বাঁহ ২। বিণ. নতুনকৈ গজি উঠা;

যেনে—গাজেলি বাঁহ।

**গড়খাই**—বি. গড়খাৱৈ; পানী বৈ যাবলৈ খান্দি দিয়া জান

তুলনীয়—

গড়খাই পুতি গড় ভাঙ্গিলা নিশেষ।
গুচিল পতাকা ধ্বজ তোৰণ বিশেষ॥
[ভাগৱত—৪র্থ]

**গড় দি**—কাটিবৰ সুবিধাৰ কাৰণে ওৰ পকা ধানৰ গছ দীঘল বাঁহ এডালেৰে একাষৰপৰা হেচুকিয়া

**গড়নিয়া, গড়হেনিয়া, গন্নিয়া**—বি. গেৰণিয়া; মাটিৰ তলত বৈ যোৱা বাঁহৰ ভগা খুঁটা আদিৰ অংশ

**গঁড়া**—বি. খঁৰা; গণ্ডা; চাৰিটাৰ লেখ

**গড়ীয়া**—বি. বাঁহৰ বেৰ ধৰি ৰাখিবৰ বাবে খনুৱাৰ তলত দিয়া সৰু দীঘল বাঁহ

**গঢ়ন, গঢ়ন-বানচ, গঢ়োনি, গঢ়েনি-বানচ**—বি. অলংকাৰ গঢ়াৰ বাবে সোণাৰীক দিয়া মজুৰি

**গণ্ডাগণ্ডি, গেণ্ডাগেণ্ডি**—বিণ. বহু সংখ্যক; যেনে—আজিকালি গাওঁতো মটৰ চাইকেল গেণ্ডাগেণ্ডি হৈছে।

**গদি**—বি. গাদি; দা-কটাৰী আদিৰ ধাৰৰ বিপৰীত ফাল

**গধিয়া**—বিণ. গালি-মাৰ খাই খাই লগধা হোৱা; যেনে—মাক-বাপেকৰ গালি খাই খাই সি গধিয়া হৈছে।

**গধুলি-বেলা, গধুলি-বেজিয়া**—বি. গধূলি; গন্ধিয়া

**গনা**—বি. গোনা; ডাঙৰ মতা ম'হ; ২। বিণ. খুজাক; হাই-কাজিয়া কৰি থকা; যেনে—ডেকা তেজ পাই গাওঁখনত সি গনা হৈ উঠিছে।

**গন্নিয়া**—বি. = গড়নিয়া

**গন্থনা**—বি. আলোচনা; যেনে—আমি গোটাইখিনি ভায়ে কথাটো গন্থনা কৰি চাওঁ।

**গপেনি, গেলপোন**—বি. বতাহ নবলাৰ কাৰণে হোৱা গৰমৰ গপ্ গপনি

**গভন**—বি. নৈ, পুখুৰী আদিৰ পাৰৰ অলপ দ অংশ

**গভিয়া**—বি. বেতন নোহোৱা চাকৰ

**গভিয়া ৰ**—কেৰাৰি খাট্, গেৰাৰি খাট্; বেতন নোহোৱাকৈ কাম কৰি দি

**গৰ্জা দেউতাই বৰষুণ নেদেয়**—আড়ম্বৰ বেছি হ'লেও ফলপোৱা নাযায়

**গঁৰাল**—বি. গঁৰাল, জন্তু থবলৈ কৰা ঠাই

**গৰল জাম্**—কটা বা হলে বিন্ধা বা উঠিছে বৰকৈ বিষা

**গৰহেনিয়া**—বি. গ্ৰহণী ৰোগ

**গৰিয়া, গৰিয়াল**—বি. গাৰি; কাপোৰৰ মূৰত বা মাজত ডাঙৰ সূতা বৈ পৰা ৰেখা; যেনে—পকোৱা সূতাৰ গৰিয়াল দিয়া

খনিয়া

**গজগঁতা, গজতা, গজহতা**—বি. গঁজা; ঠিতিত ধৰি আগলৈ ঠেলা মাৰি দিয়া কার্যা

**গলচিহ্ন**—বি. গলৰ ভৰি; যেনে—দুখ নকৰাকে গলচিহিৰ গোবৰ-লেপি খাবা পাইছা ।

**গলৌ-গপৌ, / গিজিং-গিথিং**— বি. উগ্‌লথ্‌গ্‌ল ভাব; কি কৰোঁ কি নকৰোঁ ভাব; যেনে—যেন-লেগি যাওঁনে নাযাওঁ গলৌ-গপৌ লাগ্‌ছি ।

**গলৰ ডোল, গলৰ মাদেলি**—হাড়মাল; এবিধ নোৱাখা খোজা; যেনে—মামবীয়া ছলিগিটা মোৰ গলৰ ডোল হৈছি ।

**গলি, গলিঘৰ**—বি. গোহালি; গৰু বন্ধা ঘৰ

**গহিৰা**—বি. কেৰামতালি; কাকো কেৰেপ নকৰা স্বভাৱ; যেনে—তাৰ বৰ গহিৰা, ভাঙাথে মাতি-লিও ন'কৰা নোখোজেই ।

**গৰৈ**—বি. গৰৈ; গলতকৈ সৰু, তেনে জাতিৰ এবিধ মাছ

**গৰৈ-পিপিলা**—বি. গৰৈচিকিকা; সৰু গৰৈ মাছ

**গাওঁকুচেৰিয়া**—বি.=কুচিচঅঞ্চলীয়া

**গা খালাচ হ**—সন্তান প্ৰসৱ কৰ্

**গাগাজ**—বি. গাগল; আৰি জাতীয় বাকলি নথকা এবিধ মাছ

**গা-জোজাৰা, গোজাৰা**—বিণ. তেৰৰ সম্পূর্ণ বন্ধ; যেনে—ভৰ্‌ত মোৰ গা-গোজাৰা দেখিহে বিচেৰি আইছু ।

**গাহ**—বি. গছ

**গাছখোলা**—বি. খাচেচোকা; ঠোঁ-টেৰে গছ খুলি পোক খোৱা এবিধ চৰাই

**গাছবজি**—বি. বাজবৰালি; বৰ জাতৰ ববালি মাছ

**গাছী**—বিণ. গছী; গছেৰে সৈতে থোৱা (বাগত খাটে ।)

**গাছুৰেই**—বিণ. গছোবাই; গছত উঠাত পাকেত মানুহ;
যেনে—তৰপানীৰ গাছ্‌ৰেই ।
টেপোৰ টেঙাৰ গাছ্‌ৰই ॥
( ফকৰা )

**গাছ্‌ড়ি**—বি. গাঁওৰি; গাৰ কোনো ঠাইত হোৱা বেদনাৰ কাৰণে কাৰমতি বা ফকতমৰ চুকত হোৱা কেঁচুনা

**গাজিনী**—বি. গাগিনী; মূৰত জালকৈ চিকা, গা-গাতৰ, দীঘল পেট থাক ঠেং থকা এবিধ পতঙ্গ

**গাজিমাৰ, গাজিৰাখাৰ**—বি. অধ বিশ্বাসৰ কাৰণে হোৱা অনর্থক কষ্ট

**গাজেলি**—বি. গাজলি; নেৰৰ শুৰ

**গাজলি**—বি.=গজেলি

**গাঞা**—বি. গঞা; একে গাওঁতে থকা লোক

**গাঞাগিৰেড়ি**—বি. গোতগিৰেড়ি; গাওঁৰ আক নিজৰ সম্প্ৰদায়ৰ লোক

গাটোকা—বি. গামোচা; তাঁত-শালত বৈ লোৱা গা মোচা কাপোৰ

গাঠুৱা—বিণ. গাঠনু; চাপৰ আৰু শকত; বাঢ়িব নোৱাৰা (মানুহত খাটে); যেনে—লিকিবাটো গাঠুৱা লাগি আছেই, বাঢ়ুবা পাবা নাই। স্ত্ৰী—গাঠুৰী

গাঠীয়া—বিণ. চুটি-চাপৰ

গাঁতা—বি. গাঁত; মাটি খহি হোৱা বা মাটি খান্দি কৰা অলপ দ ঠাই

গা'নকা/জাতেনি--বি. বাঢ়াৰ সুলক্ষণ

গাফেলি—বি. গাফিলি, আ'ওহেলা; অমনোযোগ

গা-বান্ধ—আনে কূটমন্ত্ৰ কৰিব নোৱাৰাকৈ, দেওভূতৰ ছিদ্ৰ নালাগিবলৈ মন্ত্ৰ প্ৰয়োগ কৰ; ২। কুমন্ত্ৰ প্ৰয়োগ কৰ্; যেনে—কোনোবাই গা-বান্ধি থৈছি, সেই কাৰণে গা-খালাচ হৱা নাই।

গাবুঝি ক—গা-দাঙি ক, সাহকৰি ক

গাভিন্—বি. গাভিনী; গৰ্ভৱতী (জন্তুত খাটে।)

গাম্‌ফ্ৰৌ—বিণ. হলৌ; গাৰ জোখত কৈ ডাঙৰ আহল বহল, (চোলাত খাটে।)

গাম্‌বুঢ়া—বি. গাওঁবুঢ়া; গাৱঁৰ মুখীয়াল হিচাপে চৰকাৰে নিযুক্ত কৰা লোক

গাৰ বস যা, গাৰ সদ যা—গাসুৰি যা; তিৰোতা মানুহৰ ঋতু কালত বা অইন সময়ত অধিক ৰক্তস্ৰাৱ হ

গাঁৰিভোজ—বি. মানুহ মৰিলে অশৌচৰ অন্তত খেল-জাতিক খুউৱা ভোজ (চহামাত)

গাঁৰি ভোজ খাৱা—বিণ. অশৌচৰ অন্তত দিয়া ভোজ খাবলৈ পোৱা (গালি; এটা সম্বন্ধপদৰ যোগত ব্যৱহাৰ হয়); যেনে—বাপেৰ গাঁৰি ভোজ খোৱা; স্ত্ৰী—বাপেৰ গাঁৰি ভোজ খাইতী

গাল—বি. দাঁতি, কাষ; যেনে—নদীৰ গালত গাছ এডাল আছেই, সেই গালে নাযেবি।

গালুৱা—বিণ. গালি পৰাত পাকৈত; স্ত্ৰী—গালুৰী

গাৱেঁ মাৱে সোমান—নিজৰ গাৱঁৰ বাইজৰ মতক মাতৃৰ বচনৰ দৰে শ্ৰদ্ধা কৰিব লাগে

গাহান—বি. গীত; গান; যেনে—চুলীয়াইঁতে গাহান গাইছি।

গাহাম—বি. ধৰ জুতিৰ; যেনে—ভোজ কেনে? গাহাম, গাহাম।

গিৰহ—বি. গৃহস্থ; ঘৰৰ গিৰিহঁত; মালিক; স্ত্ৰী—গিৰহ্‌তেনী; গিৰাতেনী

গিৰিখাদা—বিণ. গৃহস্থী ধ্বংস কৰা মানুহ; স্ত্ৰী—গিৰিখাইতী

গিৰিঘৰীয়া—বি. গিৰিঘৰৰ মানুহ;

কোনো এখৰৰ মানুহ

গিৰিমৰা—বিণ. গিৰিৰ্হঁত মৰি চুকুৰা; (গালি উপভৈাৱা গৰু আদিত খাটে।) স্ত্ৰী—গিৰিমৰী

গিয়েতি—বি. নিজৰ জাতিৰ লোক; যেনে—বাইজে বাজা, গিয়েতিয়ে গঙ্গা। ২। মানুহ মৰিলে শৰাধৰ দিনা প্ৰথমতে জা-জলপান বা ভোজ-ভাত মুখত দি পো-পোৱালিক শুদ্ধ কৰা লোক

গিয়েতি-সেৱা— বি. জ্ঞাতিসকলৰ আশীৰ্বাদ কামনা কৰি দিয়া ভোজ

গিৰিত্‌কে—ক্ৰি. বিণ. গিৰিসাই; বেগতে; সোনকালে

গিলা—প্ৰ. (বহু বচনত ব্যৱহাৰ হোৱা প্ৰত্যয়)

গিস্নিং গিথিং—বি. = গলৌ গণ্ডৌ

গুছি ল-গোছ ল, ভাল দিন বাৰ চাই ৰীতিমতে শালিধানৰ খেতি বোৱা আৰম্ভ কৰ্

গুটিয়া—না. ধা. কটা শৰণ খেৰ-বোৰৰপৰা আখৰ কাঢ়ি গোট গোটকৈ বান্ধ্

গুতিয়া—না. ধা. ধান কটাৰ পাছত পথাৰত বৈ যোৱা ধানৰ শীহ এটা এটাকৈ বুটলি এক গোট কৰি গোঁঠ

গুদাম—বি. বুটাম; ২। মঙ্গলদৈ নগৰ (পুৰণি নাম)

গুপুনী—বি. গোপিনী সবাহ, তিৰো-তা মানুহে নাম-গুণ গাই কৰা সবাহ

গুমাজ—বি. গোমোঠা; ডাৱৰীয়া; যেনে চাকি বতৰ (বস্তুবত খাটে।)

গুৰ্‌ধীয়া—বি. গৰখীয়া, গৰু চৰোৱা ল'ৰা

গুৰখীয়া ছেঁৱা—বি. একখণ্ড মেঘে কিছু সময়ৰ বাবে বেলিৰ চোকা ৰ'দ ঢাকি ৰখাৰ কাৰণে পৰা ছাঁ

গুৰখীয়া ভ.ৰ—বিয়াৰ দিনা কইনাৰ ঘৰলৈ নিয়া আগভাৰ

গুৰখীয়া-সেনীয়া—বিণ. চাৰিটা গৰখীয়া ল'ৰাই সাজিভাৰ কৰি কঢ়িয়াই নিয়পৰা (পহু আদিত খাটে।)

গুৰি—বি. গুৰা, জাল বা মকৰী পানীত তল যাবলৈ খাতি দিয়া লো, শীহ আদি বস্তুৰ গুটি

গুৰাটোকোৰা/চোকা—বি. তামো-ল, নাৰিকল আদি গছৰ পাতত ওলমাই থাহ সজা এবিধ সৰু চৰাই

গুতলী / হাগাবাকাৰা—বি. গুন্দনি; হগনাতলী

গেজাকিজা—বি. কিলাকুটিৰে মৰা টান আঘাত

গেজা খা—ভৰিৰ তলুৱাত অকস্মাৎ টান বস্তুত হেঁচা খাই বেদনা হ

গেজাতুকি, গেজাতুকু, গেযেজীয়া-তুকু—বি. টানকৈ মৰা ভুকু

গেট্‌টেপা, গেস্‌টেপা, গেব্‌টেপা, গেলেহ্‌গেটা—বিণ. বাঢ়িব নোৱাৰা, খুটিবুটীয়া (মানুহ আৰু জন্তুত খাটে।)

গেঠেলেনি—বি. লেহেৰ গতি; যেনে—বিটোহে গেঠেলেনি, সি আজি স্কুল নাপাবো ।

গেণ্ডাগেণ্ডি—বিণ. = গণ্ডাগণ্ডি

গেণ্টেপা—বিণ. = গেট্‌টেপা

গেন্‌তাহ, গেন্দাহ—বি. গণিতা; কেৰেপ, যেনে—সি আমাৰ কথাক গেন্‌তাহ নকৰ্‌লা ।

গেদা, গেৰা / হেৰাগেৰা—বি. গেদ; জ্‌লীয়া বস্তুৰ পাত্ৰত তলত পৰা মলিয়ন অংশ; যেনে— তহঁতে ভালখিনি খাই গেদাখিনি মোল্‌লেগি থৈছা ।

গেম্‌থিয়া-গেম্‌থি—বি. দন্ত ভাবেৰে কওঁ নকওঁকৈ কোৱা কথা; ২। যাওঁ নাযাওঁ ভাব

গেমেহকে—ক্রি. বিণ. শব্দ হোৱাকৈ ( যাব কিলত খাটে ।)

গেমেজীয়া ভুকি—বি. গেমেহা-ভুকু, শ্বেৰেহ শব্দ হোৱা ভুকু

গেৰ্‌কেনি—বি. গেৰ্‌কনি; মলিন বস্তু, পানী আদি পেলোৱা ঠাই

গেৰ্‌টেপা—বিণ. = গেট্‌টেপা

গেঁৰ লেধীয়া, গেঁৰেধীয়া—বিণ. গেঁৰলেনীয়া; পেটটোৰেই যাৰ সাৰ; পেট্‌ৰা; ( সক ল'ৰা-ছোৱালীত খাটে ।)

গেঁবাডিয়া—বি. গেঁৰ ভাণ্ডৰ, সক-টিকা

গেৰা—বি. = গেদা

গেৰি—বি. আঁতৰত থকা মানুহক সম্বোধন কৰি মাতা বিং

গেকৰা, গোৱা—বি. গোবোৱা; গোবোৱা; ভৰিৰ পতাৰ পিছফাল

গেজগেনি—বি. = গগনি

গেজেইমালেতী—বি. নাভি; গেজাই ফুল; আবকালি ফুলা এবিধ ফুল

গেন্দেৰা—বি. কুকুৰনেচীয়া বাঘতকৈ সৰু এবিধ জন্তু । ইয়াৰ দুবিধ মুচি-গেন্দেৰা আৰু হাগা-গেন্দেৰা

গেন্দেৰা পিট্‌—কেৰ পাত্‌; ইটোৱে সিটোক আক্রমণ কৰিবলৈ সাজু হ; ( মেকুৰীত খাটে ।)

গেসেইপেটা—বিণ. = গেট্‌টেপা

গেলেংকানি—বি. পাতল মলমল কাপোৰৰ টুকুৰা

গেহেনা-গেহেনি, গেহেনা-গেহেনি, কথা—বি. খিজলনি; কিবা এটা কথা কৈ আন এটা কথাৰ ভাৱ প্রকাশ

গেলেংগেথেং, গেলৌগেথৌ—বি. গা বেয়া লগা ভাৱ; যেনে—অসময়ত ভাত খাই গা গেলৌ-গেথৌ লাগ্‌ছি ।

গোকোজা, গোকেজীয়া— বিণ. মঙহাল আৰু উঠঙা ( মানুহত খাটে ।) ২। ভাল ব্যৱহাৰ নজনা; ভাল কথাৰ ভু নোপোৱা

গোগজ, গোগাজ—বি. দ ঠেক গাঁত; কেঁকোৰাৰ গাঁত

গোজোংগোপাজ— বি. জলমূৰকৈ খোজ কঢ়া ( মানুহত খাটে ।)

গোজোং গোজোং—ক্রি. বিণ.-জলমূৰকৈ গহীনভাৱে ( খোজ কঢ়াত

খাটে।)

গোট্‌খুলীয়া—বিণ. চুটি-চাপৰ আৰু আটিল (মানুহত খাটে।)

গোট্‌গুটীয়া—বিণ. কটকটীয়াকৈ এটা এটাকৈ গুলাই থকা

গোটাই, গোটাইখন, গোটাইকৃখান, গোটাইগিলা— স. না. গোটেই, সকলোখিনি; সকলোবোৰ; আটাই-বোৰ

গোটা-বং—বি. ওপৰদিনা গধূলি অগাই পিছদিনা দিনটো যথা মনসা পূজা

গোটেনিয়া—বিণ. সম্পূৰ্ণ; অংশ নকৰা; যেনে—গোটেনিয়া লাউ এটাকে দি, কাট্‌বা নাল্‌গেই।

গোটেলি—বিণ. গোটাসজীয়া; গোটা আকৃতিৰ (বাঁহত খাটে।)

গোদোহা—বিণ. গদহা; শকত আৰু মতহাল

গোদোহা, গোদেলি—বি. মৰণা মাৰোঁতে ওলোৱা ধান মাহ আদি গছৰ টুকুৰা আৰু দুঁইৰ বাকলি আদি

গোধাজাম—বি. গুটি নলগা বন-বীয়া জাম

গোধাঠেঙীয়া—বিণ. গদহা ভৰি থকা (মানুহত খাটে।)

গোধাপুলী—বি. কণাপুলীতকৈ ডাঙৰ এবিধ মঙচুৱা আকৃতিৰ পুলী

গোধা-পাবোৱা—বি. ঠেঙবগৰা সৰু-লৈকে পাখি থকা এবিধ পাৰ

গোধাচিতা—বি. এবিধ ডাঙৰ চিতা

গোন্দোৰা / বোন্দোৰা—বিণ. কেঁৰা-বত বা থতত গধূৰ কৰি থকা (মুখত খাটে।)

গোন্ধ—বি. দেৱপূজাৰ দিনৰ ওপৰ নিশাৰ অধিবাস

গোন্ধচেনা কচু—বি. গাজকচু; এবিধ গোন্ধ থকা শাকজাতীয় কচু

গোন্ধচৌপৰী সভা / চৌপৰী সভা—বি. ওপৰদিনা গধূলিৰপৰা পিছদিনা গধূলিলৈকে বিয়াহৰ ওজাৰ গীত-বাদ্যেৰে সৈতে কৰা বাসুদেৱ পূজা

গোন্ধাওা—বিণ. = গা-গোন্ধাওা

গোন্ধমৰি—বি. গুৱামৰি; সাধাৰণতে ডাবোলৰ লগত খোৱা এবিধ মছলা

গোপাত—বিণ. নষ্ট; ধ্বংস; যেনে—পলুপিলা মৰি গোপাত হ'ল।

গোপলেঙীয়া, গোপকেমীয়া—বিণ. গৰু চৰাব পৰা ধৰণৰ; যেনে—গোপলেঙীয়া ছুলি এক-মথাই আৰ পাব্‌বা ধজিছ।

গোফেজি—বি. গুফলি

গোফোং, ফোবাং—বিণ. স্পষ্টকৈ কথা কওঁতা নোকোৱা; যেনে—জিকিৰা-টো গোকোং, মুখেদি কথা উলাবা নোৱাৰেই।

গোকা—অ. বা. গোৱা; পেটৰ আহাৰ জীণ দিওতা শক্তি কম হৈ উপৰাৰ নিচিনা হ

**গোবৰথ্‌কীয়া**— বিণ. গোবৰখেনীয়া; মগুহাল; ভালকৈ পাখি নগজা আৰু শকত (পাৰৰ পোৱালিত খাটে।)

**গোবেৰি**—বি. ভিতৰত অতিশয় বেদনাৰ কাৰণে মুখেৰে ওলোৱা ফেন আৰু লালটি; যেনে—গিৰস্তৰ কুবত চোৰৰ মুখেদি গোবেৰি বাহিৰ হৈছি।

**গোবেৰি কৃত্যাং**—বিণ. নষ্ট; সৰ্বনাশ; যেনে—সাথন নহৰা বান্ধেনি, আণ্ডা গোবেৰি কৃত্যাং ক'লা।

**গোমৰ**—বি. ৰহস্য; গুপুত কথা; যেনে—সি যি ভাণ্ডি কৰা নাই, কিবা এটা গোমৰ আছেই।

**গোমৰফাক**--বি. ৰহস্য ভেদ; গুপুত কথাৰ প্ৰকাশ

**গোম্‌ঠা**—বি. গোমোঠা; গোমা; বিবৰ্ণ (মুখত খাটে।)

**গোৰ্‌ঙা**—বিণ. গোতোং, দ আৰু থোৰখোৰা; মেলাহি নহয়

**গোৰদাৰু**—বি. অপদেৱতাৰ ছিদ্ৰ নালাগিবলৈ গৰ্ভৱতী তিৰোতাৰ গাত আৰু কেঁচুৱাৰ ডিঙিত বান্ধিবলৈ বেজে মন্ত্ৰ মাতি, জৰীত ওলমাই, এড়ীৰ চোকোলাত ভৰাই দিয়া ঔষধ

**গোৰসদিয়া, সদিয়া**—বি. পূৰ্বপুৰুষৰ যশ বা অপযশ; যেনে—ইংৰাজে ভাল কাম দিবা লাগিলি গোৰসদিয়া বিচেৰ্‌ছিল।

**গোৰা**—বি.=গেৰুৱা

**গোৰাগুণ্টি**—বি. বংশৰ আতিগুৰি

**গোৰাচাৰ**—বি. অত্যাচাৰ বা অপব্যৱহাৰৰ কাৰণে এৰা দিয়া কাৰ্য্য; যেনে—ধান চাউল আধা-আলেনি কলিল মহালক্ষ্মীয়ে গোৰাচাৰ দেই।

**গোৰালোটা**—বি. ভৰিৰ গেৰোৱা লেটাই যোৱা (ধুতিত খাটে।)

**গোৰেহি**—বিণ. গোৰালি; গুৰিৰ কালৰ; যেনে—গোৰেহি বাঁহ।

**গোল**—বি. বাত বেমাৰী মানুহৰ ভৰিত বিন্ধা কৰি মহানিমৰ ডালৰ টুকুৰা এটা সুমুৱাই বিষ পানী ওলাব দিয়া বাট

**গোলমাল**—বি. আলোচনা; যেনে—ঘৰৰ পৰিয়ালৰ লগত গোলমাল কৰিহে কথাটোৰ উত্তৰ দিবা পাৰিম।

**গোঁহাই**—বি. গোসাই; দেৱতা; ২। গোস্বামী; ধৰ্মশাস্ত্ৰৰ অধিকাৰী

**গোঁহাইঘৰ**—বি. নামঘৰ; ২। দেৱমন্দিৰ

**গোঁসাইখেৰথান**— বি. পূজনীয় গোঁসাইজনা; ২। বনৰীয়া হাতী

**গোঁহাই কথা**—উপকথা; সাধুকথা

**গোঁহাই কৰ্**—পূজা কৰ্ ২। ঘৰত নাম-কীৰ্ত্তন পাত;

**গোঁহাইলাগা**—বিণ. দেৱতা বা অপদেৱতা থকা; যেনে—গোঁহাই

লাগা পুখুৰী

গোৰোকচেনা—বি. গোৰচনা; গৰুৰ পিত্ত ৰসৰপৰা হোৱা এবিধ হালধীয়া মূল্যবান্ বস্তু

## ঘ

ঘক্ঘক্কে—ক্রি. বিণ. ঘক্ ঘক্ শব্দ কৰি (পানী খোৱাত খাটে।)

ঘচৰমচৰ, ঘচৌমচৌ—বি. বিশৃঙ্খলা; যেনে—যোগাৰ হৰা বিয়াখানত সি আহি ঘচৌমচৌ লগালা।

ঘজিয়া, ঘৰ্জিয়া—বি. ঘৰজোঁ-ৱাই; শহুৰেকৰ ঘৰতে থাকি ঘৰ সংসাৰ কৰি থকা মানুহ; যেনে—ঘজিয়াৰ খং গাতে মাৰযায়।

ঘটৰ্-মটৰ—বি. এই বস্তুকত ঠিক থাকিল, ঘটৰ্-মটৰ নচলবু

ঘটৌ-মটৌ—বি. লৰচৰ; যেনে—পা-ৰ সময়ত টেবুলখানত ঘটৌ-মটৌ নল্গেৰি।

ঘনকচুনি—বি. ঘনেপতি, বাৰে বাৰে

ঘ'ৰী—বি. ঘৈণী; গৃহিণী

ঘপ্কে, ঘপ্কৰি, ঘপহকে; ঘপহকৰি—ক্রি. বিণ. ঘপৰাই; ঘপকৰে; তৎক্ষণাৎ

ঘৰ আজ্ঞাৰ বাইজ গোহৰ—লোক-লোকালি; ঘৰপুৱা

ঘৰচিকা, ঘৰচুকা—বি. ঘৰচিৰিকা,

ঘৰচুকা—বিণ. ঘৰতে সোমাই থকা (মানুহত খাটে।)

ঘৰচীয়া, ঘৰ্চীয়া—বিণ. ঘৰ-চীয়া, পোহনীয়া

ঘৰ্জিয়া—বি. =ঘজিয়া

ঘৰপাতা—বিণ. অধিক জনা দেখুৱাই কাৰৰ দিহা দিয়া (ব্যঙ্গ অৰ্থত) স্ত্রী—ঘৰপাতী

ঘৰবৰ চা—বিয়া সম্পৰ্কে দৰা ঘৰৰ নিমন্ত্ৰণ ৰক্ষা কৰ্

ঘাগেৰী—বি. পাগৰি; ডাঙৰ কলহ

ঘাঙাৰ—বি. খেকাৰ; মুখৰপৰা উলিয়াই পেলোৱা কফ

ঘাটুৱেই—বি. ঘাটৈ; ঘাটোৱাল; নৈৰ ঘাটত নাৱেৰে মানুহ আদি পাৰ কৰা লোক

ঘাৰত লাগ্, ঘাৰ চুকা খা—উন্ম-ত্তিত বাধা পা (কড়ি খেলাওঁতে চালৰ কোণত পৰা কড়ি হঠাতে বাহিৰ নহয়। সেয়েহে কোৱা হয়—ঘাৰ চুকৰ কড়ি।
থাক ছুমাহ পৰি॥
সেইবাবে ওপৰৰ বচন কাকিৰ অৰ্থ উন্নতিত বাধা পা।)

ঘাৰমেনা, হাতমেনা—বি. মানুহৰ বাহু দুটাৰ গুৰি

ঘাৰত-লাগ্ =ঘাৰ চুকা খা

ঘাৰত লাগা—অন্তৰত লাগি থোৱা (কথাত খাটে।)

ঘায়া—স. ধা. ঘপিয়া; ঘাপ মাৰ্; ঘাৰ থকা অস্ত্ৰেৰে আঘাত কৰ্

ঘিটঘিটীয়া—বিণ. একো নেদেখা; ডাঠ (আন্ধাৰত খাটে।)

ঘিট্‌ পলয় আন্ধাৰ—ঘোপমৰা আন্ধাৰ
ঘিটিং—বি. আনক নোকোৱাকৈ গুচি যোৱা কাম; যেনে—সি খাই দেই ঘিটিং, (তুচ্ছার্থত)
ঘিদৌমিদৌ—বি. চকুৰে একো নেদেখা অৱস্থা; যেনে—শলাখৰ হঠাৎ নুমাৱাত ঘৰৰ ভিতৰত আমাৰ ঘিদৌমিদৌ লাগিল।
ঘিলৌমিলৌ—বি. = খলৌমলৌ
ঘিয়েজ্ঞি—বি. ঘেৰাখি, এবিধ সুগা চানেকীয়া সুগন্ধি ফুল
ঘিস্তিপাৰ্, ঘিস্তেই পাৰ্, ঘিস্তি-পাৰি খা / ঘোকপাৰি খা— বহু মানুহে একেলগে আহি পাবেবানে খা
ঘুটুক মুটুক, ঘুটুৰ মুটুৰ, ঘুটু লেই—বিণ. চুটি-চাপৰ; ( মানুহত খাটে।)
ঘুটুলুকা—বি. হেটুলুকা; যাইকৈ বসন্ত কালত ওলোৱা হেটুলুক হেটুলুককৈ মতা ঠোঁট বঙা এবিধ চৰাই
ঘুটু লেই—বিণ. = ঘুটুক মুটুক
ঘুমেইগৰীয়া—বিণ. কেৱল শুই থাকিবলৈ ইচ্ছা কৰা; এলেহুৱা; যেনে— ঘুমেইগৰীয়া গৰুইদি খেতি কৰা টান।
ঘুমেটি—বি. ঘুমটি; টোপনি
ঘুৰী—বি. বিয়াহৰ ওজাই কঁকালত পিন্ধা জামা
ঘেঙা—অ. বা. ঘেঁহা; কথা কণ্ঠতে বা পচোঁতে একেটা শব্দকে উচ্চাৰণ কৰিবলৈ কেইবা বাৰো চেষ্টা কৰ্; যেনে—ঘেঙেই ঘেঙেই পুথি পঢ়িলি বস নাপায়।
ঘেঙুৰ—বি. ঘুঙুৰ; উদকাই ৰোগ
ঘেঙুৰীয়া—বিণ. ঘনাই কাহি খেকাৰ পেলাই থকা (মানুহ খাটে।)
ঘেঙেত্তকে— ক্রি. বিণ. ঘেকেৰাই; (কুকুৰ আদিয়ে কামোৰাত খাটে।)
২। খং কৰি; কেটেৰাই
ঘেচেৰীয়া—বিণ. পুৰঠ নোহোৱা; অপৈণত, (আম আদিত খাটে।)
২। কমবয়সীয়া; যেনে—ঘেচেৰীয়া ছলি।
ঘেটা মাৰ্—ক'ৰবালৈ লক্ষ্য কৰি গৈ বাটত আন ঠাইত সোমাই সময় নষ্ট কৰ্, যেনে—স্কুলৰ-পেৰে আহোঁতে ইমান পলম হ'ল কিয়? দোকানে দোকানে ঘেটা মাৰি আইছা নেকি?
ঘেলৌমেলৌ —বি. অৱশ অৱশ ভাৱ; জুৰ জুৰ ভাৱ
ঘেপেই ঘেপেই—ক্রি. বিণ. কোনো কাম নোহোৱাকৈ এলেহুৱা ভাৱে
ঘেলেই মেলেই, ঘেলেং মেলেং—বি. গাত বাগিয়ে ধৰাৰ নিচিনা ভাৱ; জুৰ জুৰ ভাৱ; যেনে—নতুন বণিণ চাউলৰ চুঙাপিঠা খাই গা মেলেই মেলেই লাগ্‌ছি।
ঘেহ্‌জুটীয়া, ঘেহ্‌জেটীয়া— বিণ. বৰ লেভেৰা (কাপোৰত খাটে।)

ঘোক পাখি খা—খিতি পাব্

ঘোগ, ঘোগা, ঘোজোত্—বি. নৈয়ে সোঁত পেলাই এবি খোৱা দ ঠাই

ঘোঁৰা দিয়া এড়া—দুপতীয়া এড়ি পুৰি

ঘোঁৰাবাক—বি. ঘোঁৰাব আকৃতিব মাছ বিচাবি ফুৰা এবিধ ভূত (ই হেনো কাছৰ জোবোৱাৰ পানীৰ দাঁতিত থৈ মাছ ধৰে। সেইখন দিব পাবিলে ইয়াক চাকৰ হিচাপে ৰাখ পাবি।)

ঘোঁৰাবাকৰ ঘোল্তা দি—খাচৰ বস্তুটো হাত কৰি ল (ঘোঁৰা-বাক শব্দত বহুবাই কোৱা আছে।)

ঘোল চাল, ঘোল চালি দি—সকলো ভিতৰুৱা কথা তৎক্ষণাৎ কৈ পেলা; যেনে—বাপ্কে কথা লুকেইছিল, পুত্ৰকে কিন্তু ঘোল চালি দিলা।

ঘোলোং—বি. = ঘোগ

# চ

চকলা—না. ধা. চকলিয়া; চকল চকল কৰ্

চকাড়ুব খা, চকা মাৰ খা—বেবি ডুব খা

চকা পাটত বহ্—মূৰ্খা অন্ত ৰাখলৈ উপক্ৰম কৰ্

চখু—বি. চকু

চখুতোৰা—বি. চকি আহি, চকুত পৰা এবিধ খোক

চঙ্গলা—বি. চঙিলা, ছিৰধী ছিৰলী পাত থকা এবিধ গছ; আক ইয়াৰ ছেঁই

চটামটা—বিশ. চকামকা; লেক-লেকেৰু; বিথিকি বিথিকি

চতিয়া—বি. কলপটুৱাৰ খোল খণ্ড কৰি পিটিৰ ভাঁঠ অংশ একলাই বহন কৰি ভোৱা চটা

চতিয়া চাবি—বি. = খলপা চাবি

চটৌ মটৌ, চৱৌ ভৱৌ—বিশ. ভৱনথীয়া

চতিহুল—বি. কেবোণ; যেনে—কিবা চতিহুল লাগিল, হবাযাগা বিয়াখান নহ'ল।

চতিজাতি মাত—খতইচ মাতেৰে পৰা বাদি

চদাহ, চদাহা—বি. এবিধ বনকচু

চন্দাৰ, চন্দ্ৰাৰ—বি. চৰ্দাৰ; বিয়াৰ উবিদ্যা আদি প্ৰদেশৰ বোৰা আহে মাটি কটা মানুহৰ দলৰ মুখী-য়াল

চন্দ্ৰতা—বি. ঘৰৰ বেৰৰ ওপৰৰ খালী হৈ থকা অংশ ঢাকিবলৈ বাঁহৰ দৈবে বৈ বান্ধি দিয়া খৰাপৰ; আকৈৰ চুকত বান্ধি দিয়া খৰাপ

চপৰা চপোৰি, চপিৰা চপেৰিকে-ক্ৰি. বিশ. চকলা-চকলিকৈ

চপা—স. ধা. চপিয়া; সেওঁচিৰৰ আৰে ভঙিবলৈ কণাহৰ পঁচ

টানি দীঘল কৰ্

চন্দোৰা—বি. হিন্দুৰ মৰা মানুহ সংকাৰ কৰাৰ পাছত সেই ঠাইত বাঁহৰ আগলি চাৰিটাত তৰি দিয়া কাপোৰ

চৰপটী—বি. বিচনী

চৰম—বি. চোম; মুখ বা গাত ফুটফুটীয়াকৈ বগা বা ক'লা দাগ পৰা এবিধ ৰোগ

চৰু পেলা—অশৌচ আদিৰ কাৰণে অশুচি হোৱা চৰু পেলাই দি (মাটিৰ চৰুত খাটে।)

২। অশুচি হোৱা আখল মচি কাচি আৰু ব্যৱহাৰ কৰা কেৰাহী আদি পুৰি ধুই পখালি শুদ্ধ কৰ্

চৰুত পোৰা মাছ=খোলাত দিয়া মাছ

চৰেই—বি. চৰাই; পক্ষী

চলবলীয়া—বিণ. ভৰি-হাত লৰাই হাঁহি থকা (কেঁচুৱাত খাটে।)

চম্‌ভম্, চহবহ, চোটঘাট—বি. আহ্-যাহ্

চমেনি—বি. চলা; বহুত ঠাই আগুৰি থকা বন্ধন পানী

চলৌভলৌ—বিণ.=চটৌবটৌ

চহ্‌কী কৰ্—ডাঙৰ কাম কৰি দি (ব্যঙ্গ অৰ্থত)

চহ্‌বহ্—বি. চম্‌ভম্

চাউৰীয়া—বি. চাওঁতা; দৰ্শক

চাউলে চকই তলক যা—সমূলি নষ্ট হ, ডাঙৰ অনৰ্থ হ; যুদ্ধ বৰ্; বেনে—খেতিৰ বতৰ, হাঙ্গৰ গৰুহাল মৰি চাউলে চকই তলক যাবো।

চাওঁতকে—ক্রি. বিণ. চাতকৰে, হঠাৎ

চাঁচ—বি. চেঁচুক; ব'দ নপৰা ঠাই

চাট্‌টুমান, চাট্‌টুমেনি—বিণ. কম পৰিমাণৰ; অলপমান (পৰিমাণত খাটে।)

চাত্তি—বি. চাকি; বন্তি

চান—বি. বস্ত্র গণোতে বা জো-খোঁতে সাধাৰণতে কুৰিৰ লেখৰ বা জোখৰ হিচাপ ৰাখিবৰ বাবে বেলেগে থোৱা সেই বস্তুৰে লেখৰ বা জোখৰ বাহিৰৰ কিছু অংশ (তামোল গণোতে বা ধান আদি জোখোঁতে এনে কৰা হয়।)

চাপেনী/খাচিখাইতী, খাচেনী—বি. বিয়া নোহোৱাকৈ কোনো পুৰুষলৈ যাচি সোমোৱা তিৰোতা

চাপেনীয়া—বি. চপনীয়া; সম্বন্ধ নথকা মানুহৰ ঘৰত পেট পুহি থকা মানুহ (২। গিৰিহঁতৰ ঘৰ এৰি আনৰ ঘৰত থাকিবলৈ লোৱা (কুকুৰ আদিত খাটে।)

চাপিৰা—না. ধা. চপৰিয়া; হাতৰ ভৰুৱাৰে আঘাত কৰ্

চাৰিয়া—না. ধা. চাৰ মাৰ্, ৰঠাৰে পানীত মৃদু আঘাত কৰ্

২। খুৰলিত থৈ ঢেঁকী দি খোৱাৰে লাহে লাহে আঘাত কৰ্

